# খাগৰিজান মহাবিদ্যালয়

## আলোচনী



শৈলেন কুমাৰ দাস

# খাগৰিজান মহাবিদ্যালয়

## আলোচনী

### দ্বিতীয় সংখ্যা

১৯৯৯-২০০০ চন

সম্পাদক ঃ শ্ৰীকৃষ্ণ দাস

তত্ত্বাৱধায়কদ্বয়

আহ্বায়ক

অধ্যাপক জোনাৰাম নাথ

অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি

অধ্যাপিকা ৰেণু মহন্ত ৰাজখোৱা

## সম্পাদনা সমিতি


| | | |
|---|---|---|
| সভাপতি | ঃ | অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ। |
| আহ্বায়ক | ঃ | অধ্যাপক জোনাৰাম নাথ। |
| তত্ত্বাৱধায়কদ্বয় | ঃ | অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি।<br>অধ্যাপিকা বেণু মহন্ত ৰাজখোৱা। |
| আলোচনী সম্পাদক | ঃ | শ্ৰীকৃষ্ণ দাস। |
| সদস্য | ঃ | উপাধ্যক্ষ অৰুণ বিকাশ দত্ত।<br>অধ্যাপক আব্দুল ছালাম।<br>অধ্যাপক লুতফুৰ ৰহমান।<br>সাধাৰণ সম্পাদক বদৰুল ইছলাম। |
| বেটুপাত | ঃ | শ্ৰীশৈলেন দাস। |
| অংগসজ্জা | ঃ | অধ্যাপক আব্দুল ছালাম। |
| প্ৰকাশক | ঃ | অধ্যক্ষ, খাগৰিজান মহাবিদ্যালয়। |
| মুদ্ৰণ | ঃ | স্বপ্না কম্পো প্ৰিন্টচ্, এ, ডি, পি, ৰোড (নগাঁও)। |


## শুভেচ্ছা বাণী

খাগৰিজান মহাবিদ্যালয়ৰ আলোচনী প্ৰকাশৰ প্ৰস্তুতি পৰ্বত মহাবিদ্যালয়ৰ সমূহ সাহিত্যানুৰাগী ছাত্ৰ-ছাত্ৰীৰ প্ৰতি এই শুভেচ্ছা জনাইছোঁ তেওঁলোকৰ যেন ভাষা আৰু সাহিত্যৰ সেৱাত গভীৰ নিষ্ঠা আৰু আত্মনিবেদনাৰে নিজক নিয়োজিত কৰিব পাৰে আৰু ভৱিষ্যতৰ অসমীয়া সাহিত্যক সমৃদ্ধ কৰি তুলিব পাৰে।

সাহিত্য একাডেমী বঁটা বিজয়ী ২০০০

# শুভেচ্ছা বাণী

মৰমৰ ছাত্ৰ-ছাত্ৰীসকল,

অলপতে তোমালোকৰ খাগৰিজান মহাবিদ্যালয়ৰপৰা এখন মুখপত্ৰ (ছপা আলোচনী) ছপাহৈ ওলোৱাৰ কথা মই তোমালোকৰ অধ্যক্ষ ড০ বাদল চন্দ্ৰ ঘোষ দেৱৰ পৰা জানিব পৰিছোঁ। তেখেতে মোৰ পৰা আলোচনীখনৰ বাবে এটা শুভেচ্ছা বাণীও বিচাৰিছে। তোমালোকৰ মুখপত্ৰখন প্ৰকাশ হোৱাৰ বাতৰি পাই মই অতিশয় সুখী আৰু আনন্দিত হৈছো আৰু তোমালোকৰ বাবে এই অতি প্ৰয়োজনীয় আলোচনীখন প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰা আৰু আয়োজন কৰাৰ বাবে অধ্যক্ষ ঘোষক মোৰ ফালৰপৰা ধন্যবাদ জ্ঞাপন কৰিছোঁ।

তোমালোকৰ মহাবিদ্যালয়ৰ মুখপত্ৰ প্ৰকাশ হোৱাৰ এই শুভ অৱসৰত মই তোমালোক সকলোলৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছোঁ। দৰাচলতে একোখন মহাবিদ্যালয়ৰ বাবে নিজাকৈ একোখন ছপা আলোচনী থকাটো অত্যন্ত প্ৰয়োজনীয় কথা ; ছাত্ৰ-ছাত্ৰীসকলে সাহিত্য চৰ্চা কৰা তথা তেওঁলোকৰ মানসিক উৎকৰ্ষ সাধন কৰাৰ বাবে আলোচনী এখন উৎকৃষ্ট মাধ্যম, অমূল্য মাধ্যম। ছাত্ৰ-ছাত্ৰী সকলে অধ্যাপক-অধ্যাপিকাসকলৰপৰা বিভিন্ন পাঠ্য-পুথি আৰু গ্ৰন্থৰপৰা আৰু ভ্ৰমণ কৰি যি শিকে যি শুনে তাৰ সহায়ত নতুন সৃষ্টি কৰি সেই সৃষ্টি মহাবিদ্যালয়ৰ মুখপত্ৰত প্ৰকাশ কৰি যিদৰে মানসিক উৎকৰ্ষ সাধন কৰাৰ উপৰিও অনাবিল তৃপ্তি উপভোগ কৰিব পাৰে। এজন বহিৰাগতই তোমালোকৰ আলোচনীখনৰ পৰাই তোমালোকৰ মহাবিদ্যালয়ৰ শৈক্ষিক আৰু সাংস্কৃতিক পৰিবেশৰ বিষয়েও বহুত কথাই জানিব পাৰে ; মহাবিদ্যালয়ৰ মুখপত্ৰখন দৰাচলতে মহাবিদ্যালয়খনৰ দৰ্পণ স্বৰূপ।

একোখন মহাবিদ্যালয়ৰ মুখপত্ৰত সাহিত্য চৰ্চা কৰিও আমাৰ অসমত বহুত ডাঙৰ সাহিত্যিকৰ সৃষ্টি হোৱা দেখা গৈছে। মই এজন অতি নগণ্য সাহিত্য চৰ্চা কৰা মানুহ, কিন্তু মোৰ সাহিত্য চৰ্চাৰ সূচনা হৈছিল যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ আলোচনীতহে। ছাত্ৰসকলৰ বাবে মহাত্মা গান্ধীৰ সূতা কটা আঁচনিতো যোগ দিছিলো আৰু নিজে সূতা কাটিছিলো। এবাৰ জগন্নাথ বৰুৱা

মহাবিদ্যালয়ৰ আলোচনীত মহাত্মা গান্ধীৰ "চৈধ্যদফীয়া সংগঠনমূলক কামৰ আঁচনিব" বিষয়ে এটা প্ৰবন্ধ লিখিছিলোঁ। এই চৈধ্যদফীয়া সংগঠনমূলক কামৰ ভিতৰৰে এটা কাম আছিল, মাতৃভাষাৰ উন্নতি হকে কাম কৰা আৰু সাহিত্য চৰ্চা কৰা। সূতা কটা কামত যোগ দিছিলোঁ যদিও এই কাম নিয়মিতভাৱে কৰি থকাটো মোৰ পক্ষে সম্ভৱ নাছিল। এই প্ৰবন্ধটো লিখাৰ পাচৰপৰা মই "মাতৃ ভাষাৰ উন্নতিৰ হকে কাম কৰা আৰু সাহিত্য চৰ্চা কৰা" কথাকেই মোৰ বাবে সংগঠন মূলক কামৰ আঁচনি হিচাপে জীৱনত গ্ৰহণ কৰিছিলো। আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত এনে বহুত ছাত্ৰ-ছাত্ৰী আছে যি সকলৰ সাহিত্য চৰ্চা কৰা, সংগীতবোৰৰ অনুশীলন কৰা, এইবোৰৰ বিকাশ সাধন কৰাৰ সুবিধা নাই। এই আলোচনীখনে আমাৰ খাগৰিজান মহাবিদ্যালয়ৰ এই অভাৱ দূৰ কৰাত সহায় কৰিব। মই আমাৰ "খাগৰিজান মহাবিদ্যালয়" ৰ ছাত্ৰ-ছাত্ৰীসকলক এই আলোচনীখনৰ সুবিধা গ্ৰহণ কৰি সাহিত্য চৰ্চা কৰি তেওঁলোক নিজেও যেন একোগৰাকী মহৎ সাহিত্য সাধক হয় আৰু চিৰচেনেহী আমাৰ অসমীয়া ভাষাজননীৰো যেন উন্নতি সাধন কৰাত ব্ৰতী হয়- ইয়াকে একান্তভাৱে কামনা কৰোঁ। শেষত মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলোলৈকে ধন্যবাদ আৰু মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

ইতি-
আপোনালোকৰ

[signature]

বাল-গোপাল
মিলনপুৰ,
পোঃ নগাঁও (অসম)
৭৮২০০১

# সম্পাদকীয়



প্ৰতিবেদনৰ প্ৰথম কলমতেই আন্তৰিক হিয়াভৰা শত-সহস্ৰ প্ৰণিপাত জনাইছোঁ সেইসকল চিৰ নমস্য ব্যক্তিলৈ যি সকলৰ আশা-শুধীয়া প্ৰচেষ্টাত আজি খাগৰিজান মহাবিদ্যালয়ে শিক্ষা জগতত নগাঁও চহৰৰ দক্ষিণ প্ৰান্তত বৌদ্ধিক মহলত নিৰক্ষৰতা দূৰীকৰণত বাৰুকৈয়ে প্ৰভাৱ পেলাইছে।

আজি সমগ্ৰ অসমৰ জন জীৱন বিধ্বস্ত দিশত এটা বিৰাট শূন্যতাই অৰ্থনৈতিক, সামাজিক তথা শিক্ষাজগত প্ৰায় অন্ধকাৰ গতি পথেৰে ধাৱমান হৈছে। মূল্যবোধৰ অৱক্ষয়ত আক্ৰান্ত যুৱ প্ৰজন্ম এচাম ক্ষমতা লিপ্সু ৰাজনৈতিক নেতাৰ হাতত শান্তি নামৰ শব্দটো ক্ষয়ৰোগত আক্ৰান্ত। চৌদিশে সন্ত্ৰাস, হত্যা, হিংসাৰ দাৱানল। মানুহৰ আত্ম সংযম, বিশ্বাস হেৰাই গৈছে। ইয়াৰ প্ৰভাৱ বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত পৰা দেখা গৈছে। ইয়াৰ প্ৰায়বোৰ স্তৰতে এই কু-প্ৰভাৱৰ ফলত আমাৰ ছাত্ৰ-ছাত্ৰীসকলে সংশয়ৰ মাজেদি পাৰ কৰিবলগা হৈছে। নৈতিকতাৰ সৰ্বভাৰতীয় স্তৰত মেধা সম্পন্ন পৰীক্ষাসমূহত আমাৰ অসমৰ ছাত্ৰ-ছাত্ৰীৰ সীমিত সংখ্যকেহে অংশ গ্ৰহণ কৰা বা সাফল্য পোৱা দেখা যায়। মই সকলো ছাত্ৰ সমাজৰ প্ৰতি আহ্বান জনাওঁ এখন দেশ, এখন সমাজ, এটা জাতি নিজস্বভাৱে প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ প্ৰাথমিক স্তৰৰপৰাই উচ্চ মানদণ্ডৰ চিন্তাধাৰা, আত্ম সংযম, বিশ্বাসেৰে শৃংখলাবদ্ধভাৱে মানৱীয় অনুভূতিক সজাগ কৰি সন্ত্ৰাসেৰে আক্ৰান্ত সমাজখনক ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক দিশত আগবঢ়াই নিবলৈ ছাত্ৰ সমাজে মুখ্য ভূমিকা পালন কৰিব লাগিব।

মোৰ কাৰ্য্যকালত এই মহাবিদ্যালয়ৰ প্ৰতি কিমান সেৱা তথা প্ৰগতি আনিব পাৰিলোঁ সেয়া শিক্ষাগুৰুসকল আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অবিদিত নহয়। আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত

বিশেষকৈ মাননীয় অধ্যক্ষ মহোদয় আৰু তত্ত্বাৱধায়কদ্বয়ৰ পৰা পোৱা সহাৰি, পৰামৰ্শ আদিৰ বাবে তেখেতসকলৰ ওচৰত চিৰ কৃতজ্ঞ হৈ থাকিম। ১৯৯৯-২০০০ বৰ্ষত দ্বিতীয় সংখ্যা আলোচনীখনি প্ৰকাশৰ ক্ষেত্ৰত যিসকল শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰপৰা লেখা পালোঁ সেইখিনি সৰ্বাঙ্গ সুন্দৰ ৰূপত সজাবলৈ চেষ্টা কৰিছোঁ। যদি কোনো অনিচ্ছাজনিত কাৰণত কিবা ভুল-ক্ৰুটি বৈ গৈছে তাৰ বাবে মোক মাৰ্জনা কৰে যেন।

মোক সকলো ক্ষেত্ৰতে সহায়ৰ হাত আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়, তত্ত্বাৱধায়কদ্বয়, শিক্ষাগুৰুসকল আৰু দুলাল আহমেদ, বিকাশৰ প্ৰতি আন্তৰিক শুভেচ্ছা আৰু কৃতজ্ঞতা জনালোঁ।

কৃষ্ণ দাস
আলোচনী সম্পাদক

# তত্ত্বাৱধায়কদ্বয়ৰ দুআষাৰ

'Procrastination is the thief of time' --বিলম্বকৰণ সময় অপহাৰক।

মহাবিদ্যালয় আলোচনীৰবাবে লেখা আৰু যাৱতীয় তথ্যপাতি সংগ্ৰহ কৰোঁতে আৰু আলোচনীখনক সৰ্বাংগ সুন্দৰ কৰাৰ মানসেৰে সাৰ্বিক ৰূপ দিওঁতে অনিচ্ছাকৃত পলম হ'ল --তাৰে বাবে আমি ক্ষমাপ্ৰাৰ্থী।

আলোচনীখনক সৰ্বাংগ সুন্দৰ আৰু ৰসোত্তীৰ্ণ মানসেৰে অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰী, শুভাকাংখী আৰু গুণীজনৰপৰা যি অকৃপণ সহায় পালোঁ তাৰ বাবে আমি চিৰকৃতজ্ঞ আৰু চিৰঋণী।

মহাবিদ্যালয় আলোচনীখনৰ বেটুপাত অলংকৰণৰ গুৰুদায়িত্ব বহন কৰি সুষ্ঠভাৱে কামখিনি সম্পন্ন কৰাৰ বাবে আমি ভ্ৰাতৃপ্ৰতিম শিল্পী শ্ৰীযুত শৈলেন দাসক আমাৰ আন্তৰিক শুভেচ্ছা, হাৰ্দিক অভিনন্দন আৰু ওলগ আগবঢ়ালোঁ।

তত্ত্বৱধায়কৰ দায়িত্ব বৰ গধুৰ। এই গধুৰ দায়িত্ব পালন কৰোঁতে আমি কিমান সফল--সেই বিচাৰ ভাৰ আপোনালোকক সপিলোঁ।

আলোচনী সাহিত্য সৃষ্টিৰ সোপান; আলোচনী সাহিত্যিক-লেখকৰ পীঠস্থান। আলোচনী সমাজ দৰ্পন।

দেশৰ আজি দুৰ্দিন। দিনে দিনে ভাৰতীয় নেতৃত্বৰ সৰ্বগ্ৰাসী, নগ্ন ৰূপটো প্ৰকট হৈ পৰিছে। ভাৰতীয় গণতন্ত্ৰৰ সৰ্বনাশী অবক্ষয়ৰ ৰূপটোও প্ৰতিদিনে প্ৰতিফলিত হৈছে। পৃথিবীৰ দৃষ্টিত বৰ্তমান ভাৰত এক কলঙ্কিত দেশ। দুৰ্নীতি, ভ্ৰষ্টাচাৰ, ব্যভিচাৰে দেশৰ আত্মাক কলুষিত কৰিছে। এফালে সৰ্বসাধাৰণ মানুহৰ জীৱনৰ দৈন্য, হতাশা, ব্যথা-বেদনা - আনফালে নেতাসকলৰ লক্ষ লক্ষ, কোটি কোটি টকা আত্মসাৎ, কেলেঙ্কাৰী -- এই ভয়াবহ সামাজিক চিত্ৰই আমাক চিন্তিত কৰিছে।

দেশৰ এই চৰম দুৰ্দিনত, এই মহাবিষম অস্থিৰ পৰিস্থিতিত শিল্পী-সাহিত্যিক-সকল নীৰৱ দৰ্শক হৈ থাকিব নোৱাৰে। সাহিত্য-সংস্কৃতিৰ মহত্ত্বৰদ্বাৰা দেশৰ মানুহক উদ্বুদ্ধ কৰি দেশৰ জাতীয় আৰু ৰাজনৈতিক জীৱন কলুষমুক্ত কৰাৰ গুৰুদায়িত্ব সাহিত্যিকৰ, লেখকৰ, শিল্পীৰ। সামাজিক অৱক্ষয়, অপসংস্কৃতি, সুস্থ মনন ও চিন্তনৰ পৰিপন্থী। সুস্থ মনন ও চিন্তনৰ জৰিয়তে জাতিক

অপসংস্কৃতি, অৱক্ষয়, দুনীতি, ভ্ৰষ্টাচাৰ, ব্যভিচাৰ, হিংসা-বিদ্বেষৰপৰা মুক্ত কৰি, এক সুন্দৰ, অনাবিল আৰু সুস্থ সমাজৰ ছবি সাহিত্যিক-লেখক তেওঁৰ লিখনীৰদ্বাৰা, তেওঁৰ প্ৰবন্ধ-নিবন্ধৰদ্বাৰা ব্যঙ্গ-বিদ্ৰূপৰদ্বাৰা দাঙি ধৰিব পাৰে। প্ৰতিদিনে প্ৰচাৰিত দুনীতি, অন্যায়, হিংসা, অপৰাধে আমাক বিব্ৰত কৰে। কিন্তু তাৰ বিৰুদ্ধে জাগ্ৰত হ'বলৈ মানুহক উদ্বেলিত নকৰে। এজন লেখকে যেতিয়া নিজস্ব সৃজনশীল ক্ষমতাৰে, শিল্পৰ ব্যঞ্জনা আৰু সাৰ্থক ভাষাৰে সেই দুনীতি, ভ্ৰষ্টাচাৰ, ব্যভিচাৰ ব্যক্ত কৰে। তেতিয়া মানুহৰ মনত বিপ্লবৰ সূচনা হয় --বিপ্লবৰ জুঁই জ্বলি উঠে। এজন বলিষ্ঠ লিখক সেই দেশৰ শাসকৰ সমকক্ষ --অধিক সমকক্ষ। আলোচনীৰ প্ৰয়োজনীয়তা সেই কাৰণেই।

আলোচনীৰ জৰিয়তে আমাৰ মহাবিদ্যালয়ৰ অপৰিণত শিল্পীবোৰ পৰিণত হ'ব, - সাহিত্যিক হিচাপে, সুনাগৰিক হিচাপে আৰু গণজাগৰণৰ ঋত্বিক হিচাপে নাম কঢ়িয়াই আনিব- এই প্ৰত্যাশাৰে আমি আমাৰ প্ৰতিবেদন সামৰিলোঁ।

সৰ্বশেষত, মই আমাৰ অনিচ্ছাকৃত ভুল-ক্ৰুটিৰ বাবে ক্ষমা মাগিলোঁ।

অলমতি বিস্তাৰেণ
শুভং কাময়ে।

**কৃষ্ণ চন্দ্ৰ মাজি**
**ৰেণু মহন্ত ৰাজখোৱা**

# মহাবিদ্যালয়ৰ সংগীত



কথা ঃ অধ্যাপক লুতফুৰ ৰহমান
সুৰ ঃ শ্ৰীমুকুল বৰা

(১)
নৱ নৱ সৃষ্টিৰে আমি আগুৱাওঁ
জ্ঞানৰ জ্যোতি আৰু কৃষ্টি বিলাওঁ
গঢ়িম আমি এই সমাজ মহান
মাতৃ আমাৰ এই খাগৰিজান।

(২)
চহৰৰ 'অতীত' তোমাৰ নাম
চিৰ নমস্য খাগৰিজান,
চৰণত বৈছে জুৰি খনাজান
তোমাক জনালোঁ প্ৰণাম।

(৩)
তুমি সেউজীয়া, তুমি অপৰূপা
তোমাৰ নাই যে তুলনা
আশীৰ দশকতে জন্মি আজি
হ'লা চিৰ যৌৱনা।

(৪)
আই আমাক শকতি দিয়া
আই আমাক আশিষ দিয়া
তোমাৰ চৰণ শিৰত লৈ
গাওঁ আমি জয়ৰে গান,
মাতৃ আমাৰ এই খাগৰিজান।

(৫)

তুমি গঢ়িছা যুগৰ মানুহ
গঢ়িবা আমাকো বীৰ লাচিত কৰি,
দুষ্কৃতি বিনাশী গঢ়িম সমাজ
গঢ়িম আমাৰ স্ব-জাতি ।

(৬)

তুমি গঢ়িছা যুগৰ নাৰী
আমাকো গঢ়িবা মূলাগাভৰু কৰি,
ভেদা-ভেদ বিনাশী গঢ়িম জাতি
দিলো তোমাক আমি প্ৰতিশ্ৰুতি ।

(৭)

শংকৰ দেৱৰে বৰঘৰ মজিয়াত
তুমি আই জন্ম ল'লা
মাধৱ আজানৰ সমন্বয়ৰ গীত
আমাৰ প্ৰাণত সিঁচি দিলা ।

(৮)

আই আমি কৰোঁ অঙ্গিকাৰ
ৰাখিম তোমাৰ মান
তুমি আই চিৰ মহান
মাতৃ আমাৰ এই খাগৰিজান
তুমি আই চিৰ মহান
মাতৃ আমাৰ এই খাগৰিজান ।



কৰ্তব্যৰত অৱস্থাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ

# অতীত আৰু চৰৈবেতিৰ পথত
# খাগৰিজান মহাবিদ্যালয় সম্পাৰ্কে
## অধ্যক্ষৰ— দু'আষাৰ

সুজলা সুফলা শস্য শ্যামলা এই ভাৰতবৰ্ষ। 'এনেখন সুজলা, এনেখন সুফলা, এনেখন মৰমৰ দেশ'। আমাৰ এই অসম প্ৰদেশখন সুজলা-সুফলা আৰু মৰমেৰে ভৰা। লক্ষ্মীনাথ বেজবৰুৱাৰ এই কথাষাৰ বাস্তৱতাৰ ভিত্তিত ৰচিত। আমাৰ এই দেশখন ভাৰতবৰ্ষৰ উত্তৰ-পূৰ প্ৰান্তত অৱস্থিত। যুগে-যুগে আমাৰ এই প্ৰদেশত অনেক মহাপুৰুষ, সুসাহিত্যিক আৰু গুণী পণ্ডিত ব্যক্তিৰ আবিৰ্ভাব ঘটিছিল। নগাঁও চহৰখন অসমৰ পূৰ প্ৰান্তত অৱস্থিত। এই চহৰৰ পৰা ১০ কিলোমিটাৰ দূৰত বৰদোৱাৰ আলিপুখুৰী নামৰ ঠাইত জন্মগ্ৰহণ কৰিছিল মহাপুৰুষ শ্ৰীশ্ৰী শংকৰদেৱে। যিজন মহাপুৰুষৰ আবিৰ্ভাৱে অসম, ভাৰতবৰ্ষ তথা গোটেই বিশ্ব আলোড়ন সৃষ্টি কৰিছিল। আনফালে এই জিলাতেই জন্মগ্ৰহণ কৰিছিল সু সাহিত্যিক ৺লক্ষ্মীনাথ বেজবৰুৱা, ড° বিৰিঞ্চি কুমাৰ বৰুৱা, ড° সূৰ্যকুমাৰ ভূঞা, আনন্দৰাম ঢেকিয়াল ফুকন, ৺ ৰত্নকান্ত বৰকাকতি, ৺ দেৱকান্ত বৰুৱা (নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ প্ৰাক্তন সভাপতি আৰু বিহাৰৰ প্ৰাক্তন ৰাজ্যপাল), ৺ গোপীনাথ বৰদলৈ (অসমৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী), ড° নবকান্ত বৰুৱা (প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা), ড° ভবেন্দ্ৰ নাথ শইকীয়া, ড° লক্ষীনন্দন বৰা (প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা), মহিম বৰা (প্ৰাক্তন সভাপতি, অসম সাহিত্য সভা), ৺ গুণাভিৰাম বৰুৱা, কমলেশ্বৰ বৰা (প্ৰাক্তন উপাচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়) প্ৰমুখ। সেইফালৰ পৰা কবলৈ গ'লে নগাঁও জিলাখন মহাপুৰুষ, সু সাহিত্যিক আৰু জ্ঞানী-গুণি জনেৰে ধন্য।

এনেকুৱা এখন ধন্য চহৰৰ পুণ্যভূমিত 'খাগৰিজান মহাবিদ্যালয়'খন অৱস্থিত। এই মহাবিদ্যালয়খন ইংৰাজী ১৯৭২ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে প্ৰতিষ্ঠিত হৈছিল। 'খাগৰিজান' নগাঁওৰ এটি বুৰঞ্জী-প্ৰসিদ্ধ স্থান। 'খাগৰিজান' শব্দটোৰ ব্যুৎপত্তিগত এটি তাৎপৰ্য আছে। 'খাগৰি'- শব্দটোৰ অৰ্থ হৈছে গভীৰ জঙ্ঘল বা হাবিত নিজে নিজে হোৱা এবিধ কুঁহিয়াৰ জাতীয় ওখ তৃণ। 'জান' শব্দটোৰ অৰ্থ হৈছে কোনো খাল বা বিলৰ পৰা ওলাই অহা সৰু নৈ। গতিকে 'খাগৰিজান' শব্দটো বিশ্লেষণ কৰিলে আমি পাওঁ বন জঙ্ঘলেৰে আবৃত আৰু কাষৰেবাগৰি যোৱা এখন সৰু নৈ নামৰ এটা অঞ্চলৰ নাম চিহ্নিত কৰিছে। আজিৰপৰা ২৯ বছৰ আগতে কোনো এচাম সুবুদ্ধি সম্পন্ন ব্যক্তি নগাঁৰৰ অতি পুৰণি 'খাগৰিজান' শব্দটোৰ স্মৃতিৰক্ষাৰ্থে এই পিছপৰা অঞ্চলত মহাবিদ্যালয়খনি প্ৰতিষ্ঠা কৰিছিল আৰু ইয়াৰ নামকৰণ কৰে 'খাগৰিজান মহাবিদ্যালয়' বা Khagarijan College.

আমাৰ এই চহৰত উচ্চশিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে তিনিখন মহাবিদ্যালয় আছিল । নগাঁও মহাবিদ্যালয়, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়, নগাঁও ছোৱালী মহাবিদ্যালয় এই তিনিখন মহাবিদ্যালয়েই আছিল কলা শাখাৰ মহাবিদ্যালয় । অৱশ্যে পিছত নগাঁও ছোৱালী কলেজৰ বাহিৰে আন দুখনত, যেনে- নগাঁও মহাবিদ্যালয়ত ক্ৰমে বিজ্ঞান আৰু বাণিজ্য শাখা আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত বিজ্ঞান শাখা খোলা হয় । সেই সময়তে আজিৰ তুলনাত পৰিমাণে কম হ'লেও গাঁও অঞ্চলতো জ্ঞানৰ পোহৰ বিয়পি পৰিছিল । সেই সময়ত গাঁও অঞ্চলত মহাবিদ্যালয় বা কলেজ খুব কম আছিল । গতিকে পঢ়াশুনা কৰিবৰ কাৰণে গাঁওবোৰৰ পৰা ছাত্ৰ-ছাত্ৰী নগাঁও চহৰলৈ আহিবলৈ ধৰে। আমাৰ এই চহৰত দিনে দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অস্বাভাৱিকভাৱে বাঢ়িবলৈ ধৰে । বহুতে উক্ত তিনিখন মহাবিদ্যালয়ত ভৰ্তিৰ বাবে অনুপযুক্ত হোৱাত ব্যৰ্থ মনোৰথে নিজ নিজ গাঁৱলৈ উভতি যাবলগীয়া হয় । এনে এটা সময় আছিল যি সময়ত শুভ বুদ্ধিসম্পন্ন জ্ঞানী - গুণি অভিভাৱক, সমাজ সেৱী আৰু শিক্ষাবিদ্‌সকলে অনুভৱ কৰিলে যে এই চহৰৰ বুকুত আৰু এখন কলা শাখাৰ মহাবিদ্যালয়ৰ প্ৰয়োজন । উদ্দেশ্য মহৎ হ'লে উদ্ভাৱনো হয় । এই মহৎ উদ্দেশ্যেৰে ৺ পদ্মনাথ বৰা আৰু হৰেন্দ্ৰ নাথ দাধৰা এই দুজনে আগভাগলৈ ইংৰাজী ২৪।৭।৭১ তাৰিখে ডচন হাইস্কুল প্ৰাঙ্গণত এখন ৰাজহুৱা সভা আহ্বান কৰে । কিন্তু সেইদিনা বহুতেই চিন্তা কৰিলে, নগাঁৱত আৰু এখন কলা শাখাৰ মহাবিদ্যালয় প্ৰতিষ্ঠা হ'লে আন আন মহাবিদ্যালয়সমূহৰ উন্নতিৰ পথত বাধাৰ সন্মুখীন হ'ব পাৰে । গতিকে সেইদিনা কোনো সিদ্ধান্ত গ্ৰহণ কৰা নহ'ল । ইয়াৰ পাঁচদিন পিছত ইংৰাজী ৩০।৭।৭১ তাৰিখে ৺ সোণাৰাম দাসৰ সভাপতিত্বত এখন সভা অনুষ্ঠিত হয় । সেইখন সভাতে নগাঁও চহৰত চতুৰ্থখন মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয় আৰু ৺ সোণাৰাম দাসক সভাপতি, ৺ মথুৰ চন্দ্ৰ ঠাকুৰীয়াক উপ-সভাপতি, ৺ পদ্মনাথ বৰা আৰু হৰেন্দ্ৰ চন্দ্ৰ দাধৰাক যুটীয়া সম্পাদক হিচাপে লৈ এখন এঘাৰজনীয়া তদৰ্থ কমিটি গঠিত হয় ।

ইংৰাজী ১৯৭২ চনৰ ১২ চেপ্তেম্বৰ তাৰিখে নগাঁৱৰ নুৰুদ্দিন এম. ই. মাদ্ৰাছা স্কুলত 'খাগৰিজান মহাবিদ্যালয়'ৰ যাত্ৰাৰম্ভ হয় আৰু সেই চনতেই বৰ্তমান স্থানতে কেইটামান অস্থায়ীভাৱে কোঠা নিৰ্মাণ কৰি উক্ত অনুষ্ঠানখনি স্থানান্তৰিত কৰা হয় । সেই সময়ত এই মহাবিদ্যালয়খনি পৌৰসভাৰ অন্তৰ্ভুক্ত নাছিল । আজিৰ এই মহাবিদ্যালয়খন এক সময়ত মৰিশালী হিচাপে ব্যৱহৃত হৈছিল । সেই সময়ত নগাঁৱৰ কেইজনমান শুভবুদ্ধি সম্পন্ন ব্যক্তিৰ অক্লান্ত পৰিশ্ৰমেৰে আৰু স্থানীয় বিধায়ক শ্ৰীযুত ফনী বৰা দেৱৰ ঐকান্তিক প্ৰচেষ্টাতে শ্মশানখন এতিয়াৰ মধুপুৰ শ্মশানলৈ স্থানান্তৰ কৰি মাটিডোখৰ 'খাগৰিজান মহাবিদ্যালয়'ৰ নামত চৰকাৰে পট্টন দিয়ে । উক্ত অনুষ্ঠানখন বৰ্তমান দক্ষিণপাট আৰু এৰাকলঙৰ মৰাসূতিৰ মাজতে অৱস্থিত ।

মানুহৰ জীৱনলৈ উত্থান-পতন, ঘাত-প্ৰতিঘাত আহে আৰু এইটো অহা স্বাভাৱিক । আমাৰ এই মহাবিদ্যালয়খনিৰ জীৱনতো নানাধৰণৰ ঘাত - প্ৰতিঘাত আহিছিল । ইয়াৰ একমাত্ৰ কাৰণ অৰ্থনৈতিক দুৰাৱস্থা । ইংৰাজী ১৯৭৫ চন আছিল । এই অনুষ্ঠানটোৰ নাম সলনি কৰি ইয়াৰ নামাকৰণ কৰা হয় 'প্ৰগতিৰ পথত মহাবিদ্যালয়' । অৱশ্যে এই নাম বেছিদিন স্থায়ী হৈ থকা নাই । সেই সময়ত স্থানীয় জনসাধাৰণ, জ্ঞানী-গুণি, শিক্ষাবিদ্‌সকলৰ কঠোৰ প্ৰচেষ্টাত উক্ত নাম সলনি কৰি আকৌ 'খাগৰিজান মহাবিদ্যালয়' নামেৰে নামাকৰণ কৰা হয় ।

এইখন মহাবিদ্যালয়ৰ অতীত স্মৃতি স্মৰণ কৰাৰ লগে লগে যি সকল অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ সভাপতিয়ে অনুষ্ঠানটিৰ অলংকাৰ স্বৰূপ আছিল, সেই সকলৰ নাম উল্লেখ কৰা প্ৰয়োজন। 'খাগৰিজান মহাবিদ্যালয়'খনি প্ৰগতিৰ পথত আগবঢ়াই লৈ যাবৰ কাৰণে আৰম্ভনিৰপৰা এতিয়ালৈকে যি সকল সদাশয় ব্যক্তিয়ে পৰিচালনা সমিতিৰ সভাপতি/সদস্যৰ দায়িত্ব বহন কৰিছিল, তেওঁলোক মোৰ নমস্য । এই প্ৰতিবেদনত অকল সভাপতি সকলৰ নাম উল্লেখ কৰা হ'ল । তেখেতসকল হৈছে যথাক্ৰমে ঃ- ৺ সোনাৰাম দাস, শ্ৰীযুত ফণী বৰা, ৺ মোঃ আব্দুল হাই, ৺ চিৰাজুদ্দিন আহমেদ, ৺ নৱকুমাৰ চেতীয়া, শ্ৰীযুত কমল চন্দ্ৰ গোস্বামী আৰু শ্ৰীযুত দেৱব্ৰত শৰ্মা দেৱ ( তেখেত বৰ্তমান বিশেষ পৰিচালনা সমিতিৰ সভাপতি) আৰু অধ্যক্ষসকল হৈছে যথাক্ৰমে ঃ- ৺ মোঃ আব্দুল হাই, ৺ পদ্মনাথ বৰা, ৺ ৰমেশ ফুকন, ৺ ৰাধিকা ৰঞ্জন চৌধুৰী, ৺ ফনীন্দ্ৰ লাল দত্ত, শ্ৰীঅৰুণ বিকাশ দত্ত (ভাৰপ্ৰাপ্ত অধ্যক্ষ), শ্ৰীৰেণু মহন্ত ৰাজখোৱা (ভাৰপ্ৰাপ্ত অধ্যক্ষা), শ্ৰীতগৰ চন্দ্ৰ বৰা, শ্ৰীচিত্ৰা বৰা(ভাৰপ্ৰাপ্ত অধ্যক্ষা) আৰু বৰ্তমানৰ অধ্যক্ষ মই ইংৰাজী ১৯৯৮ চনৰ ৬ নবেম্বৰ তাৰিখে স্থায়ী অধ্যক্ষ হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিছো।

এই মহাবিদ্যালয়খনি চৰৈবেতিৰ পথত যি সকল শিক্ষাব্ৰতী প্ৰবক্তা স্থানীয় মহাবিদ্যালয়ৰপৰা আহি অংশকালীন প্ৰবক্তা হিচাপে এই মহাবিদ্যালয় মন্দিৰত সেৱা আগবঢ়াইছিল তেওঁলোকো মোৰ নমস্য । আৰু এজন সদাশয় নীৰৱ কৰ্মীৰ নাম উল্লেখ নকৰিলে বোধ কৰো ভুল কৰা হব । যিজনে অক্লান্ত কঠোৰ পৰিশ্ৰমেৰে অনুষ্ঠানটিৰ চৌহদত মূল্যবান গছ গছনিৰে আশ্ৰম সদৃশ কৰি তুলিছে তেখেত আমাৰ অতি পৰিচিত । তেখেতৰ নাম শ্ৰীযুত চন্দ্ৰ কুমাৰ শইকীয়াদেৱ । তেখেত এসময়ত আমাৰ কলেজ পৰিচালনা সমিতিৰ সদস্য আছিল । তেখেতৰ প্ৰচেষ্টাতে আৰু সেই সময়ৰ নগাঁও বন-সংমণ্ডল বিষয়াৰ সহায়েৰে অনুষ্ঠানটিৰ চাৰি সীমাত মূল্যবান গছ পুলি ৰোপন কৰাই ৰক্ষণাবেক্ষণৰ কাৰণে কটা তাঁৰৰ ব্যৱস্থা কৰা হয় । তেঁখেতে কলেজৰ জন্মলগ্নৰেপৰা ইয়াৰ লগত ওতঃপ্ৰোতভাৱে জড়িত । শ্ৰীযুত শইকীয়াদেৱ আমাৰ সকলোৰেই ধন্যবাদৰ পাত্ৰ ।

এই মহাবিদ্যালয়খনিৰ অগ্ৰগতিৰ পথত আৰু কেইজনমান সদাশয় আৰু সমাজ সেৱা পৰায়ণ ব্যক্তিৰ নাম উল্লেখ নকৰিলে তেখেতসকলৰ প্ৰতি অন্যায় কৰা হ'ব । তেখেতসকলো মোৰ শ্ৰদ্ধাৰ পাত্ৰ। তেখেতসকল হৈছে- শ্ৰীযুত প্ৰফুল্ল ভৰালী আৰু তেওঁৰ পত্নী শ্ৰীযুতা মঞ্জু ভৰালী ( তেওঁলোকে আমাৰ কলেজৰ শ্বহীদ বেদী নিৰ্মাণ কৰি দিছিল), শ্ৰীযুত দেবেন্দ্ৰ নাথ বৰ্মন আৰু শ্ৰীযুত মহীৰাম শইকীয়া ( তেওঁলোক আমাৰ কলেজৰ ছাত্ৰসকলৰ কাৰণে ছাইকেল ষ্টেণ্ড নিৰ্মাণ কৰি দিছিল) । সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থাৰ সম্পাদক শ্ৰীযুত বল্লদেৱ শৰ্মা আৰু আমাৰ বিশেষ পৰিচালনা

সমিতিৰ সদস্য ড° আবু হানিফা মহাশয়দ্বয় ও আমাৰ ধন্যবাদৰ পাত্ৰ। তেখেতসকল আমাৰ কলেজৰ অগ্ৰগতিৰ পথত যথেষ্ট সহায় আৰু সহযোগিতা আগবঢ়াইছে।

আমাৰ এই জ্ঞানবিদ্যামন্দিৰখন যদিও ইংৰাজী ১৯৭২চনত স্থাপিত হৈছিল কিন্তু চৰকাৰে ঘাটি মঞ্জুৰী প্ৰদান কৰে ইংৰাজী ১/২/৮৬ তাৰিখে। ইংৰাজী ১৯৭৭-৭৮ শিক্ষাবৰ্ষত Pre-university আৰু ১৯৮৩-৮৪ শিক্ষাবৰ্ষত স্নাতক ১ম খণ্ড আৰু ২য় খণ্ডৰ পৰীক্ষা Gauhati University য়ে Affiliation প্ৰদান কৰে।

মই এইখন মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰি বহুতো সমস্যাৰ সন্মুখীন হও আৰু উক্ত সমস্যা সমূহ সমাধান কৰিবৰ কাৰণে চেষ্টাৰ কোনো ত্ৰুটি কৰা নাই আৰু তৎকালীন সমাধানৰ কাৰণে বিভিন্ন আঁচনি গ্ৰহণ কৰিছোঁ।

১) মহবিদ্যালয়ৰ ছাত্ৰীসকলৰ আজৰি সময় কটাবৰ কাৰণে এটি জিৰণি কোঠা নাছিল। নগাঁৱৰ উদীয়মান ব্যৱসায়ী শ্ৰীযুত প্ৰহ্লাদ ৰায় টোডীদেৱে তেখেতৰ মাতৃৰ নামেৰে এটি ছাত্ৰী জিৰণি কোঠা বৰঙণি হিচাপে প্ৰদান কৰিব বুলি প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত তগৰ বৰা দেৱক প্ৰতিশ্ৰুতি দিছিল। কিন্তু সেই কোঠাটো আধৰুৱা হৈ পৰি আছিল। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মুখ্য কাৰ্যালয় সহায়ক শ্ৰীপোনা বৰাক লৈ তেখেতৰ লগত দেখা কৰোঁ আৰু তেখেতে উক্ত জিৰণি কোঠাটো অলপ দিনৰ ভিতৰতে সম্পূৰ্ণ কৰি দিম বুলি অঙ্গীকাৰ কৰে আৰু সম্পূৰ্ণ কৰি দিয়ে। ইংৰাজী ২০০০-২০০১ শিক্ষাবৰ্ষত উক্ত ছাত্ৰী জিৰণি কোঠাটো তেখেতৰ মাতৃ ✓ কমলাদেৱী টোডীৰ নামেৰে নামাকৰণ কৰা হয়।

২। ছাত্ৰ-ছাত্ৰীসকলৰ খেলাধূলাৰ বাবে এখন খেল পথাৰৰ বৰ দৰকাৰ। আমাৰ College Campus ৰ পিছফালে পৰি থকা বন-জঙ্গলেৰে পৰিপূৰ্ণ ঠাইখিনি ছাফা কৰাই ছাত্ৰ-ছাত্ৰীসকলক খেলিবৰ কাৰণে উপযোগী কৰি দিয়া হয়। খেলা-ধূলা কৰিবৰ কাৰণে তেওঁলোকক খেলৰ সামগ্ৰীসমূহ সৰবৰাহ কৰা হয়।

৩। কলেজত এটা গ্ৰন্থাগাৰ আছে, সামান্য পৰিমাণৰ কিতাপো আছে কিন্তু ইয়াৰ বাবে এজন গ্ৰন্থগাৰিক(Librarian) নাই। কলেজ এখনত Librarian এজনৰ বৰ প্ৰয়োজন। বিশেষ পৰিচালনা সমিতিৰ অনুমোদন ক্ৰমে অস্থায়ী ভাৱে এজন গ্ৰন্থগাৰিক নিযুক্তি দিয়া হয়। গ্ৰন্থগাৰৰ কাৰণে আলমিৰা, চকী, টেবুল আৰু অন্যান্য প্ৰয়োজনীয় বস্তুখিনিৰও ব্যৱস্থা কৰা হয় আৰু প্ৰায় ৪৫,০০০.০০ টকাৰ কিতাপ কিনা হয়।

৪। কলেজ পৰিচালনা সমিতিৰ অনুমোদন ক্ৰমে সংস্কৃত, ঐচ্ছিক অসমীয়া সাধাৰণ পাঠ্যক্ৰম হিচাপে আৰু অসমীয়া, শিক্ষাবিজ্ঞান বিষয়ত বিশেষ পাঠ্যক্ৰম হিচাপে স্নাতক পৰ্য্যায়ত খুলিবৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ত আবেদন কৰা হয়। ইতিমধ্যে উক্ত চাৰিটা বিষয়ৰ Inspection হৈ যায়। এইটো শিক্ষাবৰ্ষত (ইং২০০১-২০০২) উক্ত চাৰিটা বিষয়ৰ অনুমতি পাম বুলি আশা কৰিছোঁ। ৰাজনীতি বিজ্ঞান, অৰ্থনীতি বিজ্ঞান, বুৰঞ্জী আৰু ইংৰাজী বিষয়ত বিশেষ পাঠ্যক্ৰম আৰু বাংলা বিষয়ত সাধাৰণ পাঠ্যক্ৰম হিচাপে খোলা হৈছে। উক্ত বিষয় কেইটা পৰ্য্যায়ক্ৰমে অনুমতিৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ত আবেদন কৰা হৈছে আৰু হব। উক্ত বিষয় সমূহত যথেষ্ট সংখ্যক অনুমোদিত প্ৰবক্তা নথকাত অংশকালীন প্ৰবক্তাৰদ্বাৰা বিভাগসমূহ চলাই থকা হৈছে। যোৱা শিক্ষাবৰ্ষত বিশেষ পৰিচালনা সমিতিৰ অনুমোদন ক্ৰমে তৰ্ক ও দৰ্শন বিষয় উচ্চতৰ মাধ্যমিক শাখাত খোলা হৈছে। উক্ত বিষয়টোও অংশকালীন প্ৰবক্তাৰ দ্বাৰা চলাই থকা হৈছে। শিক্ষাবিজ্ঞান বিষয়ত বিশেষ পাঠ্যক্ৰমৰ Laboratory ৰ বাবে ন হাজাৰ টকাৰ Equipments কিনি Laboratory ব্যৱস্থা কৰা হৈছে।

৫। আমাৰ কলেজখন এতিয়ালৈকে Guwahati Universityৰ পৰা Permenent Affiliation নোপোৱাৰ কাৰণে UGC ৰ সহায়ৰ পৰা আমি বঞ্চিত হৈছো। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছত এই বিষয়ে গুৱাহাটী বিশ্ববিদ্যালয় কৰ্তৃপক্ষৰ লগত যোগাযোগ আৰু প্ৰয়োজনীয় আবেদন কৰো। সেই মৰ্মে যোৱা মাৰ্চ ২০০১ মাহত Inspector of colleges, Guwahati University পৰা Inspection কৰি যায়। মোৰ দৃঢ় বিশ্বাস এই শিক্ষাবৰ্ষত (২০০১-২০০২) আমাৰ কলেজখন Permanent Affiliation লাভ কৰিব পাৰিব।

৬। এখন Grant in aid কলেজত Fixed deposit হিচাপে কলেজৰ নামত National Bank ত একলাখ টকা থকা অতি প্ৰয়োজন। কিন্তু সেই সময়ত কলেজৰ নামত Fixed Deposit হিচাপে সামান্য পৰিমাণৰ টকা থকাত গুৱাহাটী বিশ্ববিদ্যালয়ত Permanent Affiliation ৰ কাৰণে আবেদন কৰা এইটো এটা প্ৰধান অন্তৰায়ৰ সৃষ্টি হৈছিল। ইচ্ছা থাকিলে উপায় হয়। ময়ো উপায় উদ্ভাৱন কৰিব পাৰিছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয় সংশ্লিষ্ট কৰ্তৃপক্ষৰ পৰামৰ্শ ক্ৰমে স্থানীয় বিধায়ক শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ বৰুৱা দেৱ আৰু অন্যান্য দাতাসকলৰ দান বৰঙণিৰে একলাখ চাৰি হাজাৰ টকা কলেজৰ নামত Fixed Deposit হিচাপে জমা ৰখা হয়। এই বিষয়ত যদিও সমস্যাৰ সন্মুখীন হৈছিলো কিন্তু সমস্যা সমাধান কৰিবও পাৰিছোঁ।

৭। 'খাগৰিজান মহাবিদ্যালয়'ত N.S.S. ৰ এটি শাখা খুলিবৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিভাগত আবেদন কৰা হৈছে। উক্ত বিভাগটোৰ অনুমতি বোধ কৰো অতি সোনকালে পোৱা যাব।

৮। আমাৰ কলেজৰ বিভিন্ন File আৰু confidential paper ৰাখিবৰ কাৰণে ৩ টা Godrej Almirah আৰু এটা Iron Self ক্ৰয় কৰা হৈছে।

৯। মহাবিদ্যালয়ৰ শ্ৰেণী কোঠাত ছাত্ৰ-ছাত্ৰী বহিবৰ কাৰণে ৪০ (চল্লিশ) জোৰা ডেস্ক বেঞ্চৰ ব্যৱস্থা কৰা হয় আৰু পৰ্যায়ক্ৰমে ব্যৱস্থা কৰা হ'ব।

১০। যোৱা ইংৰাজী ২০০০-২০০১ শিক্ষাবৰ্ষত স্থানীয় বিধায়ক শ্ৰীযুত গিৰীন্দ্ৰ কুমাৰ বৰুৱা দেৱৰ প্ৰচেষ্টাত D R D A পাখীমুৰীয়া Block ৰ অধীনত একলাখ টকাৰ এটা মঞ্জুৰী পোৱা যায়। উক্ত টকাৰে ৩০ x ২৫ ফুট বহলৰ এটি শ্ৰেণী কোঠা নিৰ্মাণ কৰা হয়। আৰু এইটো শিক্ষাবৰ্ষতে স্থানীয় জনসাধাৰণৰ দান বৰঙণি আৰু কলেজৰ সামান্য পুঁজিৰ পৰা ২৫ x ২০ ফুট বহলৰ মহাবিদ্যালয়ৰ আৰু এটি শ্ৰেণী কোঠা নিৰ্মাণ কাম আৰম্ভ কৰা হৈছে। উক্ত কোঠাটোৰ কামটো বোধকৰো এইটো শিক্ষাবৰ্ষতে সম্পূৰ্ণ কৰিব পাৰিম।

১১। মহাবিদ্যালয়ত যোৱা শিক্ষাবৰ্ষৰ (২০০০-২০০১) পৰা প্ৰতি সপ্তাহত সকলো শ্ৰেণীত সকলো বিষয়ত Weekly Test আৰু Tutorial Class ৰ প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ ফলত University আৰু Council ৰ পৰীক্ষাত আমাৰ কলেজৰ Result সন্তোষজনক হৈছে।

১২। আমাৰ কলেজৰ পুঁজি টনকিয়াল নোহোৱাত প্ৰতি বছৰে College আলোচনী উলিয়াব পৰা নাই। এইটো শিক্ষাবৰ্ষত ২য় সংখ্যা বাৰ্ষিক College আলোচনীখন প্ৰকাশ কৰাৰ ব্যৱস্থা কৰা হৈছে।

১৩। এই বছৰটোত সাংঘাতিক ধৰ্ণৰ গৰম পৰিছে। এনেকুৱা অস্বাভাৱিক পৰিস্থিতিত কলেজ পুঁজি টনকিয়াল নোহোৱাত প্ৰতি শ্ৰেণী কোঠাত Ceiling Fan ৰ ব্যৱস্থা কৰিব পৰা নাই।

১৪। 'খাজৰিজান মহাবিদ্যালয়'ৰ ছাত্ৰ-ছাত্ৰীসকলৰ পাঠদানৰ ক্ষেত্ৰত শ্ৰেণী কোঠাৰ অভাৱত কলেজ কৰ্তৃপক্ষ বিভিন্ন সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। শ্ৰেণী কোঠাৰ অভাৱত Boy's Common Room, Girl's Common Room, Library, Office Room ৰ এটা অংশত এনেকি বাৰান্দাত ও নিয়মিত ভাৱে পাঠদানৰ ব্যৱস্থা কৰা হৈছে। এনে ক্ষেত্ৰত কলেজৰ প্ৰবক্তা সকল বিভিন্ন সময়ত বিভিন্ন ভাবে মোক সহায় সহযোগিতা আগবঢ়াইছে। এই প্ৰতিবেদনত তেখেত সকলকো মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

১৫। যোৱা শিক্ষাবৰ্ষৰপৰা College Uniform প্ৰৱৰ্ত্তন কৰা হৈছে। কলেজৰ প্ৰবক্তা আৰু ছাত্ৰ-ছাত্ৰী সকলক কলেজৰ Identity Card দিয়াৰও ব্যৱস্থা কৰা হৈছে।

সদৌ শেষত নগাঁৱৰ বিভিন্ন শিক্ষানুষ্ঠানৰ শিক্ষাব্ৰতী, বিদ্যানুৰাগী, জ্ঞানী-গুণি, সমাজসেৱী, অভিভাৱক, ছাত্ৰ দৰদীপ্ৰাণ, সজ্জন সকল আপোনালোকৰ ওচৰত আমাৰ বিনম্ৰ অনুৰোধ, আপোনালোক আহক, কলেজখনক প্ৰগতিৰ পথত আগবঢ়াই নিবলৈ আমাক অবিহণা যোগাওক। সমাপ্তিৰ পথত আধুনিক এজন বঙালী কবিৰ সুৰৰ লগত সুৰ মিলাই ক'ব পাৰি 'শীতেৰ তপস্যা যে কি আনিবেনা বসন্তেৰ দিন।'

# সূচীপত্ৰ


সম্পাদনা সমিতি
শুভেচ্ছা বাণী
সম্পাদকীয়
তত্ত্বাৱধায়কদ্বয়ৰ দুআষাৰ
মহাবিদ্যালয়ৰ সঙ্গীত
অধ্যক্ষৰ দুআষাৰ

**প্ৰবন্ধ বিভাগ ঃ**

| | | |
|---|---|---|
| ১। প্ৰযুক্তিৰ নৱতম আৱিস্কাৰ কম্পিউটাৰ | পাৰ্থজ্যোতি বৰা | ১ |
| ২। বৰ্ত্তমান বিজ্ঞানৰ যুগত দৰ্শন শিক্ষাৰ প্ৰয়োজনীয়তা | শ্ৰীমীনাক্ষী ভূঞা | ৬ |
| ৩। সমাজ গঠনত ছাত্ৰৰ ভূমিকা | মিচ্ মনজিৎ কৌৰ | ১০ |
| ৪। জাতি গঠনত শ্ৰীমন্ত শংকৰৰ ভূমিকা | শ্ৰীগৌতম মেধি | ১৩ |
| ৫। পাঠদানৰ কৌশল | লুতফুৰ ৰহমান | ১৬ |
| ৬। ভাৰতীয় সমাজত লিঙ্গ ভেদ - অমৰ্ত সেনৰ দৃষ্টিত | ছেলিমা ছুলতানা খন্দকাৰ | ২০ |
| ৭। অসমৰ শৈক্ষিক সমস্যা সমূহ | শ্ৰীগৌতম মেধি | ২৪ |
| ৮। মহাকবি কালিদাস | শ্ৰীৰংমলা ৰায় | ২৯ |
| ৯। জনতাৰ শিল্পী বিষ্ণু প্ৰসাদ ৰাভা | শ্ৰীগিৰীশ ডেকা | ৩২ |
| ১০। নামনি অসমৰ কেইটামান লোক উৎসৱ | শ্ৰীকবিতা গোস্বামী | ৩৬ |

**গল্প বিভাগ ঃ**

| | | |
|---|---|---|
| ১। পকেট মাৰ | শ্ৰীআৰতি সূত | ৪০ |
| ২। সংঘাত | মোঃ নুৰউদ্দিন আহমেদ | ৪৩ |

**কবিতা বিভাগ ঃ**

| | | |
|---|---|---|
| ১। স্বপ্ন বিভোৰ শতিকা | শ্ৰীস্বপন জ্যোতি নাথ | ৪৬ |
| ২। বাকৰুদ্ধ | শ্ৰীজোনমণি কলিতা | ৪৭ |
| ৩। হেৰুৱা সুৰ | ৰেচমিন চুলতানা | ৪৮ |
| ৪। চক্ৰবেহু | মিচ্ বিনীতা হাজৰীকা | ৪৯ |
| ৫। বিপ্লৱ | শ্ৰীজ্যোতিষ শইকীয়া | ৫০ |
| ৬। মোৰ যে কিমান হেঁপাহ | মিচ্ পাৰবিন চুলতানা | ৫১ |
| ৭। আমি জানো, তথাপিও... | শ্ৰীপ্ৰাগজ্যোতি বৰা | ৫২ |
| ৮। নব-বৰ্ষ | বিশ্বজিৎ চৌধুৰী | ৫৩ |
| ৯। চাতক | সুৰজ কুমাৰ পণ্ডিত | ৫৪ |

# সূচীপত্র

**English Section :**

| | | |
|---|---|---|
| 1. Elizabethan Comedy and Comedy of Manners- An Assessment | Krishna Chandra Maji | 55 |
| 2. Women's Reservation of seats in Parliament and State Legislatures | Mrs. Chitra Bora | 59 |
| 3. Reviewing the Constitution of India | Mrs. Niva Saikia | 61 |
| 4. William Wordsworth -The High Priest of Nature | Rituparna Saikia | 63 |
| 5. Adolf Hitler- The Dictator | Prasanta Kumar Roy | 65 |

**English Poetry :**

| | | |
|---|---|---|
| 6. Make Me Famous | Joyashri Choudhury | 69 |
| 7. Remember to Win | Atabuz Zaman | 70 |
| 8. My Desire | Mridul Biswas | 71 |
| 9. The World of My Dream | Miss Pappi Barman | 72 |
| 10. Not a Room | Md. Zahirul Islam | 73 |
| 11. Golden Rays | Sri Suroj Kr Pandit | 74 |
| 12. Tuesday in Shastri's Life | Azmul Hussain | 75 |

- অন্তৰংগ আলাপ
- খাগৰিজান মহাবিদ্যালয় ছাত্ৰৰ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি - চিত্ৰাঙ্কন - সুজিত দাস
- খাগৰিজান মহাবিদ্যালয় ছাত্ৰৰ ৰাজ্যিক, ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় খ্যাতি - চিত্ৰাঙ্কন - সুব্ৰত দেৱনাথ
- সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ছাত্ৰ একতা সভা — বদৰুল ইছলাম
- সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন — জিতেন চন্দ্ৰ নাথ
- সাংস্কৃতিক সম্পাদকৰ প্ৰতিবেদন — জেহিৰুল ইছলাম



ছহিদ তৰ্পণ অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ।



মহাবিদ্যালয়ৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ সৈতে অধ্যক্ষ আৰু অধ্যাপক-অধ্যাপিকাসকল।



ঊনত্ৰিংশতম্ নৱাগত আদৰণি সভালৈ তদানীন্তন মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তদেৱক আদৰি আনিছে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষদেৱে।




তদানীন্তন মুখ্যমন্ত্ৰী শ্ৰীযুত প্ৰফুল্ল কুমাৰ মহন্তদেৱৰ হাতত মহাবিদ্যালয়ৰ কুৰিদফীয়া দাবী সম্বলিত স্মাৰক পত্ৰ প্ৰদান কৰাৰ মুহূৰ্তত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ।

# মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীবৃন্দ



**বহি বাওঁফালৰপৰা ক্ৰমে** - অধ্যাপিকা ৰীতা শইকীয়া, অধ্যাপিকা চিত্ৰা বৰা, অধ্যাপিকা ৰেণু মহন্ত ৰাজখোৱা, অধ্যাপক লুতফুৰ ৰহমান, অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ, উপাধ্যক্ষ অৰুণ বিকাশ দত্ত, অধ্যাপক আব্দুল ছালাম, শ্ৰী পুণাৰাম বৰা (মুখ্য সহায়ক)।

**ঠিয় হৈ বাওঁফালৰপৰা ক্ৰমে**-অধ্যাপিকা ঝুমা দত্ত, অধ্যাপিকা নিভা শইকীয়া, অধ্যাপিকা উমে ছালমা, অধ্যাপিকা জয়শ্ৰী চৌধুৰী, অধ্যাপিকা ঋতুপৰ্ণা শইকীয়া, অধ্যাপিকা অজন্তা বৰা খাৰঘৰীয়া, অধ্যাপিকা কবিতা গোস্বামী, অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি, অধ্যাপক জোনাৰাম নাথ, অধ্যাপক স্বপন জ্যোতি নাথ, শ্ৰীৰত্নেশ্বৰ শইকীয়া (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী), শ্ৰীকন ল'ৰা বৰা (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী),

**ফটোত অনুপস্থিত** - অধ্যাপক দীপক চৰকাৰ, অধ্যাপিকা মামনি ভূঞা, অধ্যাপক মাইনুল হক আকন্দ, অধ্যাপিকা ৰংমলা ৰয়, অধ্যাপিকা মীনাক্ষী ভূঞা, শ্ৰীদীগেন চন্দ্ৰ বৰা (কাৰ্যালয় সহায়ক), শ্ৰীনৰেন শইকীয়া (কাৰ্যালয় সহায়ক), শ্ৰীপূৰ্ণ কান্ত শইকীয়া (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী), শ্ৰীটিকেন্দ্ৰ নাথ দাস (চতুৰ্থ শ্ৰেণী কৰ্মচাৰী), শ্ৰীহৃষিকেশ ভূঞা (গ্ৰন্থাগাৰিক)।

## আলোচনী সম্পাদনা সমিতি



**বহি বাওঁফালৰপৰা ক্ৰমে -** অধ্যাপিকা ৰেণু মহন্ত ৰাজখোৱা (তত্ত্বাৱধায়িকা), অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি (তত্ত্বাৱধায়ক), অধ্যাপক জোনাৰাম নাথ (আহ্বায়ক), অধ্যাপক লুতফুৰ ৰহমান (সদস্য), অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ (সভাপতি), উপাধ্যক্ষ অৰুণ বিকাশ দত্ত (সদস্য), অধ্যাপক আব্দুল ছালাম (সদস্য) ।

**ঠিয় হৈ বাওঁফালৰপৰা ক্ৰমে-** বদৰুল ইছলাম (সাধাৰণ সম্পাদক), কৃষ্ণ দাস (আলোচনী সম্পাদক) ।

## ছাত্ৰ একতা সভা -১৯৯৯-২০০০



**বহি বাওঁফালৰপৰা ক্ৰমে-** অধ্যাপিকা নিভা শইকীয়া (তত্ত্বাৱধায়িকা, ক্ৰীড়া বিভাগ), অধ্যাপিকা ৰিতা শইকীয়া (তত্ত্বাৱধায়িকা, সাংস্কৃতিক বিভাগ), অধ্যাপিকা ৰেণু মহন্ত ৰাজখোৱা (তত্ত্বাৱধায়িকা, আলোচনী), অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ (সভাপতি), উপাধ্যক্ষ অৰুণ বিকাশ দত্ত, অধ্যাপক আব্দুল ছালাম (তত্ত্বাৱধায়ক, ছাত্ৰ জিৰণি চ'ৰা), অধ্যাপক লুতফুৰ ৰহমান (তত্ত্বাৱধায়ক, ক্ৰীড়া বিভাগ), অধ্যাপক জোনাৰাম নাথ (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ) ।

**ঠিয় হৈ বাওঁফালৰপৰা ক্ৰমে-** লিলি চৌধুৰী (শ্ৰেণী প্ৰতিনিধি), দিলোৱাৰা ৰহমান (সম্পাদিকা, ছাত্ৰী জিৰণি চ'ৰা), বদৰুল ইছলাম (সাধাৰণ সম্পাদক), দুলাল আহমেদ ( শ্ৰেণী প্ৰতিনিধি), নুৰ আহমেদ (শ্ৰেণী প্ৰতিনিধি), বছিৰ উদ্দিন আহমেদ (শ্ৰেণী প্ৰতিনিধি), কৃষ্ণ বৰা (ক্ৰীড়া সম্পাদক), কৃষ্ণ দাস (আলোচনী সম্পাদক),

**ফটোত অনুপস্থিত -** জেহিৰুল হক, জীতেন শইকীয়া, দীগন্ত কুমাৰ দাস ।

# ছাত্ৰ একতা সভা - ২০০০-২০০১



**বহি বাওঁফালৰপৰা ক্ৰমে -** অধ্যাপিকা বেণু মহন্ত ৰাজখোৱা (তত্ত্বাৱধায়িকা, আলোচনী), অধ্যাপক কৃষ্ণ চন্দ্ৰ মাজি (তত্ত্বাৱধায়ক, আলোচনী), অধ্যাপক জোনাৰাম নাথ (আহ্বায়ক, আলোচনী), অধ্যাপক লুতফুৰ ৰহমান (তত্ত্বাৱধায়ক, ক্ৰীড়া বিভাগ), অধ্যক্ষ ড° বাদল চন্দ্ৰ ঘোষ (সভাপতি), উপাধ্যক্ষ অৰুণ বিকাশ দত্ত, অধ্যাপক আব্দুল চালাম (তত্ত্বাৱধায়ক, সাংস্কৃতিক বিভাগ)।

**ঠিয় হৈ বাওঁফালৰপৰা ক্ৰমে-** গিৰীশ চন্দ্ৰ ডেকা (সহঃ সাঃ সম্পাদক), কল্পনা বাণী পাল (তৰ্ক বিভাগৰ সহকাৰী সম্পাদিকা), পাৰ্থজ্যোতি বৰা (সাহিত্য বিভাগৰ সম্পাদক), মাজিদুল হক (ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক), গৌতম মেধি (তৰ্ক বিভাগৰ সম্পাদক), আব্দুল হামিদ (সাংস্কৃতিক সম্পাদক), সূৰজ কুমাৰ পণ্ডিত (প্ৰাচীৰ পত্ৰিকা সম্পাদক), দুলাল আহমেদ (সাধাৰণ সম্পাদক), বদৰুল ইছলাম (উপ সভাপতি), কৃষ্ণ দাস (সহঃ সাধাৰণ সম্পাদক), বচিৰ আহমেদ (সহঃ ক্ৰীড়া সম্পাদক), ৰফিকুল আলম (ক্ৰীড়া সম্পাদক), ৰেজিনা বেগম (ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা)।

# প্ৰযুক্তিৰ নৱতম আৱিস্কাৰঃ

## কম্পিউটাৰ



পাৰ্থজ্যোতি বৰা
স্নাতক ২য় বৰ্ষ

বৰ্ত্তমান জ্ঞান বিস্ফোৰণৰ যুগত কম্পিউটাৰৰ নাম নুশুনা মানুহ বোধহয় কোনোৱেই নোলাব। আমাৰ বৰ্ত্তমান সমাজ ব্যৱস্থাত কম্পিউটাৰৰ প্ৰত্যক্ষ বা পৰোক্ষ প্ৰভাৱৰ কথা কোনোপধ্যেই নুই কৰিব নোৱাৰি। ৰেল পৰিবহণ, বেঙ্ক ব্যৱস্থা, কোম্পানী পৰিচালনা, শিক্ষানুষ্ঠান আদি সকলোতে বৰ্ত্তমান কম্পিউটাৰৰ বহুল ব্যৱহাৰ হ'ব লাগিছে। এই বিষয়ত কাৰো দ্বিমত থাকিব নোৱাৰে যে কিছুদিনৰ পিছত আমাৰ অধিক সংখ্যক লোকেই ব্যক্তিগত কামত কম্পিউটাৰ ব্যৱহাৰ কৰিব লাগিব। সেইবাবে আমি সকলোৱে কম্পিউটাৰৰ বিষয়ে জনা উচিত।

কম্পিউটাৰ আৱিস্কৃত হয় কুৰি শতিকাৰ চল্লিশৰ দশকত। ৰেডিঅ', টেলিভিচন আদি ইলেক্ট্ৰনিক যন্ত্ৰৰ দৰে কম্পিউটাৰো এবিধ ইলেক্ট্ৰনিক যন্ত্ৰ। কম্পিউটাৰ আৱিস্কাৰ মানৱ সভ্যতাৰ ইতিহাসত অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। যিদৰে চকাৰ আৱিস্কাৰে মানৱ জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰভাৱ পেলাইছিল, সেইদৰে কম্পিউটাৰৰ আৱিস্কাৰেও সমাজ জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰভাৱ পেলাইছে। প্ৰথম আৱিস্কাৰ হোৱাৰেপৰা বৰ্ত্তমানলৈকে কম্পিউটাৰৰ যথেষ্ট উন্নতি হৈছে। বৰ্ত্তমান কম্পিউটাৰসমূহে পূৰ্বতকৈ বহু বেছি বেগত আৰু জটিল কামো কৰিব পাৰে।

আৱিস্কৃত হোৱাৰ পাছৰেপৰা কম্পিউটাৰৰ ক্ৰমবিকাশৰ স্তৰসমূহক একো একোটা জেনেৰেশ্যন বোলা হয়। ১৯৪০ ৰ দশকত নিৰ্মাণ হোৱা প্ৰথম জেনেৰেশ্যনৰ কম্পিউটাৰসমূহত ভেকুৱাম টিউবৰ ব্যৱহাৰ কৰা হৈছিল। এনে কম্পিউটাৰৰ আকৃতি যথেষ্ট বৃহৎ আছিল। ইয়াৰ পিছৰ জেনেৰেশ্যনৰ কম্পিউটাৰসমূহৰ নিৰ্মাণত ট্ৰেনজিষ্টৰ নামৰ এক সৰু ইলেক্ট্ৰিকেল আহিলা ব্যৱহাৰ কৰা হৈছিল। আনহাতে তৃতীয় জেনেৰেশ্যনৰ কম্পিউটাৰসমূহত ট্ৰেনজিষ্টৰৰ পৰিৱৰ্ত্তে IC((INTEGRATED CIRCUIT)ৰ ব্যৱহাৰ কৰা হয়। বৰ্ত্তমান আমি দেখি থকা কম্পিউটাৰসমূহ হৈছে চতুৰ্থ জেনেৰেশ্যনৰ। এই কম্পিউটাৰসমূহত IC ৰ পৰিৱৰ্ত্তে LSI (Large Scale Integration) ব্যৱহাৰ কৰা হয়। LSI ৰ আন এটা নাম হৈছে Microship অৰশ্যে বৰ্ত্তমান ইয়াতকৈও অধিক উন্নত পঞ্চম জেনেৰেশ্যনৰ কম্পিউটাৰ নিৰ্মাণৰ বাবে গৱেষণা চলিব লাগিছে। এনে কম্পিউটাৰত কৃত্ৰিম বোধশক্তি (Artificial Intelligence) থাকিব। এনে কম্পিউটাৰে আমাৰ মাত কথা আদি বুজি পাব, যাক আমি মৌখিক নিৰ্দ্দেশেৰেই পৰিচালনা কৰিব পাৰিম।

**কম্পিউটাৰৰ প্ৰধান অংশসমূহ ঃ (Major Parts of a Computer)**

কম্পিউটাৰৰ প্ৰধান অংশ হৈছে ২টা-এটা হাৰ্ডওৱেৰ অংশ আৰু আনটো ছফ্‌টওৱেৰ অংশ। কম্পিউটাৰৰ যান্ত্ৰিক অংশটোকে হাৰ্ডওৱেৰ বোলা হয়। আনহাতে হাৰ্ডওৱেৰ অংশটো পৰিচালনাৰ বাবে দিয়া নিৰ্দ্দেশকে চফ্‌ট্‌ওৱেৰ বা প্ৰগাম বোলা হয়। এইখিনিতে উল্লেখযোগ্য যে কেৱল হাৰ্ডওৱেৰ বা কেৱল চফ্‌ট্‌ওৱেৰক আমি কম্পিউটাৰ বুলিব নোৱাৰো। হাৰ্ডওৱেৰ আৰু চফ্‌ট্‌ওৱেৰৰ সমন্বয়তহে গঢ়ি উঠে এটা কাৰ্য্যক্ষম কম্পিউটাৰ।

**কম্পিউটাৰ হাৰ্ডওৱেৰ ঃ (Computer Hardware)**

কম্পিউটাৰৰ যান্ত্ৰিক অংশখিনিকে হাৰ্ডওৱেৰ বোলা হয়। ইয়াৰ মূল অংশ হৈছে পাঁচটা- ১। ইনপুট ডিভাইচ (Input Device), ২। মেম'ৰি (Memory), ৩।এ.এল.ইউ.(Arithmetic Logical Unit), ৪। আউটপুট ডিভাইচ (Output Device), ৫। কণ্ট্ৰল ইউনিট (Control Unit)

**১। ইনপুট ডিভাইচ ঃ (Input Device)**

কম্পিউটাৰ হাৰ্ডওৱেৰৰ যিটো অংশৰ যোগেদি আমি কম্পিউটাৰটোক কোনো নিৰ্দ্দেশ দিব বা কোনো কথা জনাব পাৰো তাকে ইনপুট ডিভাইচ বোলে। কম্পিউটাৰৰ বৰ্ত্তমান প্ৰচলিত বিভিন্ন ইনপুট ডিভাইচসমূহ হ'ল-(ক) কী-বৰ্ড (Key -board), (খ) মাৰ্ক চেন্স ৰীডাৰ(Mark Sense Reader) (গ) অপ্টিকেল কেৰেক্টাৰ ৰীডাৰ (Optical Character Reader) (ঘ) স্কেনাৰ (Scanner) (ঙ) মেগনেটিক ইংক কেৰেক্টাৰ ৰীডাৰ (Magnetic Ink character Reader) (চ) লাইট পেন (Light pen) (ছ) টাচ্চ স্ক্ৰীণ ( Touch Screen) (জ) মাউচ (Mouse) (ঝ) ট্ৰেক বল (Track ball) (ঞ) জয় ষ্টিক (Joy stick) ইত্যাদি।

**২। মেম'ৰিঃ (Memory)**

কম্পিউটাৰৰ ইনপুট ডিভাইচৰ যোগেদি ইয়াৰ ভিতৰলৈ সুমুওৱা কথাখিনি বা তথ্যখিনি ইয়াৰ মেম'ৰি নামৰ অংশটোলৈ যায়। মেম'ৰিত কথাখিনি সঞ্চয় হৈ থাকে। কম্পিউটাৰত সাধাৰণতে দুই প্ৰকাৰৰ মেম'ৰি ব্যৱহাৰ কৰা হয়। ইয়াৰে এবিধ হৈছে ROM (Read Only Memory) আৰু আনবিধ হৈছে RAM (Random Access Memory)

**৩। এ.এল. ইউ ঃ (Arithmetic Logical Unit):**

কম্পিউটাৰ হাৰ্ডওৱেৰৰ ALU নামৰ বিশেষ অংশই গাণিতিক গণনা (Arithmetic Calculations) আৰু তাৰ্কিক তুলনা (Logical comparison) কৰিব পাৰে। এই অংশই গণিতৰ প্ৰাথমিক বিষয় যোগ, বিয়োগ, পূৰণ, হৰণ কৰাৰ লগতে আন সকলো গাণিতিক কাম কৰিব পাৰে। লগতে ই কেতবোৰ বিষয়ৰ তুলনাও কৰিব পাৰে। যেনে- যদি কম্পিউটাৰটোক কোৱা হয় যে A= 10 আৰু B=10 আৰু A আৰু B সমান তেনে উত্তৰ পোৱা যাব সঁচা। আনহাতে যদি কোৱা হয় A=10 আৰু B=20 আৰু A আৰু B সমান তেন্তে উত্তৰ পোৱা যাব মিছা।

**৪। আউটপুট ডিভাইচ ঃ (Output Device):**

কম্পিউটাৰক কৰিবলৈ দিয়া কামৰ ফলাফলসমূহ আউটপুট ডিভাইচৰ যোগেদি আমি জানিব পাৰো। বৰ্ত্তমান সময়ত কম্পিউটাৰত ব্যৱহাৰ হোৱা বিভিন্ন ধৰণৰ আউটপুট ডিভাইচসমূহ হ'ল- ক। মণিটৰ বা ভি.ডি.ইউ. (Visual Display Unit) খ। প্ৰিণ্টাৰ (Printer) গ। প্লটাৰ(Ploter) ঘ। ভইচ্ আউটপুট ডিভাইচ (Voice Output Device)



**৫। কণ্ট্ৰল ইউনিট ঃ(Control Unit) :**

কম্পিউটাৰৰ হাৰ্ডওৱেৰৰ উপৰোক্ত চাৰিটা অংশক পৰিচালনা কৰাৰ বাবে এটা কণ্ট্ৰল ইউনিটৰ ব্যৱস্থা আছে। উদাহৰণ স্বৰূপে যেতিয়া আমি ইনপুট ডিভাইচৰ যোগেদি কোনো এটা তথ্য কম্পিউটাৰটোক জনাওঁ তেতিয়া কণ্ট্ৰল ইউনিটে মেম'ৰিত সঞ্চয় কৰি ৰাখে। দুটা সংখ্যা যোগ কৰিবলগীয়া হ'লে কণ্ট্ৰল ইউনিটে ALU ৰ সহায়ত যোগ কৰি ফলাফলটো মেম'ৰিলৈ পঠাই দিয়ে। ইয়াৰ পিছৰ পৰ্য্যায়ত ফলাফলটো আউটপুট ডিভাইচৰ যোগেদি আমি জানিবলৈ পাওঁ। এইদৰে কণ্ট্ৰল ইউনিটে কম্পিউটাৰ হাৰ্ডওৱেৰৰ বিভিন্ন অংশৰ মাজত সমন্বয় সাধনকাৰী হিচাপে কাম কৰে। এই পাঁচটাই হৈছে কম্পিউটাৰ হাৰ্ডওৱেৰৰ মূল অংশ।

**কম্পিউটাৰ চফ্‌ট্‌ওৱেৰ ঃ(Computer Software)**

এতিয়া আমি আঁহো কম্পিউটাৰ চফ্‌ট্‌ওৱেৰৰ আলোচনালৈ। চফ্‌ট্‌ওৱেৰসমূহৰো বিভিন্ন কাম অনুসৰি বেলেগ বেলেগ নাম আছে। কম্পিউটাৰ এটা অন (On) কৰি দিয়াৰ লগে লগে ই নিজৰ হাৰ্ডওৱেৰ অংশসমূহ ঠিকে আছেনে নাই পৰীক্ষা কৰি চায়। ইয়াক কম্পিউটাৰে Self Test কৰা বুলি কয়। কম্পিউটাৰটোৱে Self Test কৰাৰ পাছত ইয়াক Operating System নামৰ এবিধ বিশেষ Program ৰ প্ৰয়োজন হয়। যদি কম্পিউটাৰটো Hard Disk Computer হয়, তেন্তে Operating System টো হাৰ্ড ডিস্কৰপৰা RAM মেম'ৰিলৈ যায়। কিন্তু যদি কম্পিউটাৰটো Hard Disk নহয় তেন্তে Operating System ৰেকৰ্ডিং থকা ফ্লপি (ইয়াৰ কাম অডিঅ' কেছেটৰ দৰেই) এখন কম্পিউটাৰত ভৰাব লাগে। ইয়াৰপৰা তেতিয়া Operating System, RAM লৈ যায়। কম্পিউটাৰ এটা কাৰ্য্যক্ষম হৈ উঠিবৰ বাবে Operating System Load (কোনো এটা ProgramRAM ত সঞ্চিত হোৱাটোকে Load হোৱা বুলি কোৱা হয়)। কৰাটো অতি প্ৰয়োজন। ইয়াৰ পাছতহে আমি আন যিকোনো Program Load কৰিব পাৰো। বিভিন্ন ধৰণৰ Operating System ৰ উদাহৰণ হ'ল- UNIX, DOS, XENIX, WINDOWS ইত্যাদি। এই বিভিন্ন Operating System সমূহ বজাৰত কিনিবলৈ পোৱা যায়। আগতেই উল্লেখ কৰা হৈছে যে, চফ্‌ট্‌ওৱেৰসমূহৰ কাম অনুসৰি সিহঁতৰ নাম বেলেগ বেলেগ হয়। যেনে -খেল খেলাৰ বাবে Games Program, গানৰ সুৰ বজোৱা বা ৰেকৰ্ডিং কৰাৰ বাবে Music Program, বিভিন্ন সৰু-সুৰা কামৰ বাবে Utility Program ইত্যাদি। আন এবিধ বিশেষ ধৰণৰ Program আছে যাক Application Package নামেৰে জনা যায়। কেইটামান জনপ্ৰিয় Application Package ৰ উদাহৰণ হৈছে LOTUS, VENTURA, WORDSTAR ইত্যাদি। এনে Program সমূহৰ সহায়ত বিভিন্ন গুৰুত্বপূৰ্ণ কাম কৰিব পাৰি। যেনে- WORDSTAR program ৰ সহায়ত আমি কম্পিউটাৰটোত টাইপ কৰিব পাৰো। এনে কৰাত সাধাৰণ টাইপৰাইটাৰতকৈ সুবিধাও যথেষ্ট বেছি। এয়েই হৈছে কম্পিউটাৰ চফ্‌ট্‌ওৱেৰৰ বিষয়ে থুলমূল ধাৰণা।

এতিয়া আমি আলোচনা কৰিম কম্পিউটাৰত কোনো এটা তথ্য কেনেকৈ স্থায়ীভাৱে সঞ্চয় কৰি ৰাখিব পাৰি সেই বিষয়ে। কম্পিউটাৰৰ তথ্য সঞ্চয় কৰি ৰখা অংশটোক ষ্টৰেজ ডিভাইচ (Storage Device) বোলা হয়। RAM মেম'ৰিত থকা যি

কোনো অংশ ষ্ট'ৰেজ ডিভাইচলৈ নি ৰেকৰ্ডিং কৰাক SAVE কৰা বোলে। পিছত ইয়াক প্ৰয়োজনমতে ষ্ট'ৰেজ ডিভাইচৰপৰা RAM লৈ আনিব পাৰি। এইদৰে কম্পিউটাৰৰ ষ্ট'ৰেজ ডিভাইচত যিকোনো তথ্য স্থায়ীভাৱে সঞ্চয় কৰিব পাৰি। উল্লেখযোগ্য যে বৰ্ত্তমানৰ ষ্টৰেজ ডিভাইচসমূহৰ বেছিভাগেই চুম্বকীয়। বৰ্ত্তমান সাধাৰণতে কম্পিউটাৰত ৩ প্ৰকাৰৰ ষ্টৰেজ ডিভাইচ ব্যৱহৃত হয়। এইসমূহ হ'ল- (ক) FLOPPY DISK (খ) HARD DISK আৰু MAGNETIC TYPE.

**কম্পিউটাৰৰ ভাষা : (Computre Language)**

আমি জানো যে কম্পিউটাৰ হাৰ্ডওৱেৰে এটা চলিবলৈ কোনো Program বা চফ্‌ট্‌ওৱেৰৰ প্ৰয়োজন হয়। এই Program আন একো নহয়, কম্পিউটাৰক কাম কেনেকৈ কৰিব লাগে এই বিষয়ত দিয়া বিৱৰণহে। এই বিৱৰণ লিখিবলৈ ভাষাৰ প্ৰয়োজন। কিন্তু কম্পিউটাৰে যিহেতু মানুহৰ দৰে অসমীয়া, ইংৰাজী, হিন্দী আদি ভাষা বুজি নাপায় সেইবাবে ইয়াৰ বাবে বিশেষ ধৰণৰ ভাষাৰ প্ৰয়োজন হয়। ইয়াকে কম্পিউটাৰৰ ভাষা বোলে। কম্পিউটাৰ চফ্‌ট্‌ওৱেৰৰ বাবে ব্যৱহৃত হোৱা ভাষাসমূহক প্ৰধানকৈ ৩ ভাগত বিভক্ত কৰা হয়। যেনে- (ক) Machine Language, (খ) Assembly Language আৰু (গ) H.L.L. বা Higher Level Language। বৰ্ত্তমান কম্পিউটাৰ চফ্‌টওৱেৰসমূহৰ নিৰ্মাণত Higher Level Language ৰেই বহুল ব্যৱহাৰ কৰা হয়। কিছুমান উল্লেখযোগ্য H.L.L. ৰ উদাহৰণ হ'ল BASIC, FORTRAN, ALGOL, COBOL ইত্যাদি।

**বিভিন্ন প্ৰকাৰৰ কম্পিউটাৰ : Type of Computre**

নিৰ্মাণ পদ্ধতি অনুযায়ী কম্পিউটাৰসমূহক ৩ ভাগত বিভক্ত কৰা হয়। এই ভাগকেইটা হ'ল-

(ক) এনালগ কম্পিউটাৰ :(Analog Computer) যিবোৰ কম্পিউটাৰত এনালগ ইলেক্ট্ৰনিক্সৰ নীতি ব্যৱহাৰ কৰা হয় তাকে এনালগ কম্পিউটাৰ বোলে। প্ৰথম অৱস্থাত সাধাৰণতে এনে কম্পিউটাৰেই নিৰ্মাণ কৰা হৈছিল যদিও গণনাত হোৱা কেতবোৰ ভুলৰ বাবে ইয়াৰ প্ৰচলন ক্ৰমান্বয়ে কমি আহে।

(খ) ডিজিটেল কম্পিউটাৰ : (Digital Computer) আনহাতে যিবোৰ কম্পিউটাৰত ডিজিটেল ইলেক্ট্ৰনিক্সৰ নীতি ব্যৱহাৰ কৰা হয় তাকে ডিজিটেল কম্পিউটাৰ বোলে। বৰ্ত্তমান ব্যৱহৃত হোৱা প্ৰায় সকলো কম্পিউটাৰেই ডিজিটেল শ্ৰেণীৰ।

৩। হাইব্ৰিড কমিম্পউটাৰ : (Hybrid Computer) এইবিধ কম্পিউটাৰত আকৌ এনালগ আৰু ডিজিটেল দুয়োবিধ ইলেক্ট্ৰনিক্সৰ নীতি ব্যৱহাৰ কৰা হয়। আকৃতি অনুযায়ী ইহঁতক আকৌ ৩ ভাগত ভগাব পাৰি-

(ক) মেইন ফ্ৰেম কম্পিউটাৰ : (Main Frame Computer) আকাৰত যথেষ্ট বৃহৎ (প্ৰায় ৬ ফুট)।

(খ) মিনি কম্পিউটাৰ : (Mini Computer) আকাৰত মেইন ফ্ৰেম কম্পিউটাৰতকৈ সৰু (প্ৰায় ৪ - ৪$\frac{1}{2}$ ফুট)।

(গ) মাইক্ৰ' কম্পিউটাৰ : (Micro Computer) ইয়াৰ আকাৰ যথেষ্ট সৰু আৰু ইহঁতক PC (Personal Computer) বোলা হয়। অৱশ্যে বৰ্ত্তমান PC তকৈও সৰু আন বহুতো কম্পিউটাৰ ওলাইছে। যেনে-নটবুক কম্পিউটাৰ, হেন্ড হেল্ড কম্পিউটাৰ ইত্যাদি।

এইদৰে কম্পিউটাৰে এক সুদীৰ্ঘ পৰিক্ৰমা অতিক্ৰম কৰি বৰ্ত্তমানৰ পৰ্য্যায়ত উপনীত হৈছে। অৱশ্যে প্ৰতিক্ষণতেই ইয়াৰ বিকাশ হ'ব লাগিছে। বৰ্ত্তমান মানৱ জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে কম্পিউটাৰৰ প্ৰভূত ব্যৱহাৰ হ'ব লাগিছে। শিক্ষা, পৰিবহণ আৰু যোগাযোগ, বিজ্ঞান গৱেষণা, মহাকাশ চৰ্চা ইত্যাদি সকলো ক্ষেত্ৰতে কম্পিউটাৰে এক প্ৰযুক্তিগত বিপ্লৱৰ সূচনা কৰিছে। বৰ্ত্তমান শিক্ষাৰ ক্ষেত্ৰত কম্পিউটাৰ শিক্ষাৰ অবিহনে ছাত্ৰ-ছাত্ৰীৰ শিক্ষা সম্পূৰ্ণ হোৱা বুলি বিবেচনা কৰা নহয়। পৰিবহনৰ ক্ষেত্ৰতো জল, স্থল আৰু বায়ু পৰিবহনত কম্পিউটাৰৰ বহুল ব্যৱহাৰ হোৱা দেখা যায়। বৰ্ত্তমান যোগাযোগ ব্যৱস্থাৰ ক্ষেত্ৰত কম্পিউটাৰৰ অৱদান Internet ব্যৱস্থাই সমগ্ৰ পৃথিৱীখনকে যেন এখন সৰু গাঁৱত পৰিণত কৰি পেলাইছে। সেইদৰে বিজ্ঞান গৱেষণা, মহাকাশ চৰ্চা, স্বাস্থ্য ইত্যাদি বিষয়তো কম্পিউটাৰ এক অপৰিহাৰ্য্য অঙ্গত পৰিণত হৈছে। কম্পিউটাৰৰ এনে বৰ্ধিত ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখি বৰ্ত্তমান সকলো লোকেই কম্পিউটাৰৰ প্ৰশিক্ষণ লোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হয়। উন্নত দেশসমূহত কম্পিউটাৰ শিক্ষাক পাঠ্যক্ৰমৰ অবিচ্ছেদ্য অঙ্গস্বৰূপে বিবেচনা কৰা হয়। বৰ্ত্তমান অৱশ্যে আমাৰ দেশতো ইয়াক পাঠ্যক্ৰমত ঠাই দিয়া হৈছে। সাম্প্ৰতিক কালত কম্পিউটাৰে সৰ্বসাধাৰণ লোকৰ জীৱনৰ মান যথেষ্ট উন্নত কৰি তুলিছে। অৱশ্যে এতিয়াও ইয়াৰ মূল্য সৰ্বসাধাৰণে ঢুকি পোৱাৰ পৰ্য্যায়লৈ নমা নাই। কিন্তু এনে এটা সময় আহিব যেতিয়া ই সৰ্বসাধাৰণৰ নিত্যব্যৱহাৰ্য্য আৰু দৈনন্দিন প্ৰয়োজনীয় সামগ্ৰীত পৰিণত হ'ব সেইদিনাহে প্ৰকৃতাৰ্থত ইয়াক মানৱ কল্যাণৰ সামগ্ৰী আখ্যা দিব পৰা যাব।

--সহায় লৈ

০০০

> **শিক্ষাৰ ঘাই শিপাডাল বৰ তিতা, কিন্তু ইয়াৰ ফলটো বৰ সোৱাদ।**
>
> **- এৰিষ্টটল।**

# বৰ্ত্তমান বিজ্ঞানৰ যুগত দৰ্শন শিক্ষাৰ প্ৰয়োজনীয়তা

শ্ৰীমীনাক্ষী ভূঞা
অংশকালীন প্ৰৱক্তা
দৰ্শন বিভাগ

বৰ্ত্তমান বিজ্ঞানৰ যুগ। বিজ্ঞানৰ হাততেই বৰ্ত্তমান মানৱ সমাজৰ স্থিতি ধ্বংসৰ চাবি-কাঠি। যিখন সমাজত আদিম মানুহে ব'দ, বতাহ, বৰষুণ, বিজুলী ঢেৰেকণি দেখি ভয় খাইছিল আৰু কিবা এক অজান শক্তিৰ বলত এইবোৰৰ সৃষ্টি আৰু সেই শক্তিয়ে তেওঁলোকৰ ওপৰত অসন্তুষ্ট হৈছে বুলি ভয় খাই সন্তুষ্ট কৰিবলৈ নানা অংগ - ভংগীৰে নৃত্য কৰিছিল আৰু তেনেকৈ কিবা এক মহান শক্তিৰ নামত গা-মন এৰি দি ঈশ্বৰক বিচাৰি হাবাথুৰি খাইছিল, মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে সমাজত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আবিৰ্ভাৱে মানুহৰ চিন্তাৰ তোলপাৰ লগাইছিল। আজিৰ মানুহে এটাৰপৰা আন এটাৰ সৃষ্টি বিচাৰিছে আৰু তাৰ মাজতে কিছু ধ্বংস কৰি আৰু বেছি উন্নত মানত পুণৰ সৃষ্টিও কৰিছে। সেয়েহে আজিৰ একবিংশ শতাব্দীৰ যুগত ইয়ে মানুহৰ এক যুগজয়ী প্ৰত্যাহ্বান আৰু এক চৰম সাফল্যৰ বাতাবৰণ, বৈশিষ্ট্যপূৰ্ণ বিস্ময়কৰ ইতিহাস সৃষ্টিৰ আৰু প্ৰাচুৰ্য্যতাৰ প্ৰাপ্তিৰে জয় কৰাৰ এক অনাবিল আনন্দ। বিজ্ঞানে আজি আমাক এই সকলোবোৰ সম্ভৱ কৰি তুলিছে কিন্তু বিষয়ৰ বিজ্ঞান-সন্মত আলোচনা কৰিবলৈ আমি কিছুক্ষেত্ৰত দৰ্শনৰ ওপৰত অৰ্থাৎ জ্ঞান বিদ্যাৰ ওপৰত নিৰ্ভৰ কৰিব লগীয়া হয়।

জগতখনৰ প্ৰত্যেক বস্তুৰে দুটা ৰূপ আছে- অৱভাষ বা ইন্দ্ৰিয়গ্ৰাহ্য ৰূপ (appearence) আৰু অন্তৰসত্ত্বা বা ইন্দ্ৰীয়াতীত সত্ত্বা (Reality)। দৰ্শনৰ মূল তত্ত্বই হৈছে পৰম সত্ত্বাৰ অধ্যয়ন। ইয়াৰ অবিহনে জগতৰ অধ্যয়ন সম্পূৰ্ণ নহয়। বিজ্ঞানীয়ে হওক বা সৰ্বসাধাৰণেই হওক পৰম সত্ত্বাৰ এক অলৌকিক স্থিতাৱস্থাক বাদ দি কোনেও সম্পূৰ্ণ জ্ঞান লাভ কৰাটো সম্ভৱ নহয়। ঠিক তেনেকৈ বৈজ্ঞানিকসকলৰ অমূল্য জ্ঞানৰ বুকুতেই দৰ্শন প্ৰতিষ্ঠিত বাবে দৰ্শন অবিহনে বিজ্ঞানো অসম্পূৰ্ণ। দাৰ্শণিক ৱেবাৰে (Weber) সেয়েহে দৰ্শন আৰু বিজ্ঞান সম্পৰ্কে এক সুমধুৰ ব্যাখ্যাৰে ইয়াৰ সম্পৰ্ক আমাৰ আগত সুন্দৰকৈ দাঙি ধৰিছে যে "দৰ্শন অবিহনে বিজ্ঞানসমূহ এক ঐক্যবিহীন সমষ্টি, আত্মাহীন দেহ, বিজ্ঞান অবিহনে দৰ্শন দেহহীন আত্মা---।"

দৰ্শন শব্দটো সংস্কৃত 'দৃশ্' ধাতুৰপৰা আহিছে, 'দৃশ্' শব্দৰ অৰ্থ হৈছে দেখা। অৱশ্যে এই শব্দটোৱে সাধাৰণ চাক্ষুস দৃষ্টিক বুজোৱা নাই, বৰং আমাৰ মানস চকুৰে নাইবা অন্তৰ দৃষ্টিৰে পৰম সত্ত্বা বা ব্ৰহ্মক দেখাটোহে বুজাইছে। কিয়নো সাধাৰণ মানুহে চাক্ষুস জগতৰ বা দৃশ্যমান জগতৰ ঘটনাৱাজিক প্ৰকৃত সত্য বুলি ভাৱে। কিন্তু দৰ্শন হ'ল এনেকুৱা এটা বিষয় যিয়ে আমাক দ্বি-জগতৰ সন্ধান দিয়ে। এইয়া হ'ল বাহ্যজগত (Phenomen al world) আৰু অতিন্দ্ৰীয় জগত (Transcendental world)। ঈশ্বৰ, আত্মা, দেশ, কাল ইত্যাদিবোৰৰ সম্যক জ্ঞান পাবলৈ হ'লে দৰ্শন অবিহনে তাৰ জ্ঞান লাভ কৰাটো অসম্ভৱ। মানৱ সমাজত গঢ়ি উঠা অজ্ঞানতা আৰু আলৈ, আহুকাল দূৰ কৰি যুক্তিৰে সকলো চালি-জাৰি চাই নিজৰ লগতে সমাজৰো শ্ৰীবৃদ্ধি কৰি শৃংখলাবদ্ধ নৈতিক জীৱন যাপন কৰিবলৈ হ'লে আমি দৰ্শন অধ্যয়ন কৰিবই লাগিব। সমাজ ব্যৱস্থাত চলি অহা ভ্ৰান্ত ধাৰণাক দূৰ কৰিবলৈ হ'লে দৰ্শনেই তাৰ বাহক হ'ব লাগিব। সেয়েহে অসমীয়া কবিয়ে গাইছে ঃ

জীৱন গছৰ পুলি নৰ সি ফুলৰ মালী
আশা তাৰ সঞ্জীৱণী পানী,
নহ'লে ফুলনি ধৰা ক্ষন্তেকতে জয় পৰা
নাই তাৰ একোৰে মোহিনী ॥

মানুহৰূপী মালীয়ে জীৱন গছৰ পুলিত সঞ্জীৱণী পানী ঢালি আহিছে আৰু নহ'লে এই ফুলনিৰূপী জগতখন ক্ষন্তেকতে জয় পৰি গ'লহেঁতেন। গতিকে মানুহৰূপী মালীবোৰক সঞ্জীৱণী সুধা বোৱাই সুস্বাস্থ্যৰ গৰাকী কৰিব লাগিব এই দাৰ্শণিক সকলে। সাধাৰণ বা সৰ্বসাধাৰণৰ বিমূৰ্ত্ত চিন্তাক দূৰ কৰিবলৈ হ'লে আমাক লাগিব দৰ্শন।

আমি মানুহবোৰ আশাবাদী। আশাৰ বোকোচাত উঠি সংসাৰৰ মায়া- মোহত আৱদ্ধ মানুহবোৰে সকলো কাম কৰো কিবা এটাৰ তাড়নাত বা আশাত আৰু এই কাৰণেই আমি হয়তো সকলোৱে দুখ পাওঁ। কবি আনন্দ চন্দ্ৰ আগৰৱালাদেৱে গাইছে-

সুখ সুখ বুলি মানুহ বলিয়া
নেদেখে সুখৰ মুখ ;
সুখ বিচাৰোঁতে পায় সংসাৰত
দুখৰ উপৰি দুখ।

গতিকে আমি সুখ বিচাৰি হাবাথুৰি খাই কেৱল দুখ পাইছো। কিয়নো মায়া মোহেৰে আবৃত্ত এই সংসাৰৰ বন্ধনত আমি মজি আছো- যিয়ে আমাৰ জীৱনলৈ অজ্ঞানতা আনি দিয়ে। এই বন্ধন সাধাৰণতে আত্মাৰ বন্ধন। বৌদ্ধ দৰ্শনে বিশেষকৈ এই অজ্ঞানতাৰ বন্ধনৰ কাৰণ বাৰটা উল্লেখ কৰিছে আৰু তাক অতিক্ৰম কৰিবলৈ আঠটা মাৰ্গও উল্লেখ কৰিছে। এই সকলোবোৰ অতিক্ৰম কৰিয়েই আমি মোক্ষ লাভ কৰিব পাৰিম বা মুক্তি লাভ কৰিব পাৰিম। গতিকে মানুহে দুখ-ব্যাধিৰপৰা পৰিত্ৰাণ লাভ কৰি বা অজ্ঞানতাৰ বন্ধনৰপৰা মুক্তি লাভ কৰি ধ্যান আৰু আত্ম সংযমেৰে সম্যক জ্ঞান লাভ কৰি বিজয়ৰ ধ্বজা উৰুৱাই মুক্তি লাভ কৰিবলৈ হ'লে দৰ্শন অধ্যয়ন নিতান্তই প্ৰয়োজন।

চাৰ্বাক দৰ্শনৰ মতে "যাৱজ্জীৱন সুখং দহেত, ঋণং কৃত্বা ঘৃতং পিবেত"। এই মতবাদটো ভোগবাদী সমাজৰ ক্ষেত্ৰত প্ৰযোজ্য যদিও চিন্তাশীল এচাম মানুহে কিন্তু কেৱল দৈহিক পৰিতৃপ্তিতেই সন্তুষ্ট নেথাকি মানসিক তৃপ্তিৰ বাবে হাবুদাবু খাইছে আৰু তেওঁলোকৰ মনত স্থিতি লাভ কৰা- ঈশ্বৰ, আত্মা, দেশ-কাল কি ইত্যাদিৰ উত্তৰ দৰ্শনেই দিছে। ইংৰাজীত এষাৰ কথা আছে- "Man cannot live by bread alone," যে মানুহে অকল খাই-বৈয়ে জীয়াই থাকিব নোৱাৰে। গতিকে মানুহৰ অন্তঃপ্ৰজ্ঞাক জাগৰিত কৰিবলৈ হ'লে আমাক লাগিব দৰ্শন।

বিজ্ঞানে আমাক এটা নিৰ্দিষ্ট বিভাগৰ বিভিন্ন জ্ঞান দিয়ে। কিন্তু দৰ্শন হৈছে এনে এটা বিষয় যিয়ে সমগ্ৰ জগত সম্বন্ধে আমাক জ্ঞান দিয়ে। ইন্দ্ৰিয়ই ঢুকি নোপোৱা কিন্তু বোধ শক্তিয়ে বিচাৰি ফুৰা জ্ঞানৰ সমস্যাৰ সমাধান কেৱল দৰ্শনেই দিয়ে। গতিকে দৰ্শন হৈছে সমগ্ৰ জগতৰ সাধাৰণ আৰু মৌলিক ধাৰণাবোৰৰ গভীৰ আলোচনা।

মানুহ জীৱ শ্ৰেষ্ঠ, কিয়নো মানুহৰ বুদ্ধিবৃত্তি গুণ আছে। কিন্তু মানুহৰ এই বুদ্ধিবৃত্তি গুণ থাকিলেও মায়া মোহোৰে ভৰা এই বৈচিত্ৰময় পৃথিবীত ঠাহ খাই থকা নানা ৰূপ, ৰস, গোন্ধ আদিৰ পৰশত মানুহে ভুল পথে পৰিচালিত হোৱাৰ সম্ভাৱনা অধিক। কিয়নো মানুহৰ সীমিত জ্ঞানেৰে ইয়াৰ প্ৰামাণিক সত্যতা নিৰূপণত অসমৰ্থ হৈ পৰে, যাক ভাৰতীয় অদ্বৈতবাদী দাৰ্শনিক শংকৰাচাৰ্য্যই নাম দিছে মায়া। "The term Maya stands for the mystery that makes us aware of our finiteness and the gap that ever stands in our knowledge."

মায়া সম্পৰ্কে শংকৰাচাৰ্য্যৰ দৰ্শনত স্পষ্টকৈ অতি সুন্দৰভাৱে পোৱা যায়। তেওঁ ৰচী আৰু সাপৰ সাধাৰণ উপমাৰে ব্ৰহ্ম আৰু জগতৰ সম্বন্ধ আমাৰ আগত দাঙি ধৰিছে। ৰচী এডালক এন্ধাৰত সাপ হিচাপে দেখাটো যিদৰে সাপডাল ৰচীডালৰ ভ্ৰান্ত ৰূপ ঠিক তেনেদৰে ব্ৰহ্মৰ তুলনাতো জগত মায়া বা অবিদ্যা। যিদৰে ৰচীডালক সাপ বুলি ভাবিলেও মূল ৰচীডালৰ ওপৰত ইয়াৰ কোনো প্ৰভাৱ নপৰে ঠিক তেনেকৈ জগতক মায়া বুলি ভাবিলেও ব্ৰহ্মৰ ক্ষেত্ৰত ইয়াৰ কোনো প্ৰভাৱ নপৰে। কিন্তু আচলতে সাপ আৰু ৰচীৰ উপমাৰে জগত আৰু ব্ৰহ্মক ব্যাখ্যা কৰাটো সম্ভৱ নহয়। মায়াৰ ৰচীৰূপ সাপ নিৰৰ্থক হ'লেও মায়াৰ জগত কিন্তু নিৰৰ্থক নহয়। ইয়াৰ মৌলিক পাৰ্থক্যৰ সন্ধান কিন্তু দৰ্শনেহে দিব পাৰে। ভ্ৰান্তি দূৰ হোৱাৰ লগে লগে বস্তু দৰ্শনৰ ৰূপ পৰিৱৰ্তন হৈ সত্যৰূপ ব্ৰহ্ম দৰ্শন হয়। সেয়েহে শংকৰাচাৰ্য্যই কৈছে "ব্ৰহ্ম সত্য জগত মিথ্যা'। গতিকে এই তত্ত্বক যুক্তিৰে দাঙি ধৰিবলৈ আমাক দৰ্শনৰ বাহিৰে আন একোৱে সমল যোগাব নোৱাৰে।

মানুহৰ আউল লগা চিন্তাৰ আঁত বিচাৰি দিয়ে দৰ্শনে। সকলোবোৰ কথা যুক্তিৰে বিচাৰ কৰিবলৈ শিকাই আমাক দৰ্শনে। ভাৰতীয় দৰ্শনত পোৱা কৰ্মবাদৰ ওপৰতেই প্ৰতিষ্ঠিত জন্মান্তৰবাদ অনুসাৰে মানুহে নিজৰ কৰ্মৰ ফল ভোগ কৰিবই লাগিব আৰু এটা জনমত শেষ নহ'লে মৃত্যুৰ পিচত আত্মাৰ পুণৰ জন্ম হৈ জীৱই নতুন দেহ ধাৰণ কৰি কৰ্মফল ভোগ কৰিবলৈ সংসাৰলৈ আহিব লাগে। দৰ্শন হৈছে এনে এটা বিষয় যিটোৱে কোনো এটা কৰ্মৰ ঔচিত্য অনৌচিত্যৰ বিষয়ে আমাক জ্ঞান দিয়ে



যাৰ ফলত আমি সু-কৰ্ম কৰি সুফল পাব পাৰো। গতিকে আমাৰ নৈতিকতাৰ জ্ঞান দিয়ে দৰ্শনে।

শেষত আমি ইয়াকে ক'ব লাগিব যে বিজ্ঞানৰ বলত বৰ্ত্তমানে সৃষ্টি হোৱা ভোগবাদী সমাজত খাওঁতে, শোওতে, উঠোতে, বহোতে আমাক লাগে বিজ্ঞানৰ অৱদান ; তথাপিও কিন্তু দৰ্শন শিক্ষাৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। কাৰণ দৰ্শনেহে প্ৰথমে নৈষৰ্গিক জগতৰ বহুতো সঁচা ধাৰণা আমাক দিয়ে। আৰু বহুতো বিজ্ঞানীয়ে এই ধাৰণাকেই ভিত্তি হিচাপে লৈ তেওঁলোকৰ বিজ্ঞানৰ সূত্ৰ স্থাপন কৰিছে। উদাহৰণ স্বৰূপে বিজ্ঞানী নিউটনে গণিতৰ বহুতো ধাৰণা দাৰ্শনিক লেইব্‌নিজৰ গণিতৰ ধাৰণাৰপৰা লয়। ঠিক তেনেদৰে লাপলেচে বিশ্ব ব্ৰহ্মাণ্ডৰ উৎস সম্পৰ্কে বহুতো ধাৰণা দাৰ্শনিক কাণ্টিৰপৰা লয়। গতিকে বিজ্ঞানৰ ভেটি সুদৃঢ় কৰাৰ ক্ষেত্ৰত দৰ্শনৰ অবিহনা নুই কৰিব নোৱাৰি।

০০০



# সমাজ গঠনত ছাত্ৰৰ ভূমিকা



মিচ্ মনজিৎ কৌৰ
স্নাতক দ্বিতীয় বৰ্ষ

মানুহ সামাজিক প্ৰাণী। সমাজৰ অবিহনে মানৱ জীৱনৰ অস্তিত্ব, বিকাশ, উন্নতি কল্পনাতীত। মানৱ-জীৱনৰ সূচনা মাতৃগৰ্ভত হয় সঁচা। কিন্তু সেই মৌলিক সূচনাক ক্ৰমাগত ভাৱে বিকাশৰ বিভিন্ন স্তৰৰ মাজেদি পূৰ্ণ অৱস্থালৈ অনাত সমাজেহে বিশেষ অৰিহণা যোগাবলগীয়া হয়। সেই বাবেই সমাজ নহ'লে মানৱ শিশুৰ ব্যক্তিত্ব আৰু চৰিত্ৰই বিকাশ লাভ কৰিব নোৱাৰে। যি কামে সমাজৰ হিত সাধন কৰে, সেইকামে ব্যক্তিৰো হিত সাধন কৰে। সমাজ দূষিত হ'লে ব্যক্তিৰো জীৱন দোষমুক্ত হ'ব নোৱাৰে। বৃহৎ বিশ্বৰ মানৱ সমাজৰ আমি প্ৰত্যেকেই একোজন সদস্য। গতিকে বৃহৎ বিশ্বৰ মানৱ-সমাজৰ একোজন সদস্য হিচাপে সমাজ গঠনৰ চেষ্টা কৰাটো ব্যক্তি মাত্ৰৰে কৰ্তব্য। ছাত্ৰ সমাজৰ অংশ বিশেষ। সেই হিচাপে সমাজ গঠনৰ বাবে কৰিবলগীয়া কামৰ ভালেখিনি দায়িত্ব ছাত্ৰই বহন কৰিব লগাত পৰে।

এতিয়া প্ৰশ্ন হৈছে মানুহে সমাজ গঠনৰ কথা চিন্তা কৰিবলগীয়া হয় কিয়? এইটো এটা অতি জটিল ধৰণৰ প্ৰশ্ন। অন্ততঃ দুটা কাৰণত মানুহে সমাজ গঠনৰ কথা চিন্তা কৰিব লগীয়া হয়।

প্ৰথমতে, বন্য প্ৰাণীৰদৰে মানুহে অকলশৰীয়া জীৱন যাপন কৰিব নোৱাৰে। জ্ঞাতি-কুটুম্ব, বন্ধু-বান্ধৱ আদিৰ সৈতে প্ৰতিজন মানুহে জীয়াই থাকে এখন সমাজৰ অঙ্গ হিচাপে। এনে এখন সমাজৰ শান্তি-শৃংখলা আৰু সুখ-সমৃদ্ধি সু-নিশ্চিত কৰিবৰ বাবে সমাজখন সংগঠিত হোৱা আৱশ্যক। দ্বিতীয়তে, চিন্তা শক্তিৰ অধিকাৰী হোৱাৰ ফলত মানুহে ভাল, বেয়া উভয় ধৰণৰ চিন্তাৰ আলমত ভাল আৰু বেয়া উভয় ধৰণৰ কাম কৰিব পাৰে। কেৱল ভাল কথাহে চিন্তা কৰিব পৰা হ'লে মানুহৰ পৃথিৱীখন এখন স্বৰ্গৰাজ্য হ'লহেঁতেন। কিন্তু যদি সকলো মানুহে কেৱল বেয়া কথাহে চিন্তা কৰিব জনা হোৱা হ'লেও বোধকৰো বিশেষ সমস্যা নহ'লহেঁতেন। কিয়নো কেৱল বেয়া চিন্তা আৰু কৰ্মেৰে ভৰা পৃথিৱী এখনকে মানুহে মানুহৰ সচৰাচৰ পৃথিৱী বুলি গ্ৰহণ কৰিলেহেঁতেন। কিন্তু এই দুটাৰ এটাও নহ'ল। ভাল আৰু বেয়া উভয় ধৰণৰ চিন্তা কৰিব জনা হেতুকে মানুহৰ পৃথিৱীখন ভাল আৰু বেয়াৰ এটা সংমিশ্ৰণ স্বৰূপ হ'ল। মানুহৰ উৎকৃষ্ট আদৰ্শ পিছে ভাল চিন্তা আৰু ভাল কৰ্মহে। বেয়াকৈ আঁতৰাই বা তল পেলাই ভাল চিন্তা আৰু ভাল কৰ্মৰ যোগেদি সমাজখনত শান্তি শৃংখলা আৰু সুখ-সমৃদ্ধি সু-নিশ্চিত কৰিবৰ বাবে মানুহৰ সমাজখন সংগঠিত হোৱা প্ৰয়োজন।



উল্লেখযোগ্য যে, সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত বিভিন্ন সময়ত আৰু বিভিন্ন ঠাইত মানুহে গ্ৰহণ কৰা আদৰ্শৰ কথাবোৰ সমাজ সংগঠনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। সমগ্ৰ মানৱ সমাজৰ বাবে এনেবোৰ আদৰ্শ সকলো সময়তে একে ৰূপত গৃহীত হোৱা নাই; এখন সমাজৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আদৰ্শৰ লগত আন এখন সমাজৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক আদৰ্শ সদায় একে নহয়। বিৱৰ্তনত একেখন সমাজতে আদৰ্শৰ সাল-সলনি ঘটে। গতিকে সমাজৰ বিভিন্ন আদৰ্শ চিৰস্থায়ী হ'ব বুলি ভৱিষ্যদ্বাণী কৰিব নোৱাৰি। এনে ক্ষেত্ৰত ছাত্ৰ সমাজে কেনে আদৰ্শ গ্ৰহণ কৰি সমাজ গঠনত অংশ গ্ৰহণ কৰিব সেইটো একে আষাৰে কোৱা টান। মুঠতে ক'বলৈ গ'লে একোখন সমাজে একোটা সময়ত সমাজৰ বৃহত্তৰ স্বাৰ্থ পূৰণৰ বাবে যিবোৰ আদৰ্শ গ্ৰহণ কৰে, সেইবোৰ আদৰ্শ ছাত্ৰ সমাজেও গ্ৰহণ কৰি তেনে আদৰ্শত উপনীত হোৱাত তেওঁলোকে উপযুক্ত ভূমিকা গ্ৰহণ কৰিব লাগে। অৱশ্যে ছাত্ৰ সমাজে সকলো সময়তে প্ৰচলিত আৰু উমৈহতীয়াভাৱে গৃহীত বাটেৰেই বাট বুলিব লাগিব - সেইটো নহয়। প্ৰচলিত আদৰ্শত যদি মানৱ-কল্যাণৰ পৰিপন্থী কেৰোণ সোমাই থাকে, তেনে কেৰোণ আঁতৰ কৰাৰ মুখ্য দায়িত্ব প্ৰাপ্তবয়স্কসকলৰ যদিও নিজৰ কৰ্তব্যৰ গণ্ডীৰ ভিতৰত ছাত্ৰ সমাজেও এনে কেৰোন আঁতৰ কৰাত উপযুক্ত ভূমিকা গ্ৰহণ কৰিব পাৰে। তদুপৰি, গৃহীত পথকে সদায় অনুকৰণ কৰিলে মানুহৰ সমাজ আৰু সভ্যতাৰ অগ্ৰগতিয়েই সম্ভৱ নহ'লহেঁতেন। গতিকে মানুহৰ শ্ৰেষ্ঠ সম্পদ চিন্তাশক্তিৰ সহায়ত নিজ নিজ তথা বিশ্বৰ সমাজক কিদৰে প্ৰগতিৰ পথত আগুৱাই নিব পাৰি- সামাজিক অঙ্গ হিচাপে প্ৰাপ্তবয়স্কসকলৰ লগতে ছাত্ৰ সমাজেও এই কথা ভাৱিব লাগে। কিন্তু পৰিৱৰ্তন আৰু প্ৰগতিৰ নামত সমাজখনক যাতে অশান্তি, বিশৃঙ্খলতা আৰু উন্মত্ত হিংসাৰ বলি কৰা নহয়, এই কথাও ছাত্ৰ সমাজে সৰ্বদা মনত ৰখা উচিত।

এটা অৰ্থত, ছাত্ৰ সমাজৰ কৰ্তব্যসমূহেই সমাজ গঠনৰ একোটা উল্লেখযোগ্য দিশ। ছাত্ৰ সমাজৰ প্ৰধান কৰ্তব্য হৈছে অধ্যয়ন বা জ্ঞান আহৰণ কৰা। ছাত্ৰসকল সমাজৰ মাখন স্বৰূপ। আজিৰ যি ছাত্ৰ, কাইলৈ তেওঁ নেতা, আজি তেওঁ আদেশ মানিব, কাইলৈ আদেশ দিব। ছাত্ৰ সমাজেই দেশৰ ভৱিষ্যত। ছাত্ৰ হিচাপে তেওঁলোকে যি আহৰণ কৰিব, সেয়েই কালিলৈ সমাজখনৰ ভাল বেয়া বহুখিনি নিৰ্ণয় কৰিব। ছাত্ৰসকলে অধ্যয়ন কৰা বা জ্ঞান আহৰণ কৰাৰ অন্ততঃ তিনিটা মৌলিক দিশ আছে। প্ৰথমতে, অধ্যয়নৰ যোগেদি ছাত্ৰসকলে বিভিন্ন বিষয়ত জ্ঞান আহৰণ কৰিব লাগিব আৰু এনে জ্ঞান আহৰণৰ যোগেদিহে ছাত্ৰ সমাজে প্ৰগতিশীল পৃথিৱীখনৰ লগত সমানে খোজ কাঢ়িব পাৰিব। দ্বিতীয়তে, অধ্যয়নৰ জৰিয়তে ছাত্ৰ সমাজে লিখা-পঢ়াৰপৰা আৰম্ভ কৰি চিত্ৰাঙ্কন, নৃত্য, গীত অথবা কৃত্ৰিম উপগ্ৰহ নিৰ্মাণ আদিলৈকে নানা বিদ্যা বা কৌশলৰ শিক্ষা ছাত্ৰ-সকলে আহৰণ কৰিব লাগে। জ্ঞান আৰু কৌশলৰ উপযুক্ত শিক্ষা গ্ৰহণৰ যোগেদি ছাত্ৰ সমাজে আধুনিক সমাজ এখনৰ গঠনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। তৃতীয়তে অধ্যয়নৰ যোগেদি শৈক্ষিক দিশৰ উন্নতি হ'লেই ন'হব সামাজিক আৰু মানৱীয় প্ৰমূল্যৰ অধিকাৰী হ'লেহে ছাত্ৰ সমাজে প্ৰকৃত অৰ্থত অধ্যয়ন কাৰ্য্য সফলতা লাভ কৰা বুলি ক'ব পাৰি। সত্য, প্ৰেম, অহিংসা, পৰোপকাৰ, নিঃস্বাৰ্থপৰতা, সহনশীলতা আদি মানৱীয় আৰু সামাজিক প্ৰমূল্যৰ অধিকাৰী হৈ ছাত্ৰ সমাজে শান্তি-শৃখলা আৰু সুখ-

সমৃদ্ধিৰে ভৰা এখন সমাজ গঠনত বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব পাৰে। তদুপৰি অধ্যয়নৰ যোগেদি ছাত্ৰ সমাজে বিজ্ঞানসন্মত দৃষ্টিভংগী, পৰিৱেশ চেতনা, গণতান্ত্ৰিক চেতনা আদি কিছুমান বৌদ্ধিক প্ৰমূল্যও আহৰণ কৰিব লাগে। বৌদ্ধিক প্ৰমূল্য আহৰণৰ-দ্বাৰা ছাত্ৰ সমাজে এখন আধুনিক সমাজ গঠনত শিক্ষাৰ পোহৰৰপৰা বঞ্চিত সহস্ৰজনক সুস্থ আৰু সঠিক দিশৰ সন্ধান দিব পাৰে।

ওপৰত আগবঢ়োৱা আলোচনাৰ পৰা ধাৰণা কৰিব পাৰি যে জ্ঞান, কৌশল আৰু আৱশ্যকীয় প্ৰমূল্য আহৰণ কৰাৰ কৰ্তব্য পালনৰ যোগেদি ছাত্ৰ সমাজে সমাজ গঠনৰ ক্ষেত্ৰত তাৎপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে।

ছাত্ৰই পালন কৰিবলগীয়া মৌলিক কৰ্তব্য-সমূহৰ উপৰিও সমাজখনৰ সৰ্বাঙ্গীন উন্নতিৰ বাবে কৰিব পৰা অন্যান্য দুই এটা কথাও ছাত্ৰসমাজে চিন্তা কৰা উচিত। আধুনিক শিক্ষাবিদসকলৰ মতে ছাত্ৰই পালন কৰিবলগীয়া মৌলিক কৰ্তব্য কেৱল অধ্যয়নৰ জৰিয়তে ছাত্ৰৰ সামাজিক, মানসিক, শাৰীৰিক আদি সৰ্বপ্ৰকাৰৰ বিকাশ সম্ভৱ নহয়। তদুপৰি কথিত আছে যে, "All work and no play makes jack a dull boy". অৰ্থাৎ খেলা-ধুলা নকৰাকৈ বা অৱসৰ বিনোদনৰ প্ৰতি পিঠি দি কেৱল পঢ়া কিতাপতে মূৰ গুজি থাকিলে ছাত্ৰৰ বুদ্ধি-বৃত্তি ভোটা হয়। সেয়েহে ছাত্ৰ সমাজে অধ্যয়নৰত থাকিও আজৰি সময়ত সমাজৰ অন্যান্য ব্যক্তিৰ সহযোগত সমাজ সেৱামূলক কাৰ্য্য সম্পাদন কৰি সমাজ গঠনত উপযুক্ত বা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। উদাহৰণস্বৰূপে নিৰক্ষতা দূৰীকৰণ, ঐক্য সংহতি স্থাপন কৰি, ভাতৃত্ব আৰু সহযোগী মনোভাৱ গঢ়ি তোলা, ৰাস্তা-ঘাট আদিৰ উন্নয়ন, মেৰামতিকৰণ, সামাজিক কু-সংস্কাৰ দূৰীকৰণ, সমাজৰ কু-অভ্যাস দূৰীকৰণ, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আদিত আঞ্চলিক ৰাইজক সহায় - সহযোগ আগবঢ়োৱা আদি সকলো কামত সততে জড়িত হৈ ছাত্ৰ সমাজে সমাজ গঠনত তথা সমাজৰ উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। তদুপৰি ধৰ্ম ভাষা আদিৰ নামত সমাজত সাম্প্ৰদায়িক সংঘৰ্ষৰ সৃষ্টি হ'লে ছাত্ৰ সমাজে দলবদ্ধভাৱে প্ৰভাৱিত সকলো ঠাইলৈ গৈ সাম্প্ৰদায়িকতা ৰোধ কৰাত অৰিহণা যোগাব পাৰে।

মুঠতে, সাধাৰণভাৱে বিশ্ব মানৱৰ আৰু বিশেষভাৱে নিজ নিজ সমাজৰ বৰ্তমান আৰু ভৱিষ্যতৰ সৰ্বাঙ্গীন কল্যাণ আৰু বিকাশৰ বাবে সুস্থ আদৰ্শৰদ্বাৰা পৰিচালিত হৈ ছাত্ৰ সমাজে মৌলিক তথা আনুষঙ্গিক কৰ্তব্যসমূহ পালন কৰাটোৱেই সমাজ গঠনত তেওঁলোকৰ উপযুক্ত ভূমিকা।

সমাজ গঠনত ছাত্ৰৰ ভূমিকাৰ পৰিসৰ অতি গুৰুত্বপূৰ্ণ আৰু ব্যাপক। সমাজৰ প্ৰতি ছাত্ৰই নিজক দায়বদ্ধ বুলি বিবেচনা কৰি পৰিকল্পিতভাৱে সমাজ সেৱা বা সমাজ গঠনৰ চেষ্টা কৰিবলৈ আগবাঢ়ি আহিব লাগে। সমাজৰ প্ৰতি ছাত্ৰই এই দায়বদ্ধতা আধুনিক শিক্ষাৰ এক নতুন উপলব্ধি আৰু অনুভৱ বুলিব পাৰি। সমাজ গঠনৰ ক্ষেত্ৰত ছাত্ৰই পালন কৰা দায়িত্বই মানুহক উদাৰ ভাৱাপন্ন কৰি মহৎ হ'বলৈ শিকায়। যি ছাত্ৰৰ অন্তৰত সৰুতেই সমাজ গঠনৰ বাবে পালন কৰিবলগীয়া দায়িত্ববোধৰ বীজ অংকুৰিত হয়, পৰৱৰ্তী জীৱনতো তেওঁৰপৰা দেশে মহৎ সেৱা যে পাব ই ধ্ৰুৱ। সেয়েহে প্ৰত্যেক ছাত্ৰই সৰু কালৰপৰাই সমাজ গঠনৰ প্ৰতি থকা নিজৰ দায়িত্ব আৰু ভূমিকাৰ সম্বন্ধে সচেতন হৈ কামত ব্ৰতী হ'বলৈ যত্ন কৰাটো বাঞ্ছনীয়।

০০০



# 'জাতি গঠনত শ্ৰীমন্ত শংকৰৰ ভূমিকা'



শ্ৰীগৌতম মেধি
স্নাতক ২য় বৰ্ষ

আজি আমাৰ আলোচ্য বিষয়বস্তু হ'ল 'জাতি গঠনত শ্ৰীমন্ত শংকৰৰ ভূমিকা'।

বিষয়বস্তুলৈ আগবঢ়াৰ আগতে আমি জাতি বুলিলে কি বুজায় সেই কথাটো মনকৰিব লাগিব। সহজ ভাষাত একে বংশত জন্মলাভ কৰা মানুহখিনিকে আমি জাতি বুলি কওঁ। এই সম্পৰ্কে এটা উল্লেখযোগ্য সংজ্ঞা আগবঢ়াইছে অধ্যাপক বাৰ্জেছে। তেওঁৰ মতে-" কোনো নিৰ্দ্দিষ্ট ভূখণ্ডৰ ভিতৰৰ উমৈহতীয়া ভাষা আৰু সাহিত্য, উমৈহতীয়া ঐতিহ্য আৰু ইতিহাস, উমৈহতীয়া ৰীতি-নীতি আৰু নৈতিক ধাৰণাৰ সচেতনতা আদিৰ মাধ্যমেৰে একত্ৰিত হোৱা কিছুমান লোকৰ সমষ্টিয়েই হ'ল জাতি "।

গতিকে আমি এতিয়া বুজিলো যে, জাতিৰ প্ৰসঙ্গত সকলো ক্ষেত্ৰতে **'উমৈহতীয়া'** শব্দটোৱে অধিক গুৰুত্ব লাভ কৰে। এটা জাতি গঠন হ'বলৈ হ'লে মানুহখিনিৰ মাজত এক সু-সম্পৰ্ক থকাটো অতি প্ৰয়োজনীয় কথা। সেয়ে পৃথিৱীৰ একো একোটা জাতি যেতিয়া সংকটৰ সন্মুখীন হয় তেতিয়া তাত একোজন 'গুৰু' বা 'পথপ্ৰদৰ্শক'ৰ আবিৰ্ভাৱ হয়। তেওঁ মানুহৰ মাজত পুনৰ এক সুস্থ বাতাবৰণৰ সৃষ্টি কৰিব পাৰে।

অসমীয়া জাতিটোও এদিন বিভিন্ন অশুভ প্ৰভাৱৰ ফলত সংকটাপন্ন অৱস্থাত পৰিছিল। ধৰ্মৰ নামত মানুহবোৰ বহু নিম্নস্তৰলৈ নামি গৈছিল। বিশেষকৈ শাক্তপন্থী আৰু বৈষ্ণৱপন্থীসকলৰ মাজত দূৰত্ব বাঢ়ি গৈছিল। আনকি তেওঁলোকে হিংসাৰ পথো গ্ৰহণ কৰিছিল। শাক্তপন্থী কেইবাজনো আহোম ৰজাই বৈষ্ণৱপন্থীসকলক শাস্তি প্ৰদান কৰিছিল। সেই সময়ত সম্পূৰ্ণ পৰিস্থিতিটোৱেই সলনি হৈ গৈছিল। যিটো জাতিৰ মানুহৰ মাজত একতা নাথাকে সেই জাতিৰ ধ্বংস অনিবাৰ্য্য। অসমীয়া জাতিও ধ্বংসৰ দুৱাৰদলিত উপস্থিত হৈছিল।

ঠিক সেই সময়তে অসমীয়া জাতিৰ ত্ৰাণকৰ্তাৰ ৰূপত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে ১৪৪৯ খ্ৰীষ্টাব্দত নগাঁও জিলাৰ আলিপুখুৰী নামে ঠাইত জন্ম গ্ৰহণ কৰে। তেওঁ সৰুৰেপৰাই অসাধাৰণ প্ৰতিভা সম্পন্ন

ব্যক্তি আছিল। কম বয়সতে বহু আশ্চর্য্যজনক কাৰ্য্য কৰি লগৰীয়া আৰু জ্যেষ্ঠসকলক চমক খুৱাইছিল। সেয়ে বহুতে তেওঁক 'অতিমানৱ' বা দেৱতা বুলি আখ্যা দিব খোজে। কিন্তু সেয়া আমাৰ আলোচ্য বিষয় নহয়।

শ্ৰীমন্ত শংকৰে নিজকে মানুহবোৰৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰিবৰ বাবেই যে, এনে অসাধাৰণ কামবোৰ কৰিছিল সেই কথাটোও আমি অস্বীকাৰ কৰিব নোৱাৰো। কাৰণ মানুহবোৰে তেওঁৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰি লগতে তেওঁৰ প্ৰতি আনুগত্য স্বীকাৰ কৰিলেহে উপযুক্ত পথ প্ৰদৰ্শন কৰাটো সম্ভৱ আছিল। শ্ৰীমন্ত শংকৰে প্ৰথমতে মানুহৰ মাজত একতা ঘূৰাই অনাৰ চেষ্টা কৰে। ইয়াৰ বাবে তেওঁ বৈষ্ণৱ ধৰ্মকে নতুন নামেৰে 'নৱ বৈষ্ণৱ ধৰ্ম' হিচাপে প্ৰচাৰ কৰিবলৈ ধৰিলে। তেওঁৰ অসাধাৰণ ব্যক্তিত্বৰ প্ৰভাৱত মানুহবোৰ লাহে লাহে কাষ চাপি আহিল।

শ্ৰীমন্ত শংকৰে ভাগৱত পুৰাণৰ পৰা সৎসঙ্গ, গীতাৰ পৰা একশৰণ আৰু পদ্মপুৰাণৰ সহস্ৰ নাম খণ্ডৰপৰা নামধৰ্ম লৈ ভক্তিবাদ প্ৰচাৰ কৰে। এই ধৰ্মৰ উপাস্যদেৱতা শ্ৰীকৃষ্ণ যি পৰম ব্ৰহ্ম, জ্ঞানময় আৰু আনন্দময়। শ্ৰীমন্ত শংকৰে নিষ্কাম বা নিস্পৃহ ভক্তি প্ৰৱৰ্তন কৰে। তেওঁৰ ভকতিৰ চাৰিখুটি হ'ল নাম, দেৱ, গুৰু আৰু ভকত। বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ আন্তৰিক উপলব্ধিয়েই সাধনাৰ ক্ষেত্ৰ বুলিছে। এই ভক্তিধৰ্মত জাতি অজাতি নাই। শংকৰদেৱে নগা, গাৰো আনকি মুছলমান লোককো শিষ্যত্ব প্ৰদান কৰিছিল।

এতিয়া আমি যদি ভালকৈ লক্ষ্য কৰো তেন্তে দেখিবলৈ পাম যে, শংকৰদেৱৰ আদৰ্শ যদিও আধ্যাত্মিক দৃষ্টিভংগীৰ আছিল তথাপিও তেওঁ সকলো মানুহৰ মনত এজন ঈশ্বৰক জগাই তুলি এক ঐক্যৰ ভাব সৃষ্টি কৰিছিল। মানুহৰ মন আকৰ্ষণ কৰিবৰ বাবে তেওঁ বিভিন্ন পথ অৱলম্বন কৰিবলগীয়া হৈছিল। গীত-পদ, নাটক, বৰগীত, ভটিমা, চতিহা, টোটয় আদি সৃষ্টি কৰিছিল। ব্ৰজভাষা আৰু অসমীয়াৰ সংমিশ্ৰণত এক, নতুন ভাষা গঢ়ি তুলিলে। তদুপৰি তেওঁৰ ধৰ্ম প্ৰচাৰ আৰু সংস্কাৰ কাৰ্য্যত যথেষ্ট কষ্ট যাতনা সহ্য কৰিবলগীয়া হৈছিল। শাক্তপন্থীসকলৰ সৈতে তৰ্কযুদ্ধত লিপ্ত হ'বলগীয়া হৈছিল। কিন্তু শংকৰদেৱৰ যুক্তি খণ্ডন কৰিব পৰা দ্বিতীয় এজন ওলোৱা নাছিল। সেয়ে তেওঁৰ সমানেই প্ৰতিভাসম্পন্ন ব্যক্তি শাক্তপন্থী মাধৱদেৱেও হাৰ মানি বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল। এনেকৈয়ে সংকটৰ মুখত পৰা জাতি এটাক শংকৰে অতি সাৱধানেৰে আৰু কৌশলেৰে একতাৰ ডোলেৰে বান্ধিবলৈ সমৰ্থ হৈছিল। অন্যথা আজি অসমীয়া বুলি জাতি পৃথিৱীত নাথাকিলেহেঁতেন।

সেয়েহে আমি সদায় স্বীকাৰ কৰিব লাগিব যে, অসমৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনৰ ওপৰত শ্ৰীমন্ত শংকৰদেৱৰ প্ৰভাৱ অপৰিসীম। গণতান্ত্ৰিকতাৰ আদৰ্শেৰে অনুপ্ৰাণিত বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় সাহিত্য স্বৰূপে প্ৰতিষ্ঠা লাভ কৰে। 'বহু দেৱতাৰ মাজত প্ৰধান দেৱতাৰ সন্ধান দান', 'বহু সত্যৰ ভিতৰত সনাতন সত্যৰ উপলব্ধিৰ প্ৰতি আমাৰ সামাজিক চৈতন্যৰ জাগৰণ', 'কৰ্মৰ বিভীষিকা নিবাৰণ' 'বাহ্যিক অনুষ্ঠানৰ ঠাইত বিশুদ্ধ অন্তৰক উপলব্ধিৰ প্ৰধান লীলাক্ষেত্ৰ বুলি ডাঠকৈ প্ৰতিপাদন কৰা', 'কৰ্মৰ বিভীষিকা আৰু সামাজিক শ্ৰেণীভেদৰ ব্যৱধানৰ কুঁৱলী আঁতৰ কৰা'- এয়ে ড° বাণীকান্ত কাকতিৰ মতে, 'অসমীয়াৰ আধ্যাত্মিক জীৱনৰ উৎকৰ্ষ বিষয়ত মহাপুৰুষ শংকৰদেৱৰ চতুৰঙ্গ দান।

অসমীয়া জাতীয় জীৱনৰ সন্ধিক্ষণত ৰচনা কৰা "বৈষ্ণৱ সাহিত্যই নতুন প্ৰাণৰ সঞ্চাৰ কৰি সৰ্বভাৰতীয়, মহাজাতীয় চৈতন্যৰ লগত ইয়াৰ ঐক্য-ভাৱ স্থাপন কৰে। বৈষ্ণৱ সাহিত্যই অসমৰ জাতীয় সাহিত্য স্বৰূপে প্ৰতিষ্ঠা লাভ কৰে। নৱ বৈষ্ণৱ ধৰ্ম সৰবৰহী কৰিবৰ বাবে তেওঁ মূল সংস্কৃত শাস্ত্ৰৰ অনুবাদ, সাৰস্যগ্ৰন্থ আৰু সংস্কৃত গ্ৰন্থৰ পৰা বিষয়বস্তু লৈ মৌলিক ৰচনা কৰে। সত্ৰ আৰু নামঘৰেৰে মহাপুৰুষে যেনেদৰে অসমীয়া সমাজত শৃংখলা স্থাপন কৰিলে, ধৰ্মেৰে যেনেদৰে শ্ৰেণীভেদৰ ব্যৱধান দূৰ কৰি সকলোকে একে ডোলেৰে বান্ধিলে, তেনেদৰে কাব্য, গীত আৰু নাট ৰচনা কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণ সৌধ নিৰ্ম্মাণ কৰিলে।

অসমীয়া ভাষা, সাহিত্য, সংগীত, কলা, ধৰ্মীয় জীৱন, সামাজিক জীৱন আদিৰ ওপৰত শংকৰদেৱৰ প্ৰভাৱ প্ৰভূত। তেওঁৰ হাতত অসমীয়া জাতি আৰু অসমীয়া সংস্কৃতিয়ে এক নিৰ্দিষ্ট গঢ় ল'লে। অসমীয়া জাতি আজি শংকৰদেৱৰ বাবেই জীয়াই আছে। শংকৰদেৱৰ ৰচনাৱলী অসমীয়া সাহিত্যৰ 'শিৰোভূষণ স্বৰূপ'।

মুঠৰ ওপৰত 'সাহিত্যৰ গুৰু শংকৰ সাহিত্য ৰাজ্যৰ ৰজা শংকৰ, সমাজ গঢ়োতা শংকৰ, সমাজৰ নেতা শংকৰ। সেয়ে আজি আমি সকলো অসমীয়াই এই পৱিত্ৰ দিনত অসমৰ শ্ৰেষ্ঠ পুত্ৰ শ্ৰীমন্ত শংকৰৰ চৰণত বিনীতভাৱে আমাৰ ভক্তিপুষ্পাঞ্জলি নিবেদন কৰি নিজকে ধন্য কৰোহঁক।

০০০

নিজ মাতৃক অৱহেলা কৰি দেশ মাতৃক
সেৱা কৰাৰ চেষ্টা ভণ্ডামি মাথোন।
- তৰুণ ৰাম ফুকন।

# পাঠদানৰ কৌশল



লুতফুৰ ৰহমান
মূৰব্বী অধ্যাপক
শিক্ষা বিভাগ

শিক্ষানুষ্ঠানৰ মুখ্য উদ্দেশ্য হৈছে শিশুক ব্যক্তিগত আৰু সামাজিক জীৱনৰ বাবে প্ৰস্তুত কৰি তোলা। বিদ্যালয় শিক্ষাৰ মাজেৰে এটা শিশুৰ জীৱন গঢ় লৈ উঠে আৰু শিশুৰ আচৰণ আকাংখিতভাৱে পৰিবৰ্ত্তন কৰাত শিক্ষকেই প্ৰধান ভূমিকা গ্ৰহণ কৰে। সাধাৰণ দৃষ্টিত শিক্ষানুষ্ঠানৰ প্ৰতিটো শ্ৰেণীৰ বাবে নিৰ্দ্ধাৰিত হৈ থকা পাঠ্যক্ৰমৰ বিষয়বস্তুৰ জ্ঞান ছাত্ৰ-ছাত্ৰীক দি পৰীক্ষাৰ বাবে প্ৰস্তুত কৰি তোলাই শিক্ষকৰ প্ৰধান কৰ্ত্তব্য। কিন্তু ছাত্ৰ-ছাত্ৰীক কেৱল পৰীক্ষাৰ বাবে প্ৰস্তুত কৰি তোলাই একমাত্ৰ লক্ষ্য বুলি বিবেচনা কৰিলে সমগ্ৰ শিক্ষা ব্যৱস্থাটোৱেই পৰীক্ষাকেন্দ্ৰিক হৈ পৰিব। পাঠ্যক্ৰমৰ বিষয় বস্তুৰ জ্ঞান ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত আৰু ব্যৱসায়িক জীৱনৰ প্ৰাসঙ্গিক ক্ষেত্ৰত প্ৰয়োগ কৰাৰ কৌশল আয়ত্ব কৰাৰ লক্ষ্যও নিৰ্দ্ধাৰণ কৰিলেহে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য পূৰণ হয়। অৱশ্যে এনে লক্ষ্য পূৰণৰ ক্ষেত্ৰত কেৱল শিক্ষণীয় বিষয়বস্তুৰ জ্ঞানেই যথেষ্ট নহয়। ইয়াৰ লগতে বিদ্যালয়ৰ সহপাঠ্যক্ৰমিক কাৰ্য্যাৱলীৰ অভিজ্ঞতাৰো বিশেষ প্ৰয়োজন। বিদ্যালয়ৰ সহপাঠ্যক্ৰম, সামাজীকৰণ প্ৰক্ৰিয়া আৰু অনুশাসন আদি পূৰ্ব নিৰ্ধাৰিত কাৰ্য্যসূচী যদিও ইয়াৰ সফল ৰূপায়ণত শিক্ষকৰ ভূমিকা গুৰুত্বপূৰ্ণ, বিদ্যালয়ৰ সকলো অভিজ্ঞতাই ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশত শিক্ষকৰ সহযোগতহে সম্ভৱ হৈ উঠিব পাৰে।

কিন্তু বৰ্ত্তমান আমাৰ সামাজিক ব্যৱস্থাত এজন শিক্ষকৰ গুণাগুণ নিৰ্ণয় কৰা হয় একমাত্ৰ ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ কৃতকাৰ্য্যতাৰ মাপ-কাঠিৰেহে। সেয়ে প্ৰতিজন শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ কৃতকাৰ্য্যতাৰ দায়বদ্ধতা মানি নিজৰ আঁচনি প্ৰস্তুত কৰি ল'ব লগা হয়। ইয়াৰ বাবে প্ৰতিজন শিক্ষকেই ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত পাৰ্থক্য, অভিক্ষমতা, ৰুচি, অভিৰোচন, ইচ্ছা, আগ্ৰহ, মনোযোগ স্মৰণ ক্ষমতা আৰু বৌদ্ধিক ক্ষমতাৰ বুজ ল'ব লগা হয়। শিশুৰ ব্যক্তিগত দেহ মানসিক অৱস্থাৰ বুজ ল'বলৈ হ'লে প্ৰতিজন শিক্ষকৰ শিশু মনোবিজ্ঞানৰ জ্ঞান থকাটো বাঞ্ছনীয়। ইয়াৰ উপৰিও শিক্ষকে শিক্ষণ মনোবিজ্ঞান অধ্যয়ন কৰি এই ক্ষেত্ৰত আগবাঢ়িব পাৰে আৰু কাৰ্য্যকৰীভাৱে



শিক্ষাদান কৰিব পাৰে।

শিক্ষণ-মনোবিজ্ঞানৰ সবাতোকৈ গুৰুত্বপূৰ্ণ অৱদান হৈছে শিক্ষাৰ্থীৰ অভিৰোচনৰ ধাৰণা জনাত শিক্ষকক সহায় কৰা। ইয়াৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ বয়স অনুযায়ী প্ৰয়োজন, আশা-আকাংক্ষা আৰু অভিৰোচন সম্পৰ্কে জানি শিক্ষাদান আঁচনি প্ৰস্তুত কৰিব পাৰে। তেওঁ ছাত্ৰ-ছাত্ৰীৰ মনত অভিৰোচন সৃষ্টি কৰাৰ উপৰিও পাহৰণিৰ মাত্ৰা হ্ৰাস কৰিব পাৰে, স্মৰণ ক্ষমতা বৃদ্ধি কৰিব পাৰে আৰু ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত সমস্যা সমাধানত সহায় কৰিব পাৰে। ইয়াৰদ্বাৰা ছাত্ৰ-ছাত্ৰীৰ সামাজিক সমাযোজনত সহায়ক হয়। এইখিনিতে উল্লেখযোগ্য যে এজন ছাত্ৰই যদি শ্ৰেণীৰ পাঠ গ্ৰহণত ধাৰাবাহিকভাৱে ব্যৰ্থ হয় তেন্তে সেই ছাত্ৰজনে মানসিক সংঘাতত ভোগি সামাজিক সমাযোজনত ব্যৰ্থ হয়। সেয়ে এজন শিক্ষকৰ প্ৰথম আৰু প্ৰধান কৰ্ত্তব্য হৈছে শ্ৰেণীৰ প্ৰতিটো বিষয়বস্তু সকলো ছাত্ৰ-ছাত্ৰীয়ে সমানে বুজি উঠাৰ ব্যৱস্থা কৰা। এই ক্ষেত্ৰত তেওঁ অধিক সচেতনভাৱে শিক্ষাদান দিয়াৰ উপৰিও কেতবোৰ কৌশল অৱলম্বন কৰিব পাৰে। এই কৌশলসমূহক পাঠদানৰ কৌশল হিচাপে ইয়াত উল্লেখ কৰা হ'ল-

**(১)পাঠদানত শিক্ষকৰ গতিশীলতাঃ**

শ্ৰেণীত পাঠদান কৰোঁতে শিক্ষকে নিৰ্দিষ্ট আসনত বহি বা ৰৈ নাথাকি বিভিন্ন স্থানত গৈ বা অহাযোৱা কৰি পাঠদান কৰিব লাগে। এনে কৰিলে ছাত্ৰ-ছাত্ৰী শিক্ষকৰ প্ৰত্যক্ষ সংযোগলৈ আহে আৰু বিষয়বস্তু বুজি উঠে। শিক্ষকে একে ঠাইৰপৰা শিক্ষা দিলে সন্মুখৰ একাংশ ছাত্ৰ-ছাত্ৰীৰ লগতহে শিক্ষকৰ প্ৰত্যক্ষ সংযোগ স্থাপন হয় আৰু বাকীসকল ছাত্ৰ-ছাত্ৰী অমনোযোগী হৈ উঠে। সেয়ে পাঠদান কৰোঁতে শিক্ষকে শ্ৰেণীৰ সোঁ-মাজলৈ যাব লাগে আৰু প্ৰয়োজন হ'লে শ্ৰেণীকোঠাৰ পাছফালে গৈও বুজাব লাগে। ইয়াৰদ্বাৰা শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰী বিষয়বস্তু আৰু শিক্ষকৰ সংযোগলৈ আহে।

**(২) পাঠদানৰ লগত প্ৰশ্নৰ অৱতাৰণাঃ**

পাঠদানৰ মাজত শিক্ষকে ছাত্ৰ-ছাত্ৰীক কেতবোৰ প্ৰয়োজনীয় প্ৰশ্ন কৰিব লাগে আৰু এই প্ৰশ্নবোৰ হঠাতে কৰিব লাগে। শুদ্ধ উত্তৰ দিয়াসকলক সামান্য প্ৰশংসা কৰি পুনৰ বিষয়বস্তুলৈ উভতি আহিব লাগে। শুদ্ধ উত্তৰ দিব নোৱাৰা বা মনে মনে থকা ছাত্ৰ-ছাত্ৰীক কটু সমালোচনা নকৰি সেইজন ছাত্ৰ-বা ছাত্ৰীয়ে যেন জানিও প্ৰকাশ কৰিব পৰা নাই এনে ধাৰণা দি বুজাই দিব লাগে। প্ৰশ্নৰ অৱতাৰণাৰে শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীকে বিষয়বস্তুৰ প্ৰতি মনোযোগী হৈ থকাত বাধ্য কৰিব পাৰি।

**(৩) পাঠদানত শিক্ষকৰ ভাষা আৰু কণ্ঠস্বৰঃ**

শিক্ষকে পাঠদানৰ বিষয়বস্তু সহজ সৰল ভাষাৰে বুজাব লাগে। শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে শুনাকৈ স্পষ্ট কণ্ঠস্বৰেৰে পঢ়াব লাগে। বিষয়বস্তুৰ আৰম্ভণিতে সমগ্ৰ বিষয়ৰ ধাৰণা সাৰমৰ্ম হিচাপে ছাত্ৰ-ছাত্ৰীক অৱগত কৰাৰ উপৰিও তেওঁলোকক বিষয়টো সহজ বুলি ধাৰণা দিব লাগে। বিষয়বস্তুৰ লগত এনে উদাহৰণ দাঙি ধৰিব লাগে যিয়ে ছাত্ৰ-ছাত্ৰীক বিষয়টো বুজি উঠাত সহায় কৰিব পাৰে।

**(৪) পাঠদান আৰু অনুশাসন ঃ**

পাঠদান কৰোঁতে শিক্ষকে শ্ৰেণীত অনুশাসন ৰক্ষাৰ প্ৰতিও চকু দিব লাগে। তেওঁ পাঠদান কালত প্ৰতিজন ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সৰ্তক দৃষ্টি ৰাখিব

লাগে। কোনোবা জনক অমনোযোগী যেন দেখিলে তেওঁৰ প্ৰতি দৃষ্টি ৰাখি ক্ষন্তেক বৈ পুনৰ আলোচনা আৰম্ভ কৰিব লাগে। শিক্ষকৰ সৰ্তক দৃষ্টিয়ে শ্ৰেণীত ছাত্ৰ-ছাত্ৰীক মনোযোগী কৰি ৰখাত সহায় কৰে। তথাপি কোনো কোনো ছাত্ৰ-ছাত্ৰীক শিক্ষকে থিয় কৰি গভীৰ সহানুভূতি প্ৰদৰ্শন কৰি ব্যক্তিগত অসুবিধাৰ বুজলৈ মনোযোগী কৰি তোলাৰ চেষ্টা কৰিব লাগে।

**(৫) পাঠদানৰ প্ৰভাৱ সম্পৰ্কে জ্ঞাত হোৱা উচিত ঃ**

শিক্ষকৰ পাঠদানে শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীৰ মাজত সমানে প্ৰভাৱ বিস্তাৰ কৰিছে নে নাই এই বিষয়ে শিক্ষকৰ জ্ঞান থকা উচিত। ইয়াৰ বাবে তেওঁ এটি সামান্য কৌশল অৱলম্বন কৰিলেই হয়। শিক্ষকৰ পাঠদান কালত ছাত্ৰ-ছাত্ৰীয়ে প্ৰয়োজনীয় তথ্যসমূহ নিজ টোকাবহীত টুকি লয়। শিক্ষকে শ্ৰেণীৰ ভিন ভিন স্থানৰ কেইজনমান ছাত্ৰ-ছাত্ৰীৰ টোকাবহী-সমূহ হঠাতে পৰীক্ষা কৰি চাব লাগে। বহীৰ মিল অমিলবোৰৰপৰা শিক্ষকে তেওঁৰ পাঠদানৰ প্ৰভাৱ সম্পৰ্কে জ্ঞান লাভ কৰিব আৰু সেইমতে পাঠদানৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰিব। তেওঁ ছাত্ৰ-ছাত্ৰীক একো নকৈ বহীকেইখন ফিৰাই দি পুনৰ পাঠ আৰম্ভ কৰিব লাগে।

**(৬) পাঠদান আৰু ৰসিকতা ঃ**

ৰসিকতা শিক্ষকৰ ব্যক্তিত্বৰ এটা বিশেষ গুণ বুলি ক'ব পাৰি। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে একে লেঠাৰিৰে কেইবাটাও বিষয় পাঠ গ্ৰহণ কৰিব লগা হয়। প্ৰতিটো পাঠ গ্ৰহণৰ পাছত ছাত্ৰ-ছাত্ৰীয়ে জিৰণি বিচাৰে কিন্তু আমাৰ শিক্ষা ব্যৱস্থাত প্ৰতিটো পাঠ গ্ৰহণৰ পাছত জিৰণিৰ ব্যৱস্থা নাই। সেয়ে শিক্ষকে ৰসিকতাৰে ছাত্ৰ-ছাত্ৰীৰ মন সজীৱ কৰাৰ উপৰিও পাঠগ্ৰহণৰ বাবে আগ্ৰহী কৰি তুলিব পাৰে। কিন্তু মন কৰিব লগা কথা হৈছে শিক্ষকৰ ৰসিকতা সেই দিনাৰ পাঠৰ প্ৰাসঙ্গিক হোৱা উচিত। ৰসিকতাৰে শ্ৰেণীকোঠাৰ পৰিৱেশ আনন্দপূৰ্ণ কৰি শিক্ষকৰ প্ৰতি আকৰ্ষণ বৃদ্ধি কৰিব পাৰে।

**(৭) পাঠদানৰ আগতে শ্ৰেণী কোঠা সজাই লোৱা উচিত ঃ**

শ্ৰেণী কোঠাত প্ৰৱেশ কৰি সকলো শিক্ষকেই ছাত্ৰ-ছাত্ৰী সুবিধা মতে বহিছেনে নাই লক্ষ্য কৰে আৰু শিক্ষণৰ বাবে প্ৰয়োজনীয় বস্তু সজাই লয়। এই ক্ষেত্ৰত শিক্ষকে আন এটা কথাও লক্ষ্য কৰা উচিত বুলি ভাবো। সাধাৰণতে এচাম ছাত্ৰ-ছাত্ৰী সদায় আগত বহে। বহু ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰপৰা আঁৰ হৈ থাকি পাঠ গ্ৰহণ কৰিব বিচাৰে। শিক্ষকে সামান্য এটা কৌশল কৰি পাছত বহা ছাত্ৰ-ছাত্ৰী আগলৈ আনিব লাগে আৰু এই সলনি প্ৰক্ৰিয়াৰে পাঠদান ব্যৱস্থা কৰি যাব লাগে। এই প্ৰক্ৰিয়াৰে হীনমন্যতাত ভোগা ছাত্ৰ-ছাত্ৰীৰ আত্ম বিশ্বাস গঢ়ি তুলিব পাৰি আৰু সকলো ছাত্ৰ-ছাত্ৰীৰ শিক্ষকৰ লগত সম্পৰ্ক সমান কৰিব পাৰি।

**(৮) পাঠদান আৰু ছাত্ৰ-ছাত্ৰীৰ মনোযোগ ঃ**

ছাত্ৰ-ছাত্ৰীৰ মনোযোগ অবিহনে শিক্ষণ কাৰ্য্য কেতিয়াও ফলপ্ৰসূ হ'ব নোৱাৰে। পাঠৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ মন আকৰ্ষণ কৰি লোৱাৰ পাছত হে শিক্ষকে পাঠদান আৰম্ভ কৰিব লাগে। কিন্তু দেখা যায় পাঠদান চলি থকা সময়ত পৰিৱেশীয় ভিন ভিন প্ৰভাৱে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ হানি কৰে। বাহিৰৰ হুলস্থুল, মাইকৰ প্ৰচাৰ, গাড়ীৰ শব্দ, উৰাজাহাজৰ শব্দই পাঠদানক বাধাৰ সৃষ্টি কৰে। এনে অৱস্থাত শিক্ষকে পাঠদান সাময়িকভাৱে বন্ধ কৰা উচিত আৰু পুনৰ আৰম্ভ কৰাৰ আগতে কিছু আগৰপৰা পুনৰ আলোচনাৰে পাঠদান দিব লাগে।

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীৰ গভীৰ আন্তৰিকতা আৰু বন্ধুত্বপূৰ্ণ সহযোগত শিক্ষাদান আৰু শিক্ষা গ্ৰহণ পৰিচালিত হ'লে শিক্ষাদান ফলপ্ৰসূ হয়। ইয়াৰ বাবে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উভয়ে উভয়ৰ প্ৰতি শ্ৰদ্ধা থাকিব লাগে। সাধাৰণতে কোৱা হয় 'শ্ৰদ্ধাৱান লভ্যতে জ্ঞানম্' -শ্ৰদ্ধাৰ দ্বাৰাই ছাত্ৰই জ্ঞান লাভ কৰিব পাৰে আৰু শিক্ষকৰ ক্ষেত্ৰতো কোৱা হয় 'শ্ৰদ্ধয়া দেৱম্' অৰ্থাৎ শিক্ষকেও শ্ৰদ্ধাৰে ছাত্ৰক জ্ঞান দিয়াত প্ৰবৃত হ'ব লাগে। শিক্ষাদানৰ লগত জৰিত সকলো শিক্ষকেই এই কথা ভালদৰে অনুভৱ কৰা উচিত আৰু তেওঁ জনা উচিত যে বিদ্যালয়, পাঠ্যক্ৰম আৰু সকলো শিক্ষা আঁচনি কেৱল শিক্ষাৰ্থীৰ বাবেই। এই খিনিতে আন এটা কথাও উল্লেখ কৰিব খুজিছো যে শ্ৰেণীত পাঠ্যপুথি নেমেলাকৈ পাঠদান দিব পাৰিলেই এজন আদৰ্শ শিক্ষক নহ'বও পাৰে। শিক্ষকৰ গাত এনে কিছুমান গুণ থাকিব লাগে যিবোৰ গুণে ছাত্ৰ সমাজৰ ওপৰত বিশেষ প্ৰভাৱ পেলাব পাৰে। প্ৰতিজন শিক্ষকেই কহলি নামৰ বিখ্যাত শিক্ষা বিদজনৰ মন্তব্য স্মৰণ কৰা উচিত। তেওঁৰ মতে -'A poor teacher tells an average teacher explains, a good teacher demonstrates, the great teacher impires' ছাত্ৰ-ছাত্ৰীক অনুপ্ৰাণিত কৰি এনেএক মনোভাৱ আৰু অভ্যাস গঢ়ি তুলিব লাগে যাৰ দ্বাৰা ছাত্ৰ সমাজে শিক্ষা লাভৰ উপৰিও সামাজিক, দেশপ্ৰেম আৰু নতুনত্বক গ্ৰহণ কৰিব পাৰে আৰু মানবীয় মূল্যবোধ জাগি উঠে।

০০০

*লিখা পঢ়া শিকি কেৱল নিজেই শিক্ষিত হ'লে নহ'ব, নিজে পোৱা শিক্ষাৰ মহান আদৰ্শ আনকো বিলাই দিব লাগিব।*

*- ভল্টেয়াৰ।*

# ভাৰতীয় সমাজত লিঙ্গ ভেদ
## --- অমৰ্ত সেনৰ দৃষ্টিত



ছেলিমা ছুলতানা খন্দকাৰ
অধ্যাপিকা ,অৰ্থনীতি বিভাগ

নোবেল বঁটা বিজয়ী অমৰ্ত্য সেনে ভাৰতীয় সমাজত স্ত্ৰী-জাতিৰ প্ৰতি কৰা বৈষম্যমূলক আচৰণৰ ওপৰত দৃষ্টিপাত কৰি গৱেষণাৰ সমল বিচাৰি পাইছে। এজন মানৱিক বিদ্যাৰ গৱেষক হিচাপে তেওঁ বাৰে বাৰে প্ৰমাণ কৰিব বিচাৰিছে যে ভাৰতৰ দৰে উন্নয়নশীল দেশত লিঙ্গ-ভিত্তিক বৈষম্যৰ হাৰ অত্যন্ত বেছি। উন্নত দেশ বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰ, বৃটিছ যুক্তৰাজ্য, জাৰ্মানী, জাপানত এই লিঙ্গ-ভিত্তিক বৈষম্য কমি আহিছে যদিও ভাৰত, চীন, পাকিস্তান, শ্ৰীলংকাৰ দৰে উন্নয়নশীল দেশত এই হাৰ অত্যন্ত বেছি। ইয়াৰ কাৰণ অনুসন্ধান কৰি ডঃ সেনে কেতবোৰ সামাজিক আৰু ৰাষ্ট্ৰীয় চিন্তা ভাৱনাৰ কথা উল্লেখ কৰিছে। এই সকলোবোৰ দেশত নাৰী জাতিক অযথা শোষণ কৰাৰ অন্তৰালত এটা ঐতিহাসিক সত্য লুকাই আছে। ভাৰতবৰ্ষৰ আলোচনাত আমি দেখিছো যে সকলোসময়তে এই দেশৰ নাৰী জাতিক সমাজৰ উচ্চস্তৰত এখন আসন দিয়া হৈছিল। পুৰাণৰ পাতত, ইতিহাসত এনে অনেক প্ৰাতঃস্মৰণীয়া নাৰীৰ সন্ধান পাওঁ যিয়ে পুৰুষৰ বৌদ্ধিক প্ৰাচুৰ্য্যকো ম্লান কৰি দিছিল। উদাহৰণ স্বৰূপে গাৰ্গী, আত্ৰেয়ী, মৈত্ৰেয়ীখনা আদিৰ কথাই ক'ব পাৰি। মধ্যযুগীয় ভাৰতবৰ্ষত ধাৰাবাহিক বিদেশী আক্ৰমণৰ ফলত নাৰীজাতিক অস্পৃশ্যতাৰ পাশত বন্দিনী কৰাৰ প্ৰয়োজনীয়তাই দেখা দিছিল। পাছত ৰাজা ৰামমোহন ৰায়ৰ হাতত যেতিয়া ভাৰতে নতুন যুগত প্ৰৱেশৰ চেষ্টা কৰে, নিক্ষিপ্ত আৰু বিক্ষিপ্তভাৱে বিভিন্ন ঠাইত নাৰী মুক্তি আন্দোলনৰ পদধ্বনি শুনা গৈছিল। তেতিয়াৰ সমাজৰ ভয়ংকৰ কু-প্ৰথা -বাল্য বিবাহ, বহু বিবাহ ইত্যাদিৰ বিৰুদ্ধে শানিত তৰোৱালৰ দৰে লিখনি প্ৰকাশ পাইছিল কেইবাজনো মুক্ত পুৰুষৰ কাপত। তেওঁলোকৰ কৰ্ম্মৰাজিত এই ভয়ংকৰ প্ৰথাবোৰ উচ্ছেদৰ বাবে এক প্ৰয়াসৰ আভাস আছিল। কিন্তু সমগ্ৰ ভাৰতবৰ্ষৰ জটিল, সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক পৰিমণ্ডলত এটি সামগ্ৰিক ব্যাপক গণ আন্দোলন গঢ়ি উঠিব নোৱাৰিলে; আৰু এই কাৰণেই ৰেনেছাঁৰ স্বৰ্ণযুগত সেই সময়ৰ অবিভক্ত বঙ্গদেশত নাৰী জাগৰণ ভাৰতৰ অন্যান্য অঞ্চলৰ নাৰী মুক্তিৰ ৰূপ আছিল সম্পূৰ্ণ বিপৰীত। সেয়ে যেতিয়া বঙ্গ নাৰীয়ে ইংৰাজী শিক্ষাৰ আলোকেৰে উদ্ভাসিত হৈছে তেতিয়াও বিহাৰৰ গাঁৱৰ অধিকাংশ নাৰীৰ বাবে সামান্য স্বাক্ষৰ জ্ঞানকো ঈশ্বৰৰ অভিসম্পাত ৰূপে চিহ্নিত হৈছে। এই বৈসাদৃশ্য ক্ৰমাগতভাৱে বৃদ্ধি হৈ থাকে। স্বাধীনতাৰ পৰৱৰ্ত্তী কালত চৰকাৰী আৰু বেচৰকাৰী একাধিক সমাজ সেৱামূলক প্ৰকল্পৰ সাৰ্থক ৰূপায়ন থকা সত্বেও আজি একৈশ শতিকাৰ প্ৰাক লগ্নতো ভাৰতীয় নাৰী জাতিয়ে যে নিজৰ বন্দিনী অৱস্থাৰপৰা মুক্ত হ'ব পাৰিছে তাক আমি কোনোপধ্যেই ডাঠি ক'ব নোৱাৰো। যদিওবা ভাৰতবৰ্ষই উপহাৰ দিছে দেশৰ অন্যতম প্ৰভাৱশালী মহিলা প্ৰধানমন্ত্ৰীক, যদিওবা বহু ভাৰতীয় মহিলা উচ্চশিক্ষাৰ বাবে বিদেশলৈ গৈছে, অনেকেই দক্ষতাৰ পৰিচয়ো দিছে, তথাপিও ভাৰতীয় নাৰীৰ জীৱন যাত্ৰাৰ মানদণ্ডৰ এই পৰ্যন্ত কোনো উল্লেখযোগ্য পৰিৱৰ্তন হোৱা নাই। ডঃ সেনে ভাৱে যে যিহেতু সমাজত নাৰী আৰু পুৰুষৰ অনুপাত প্ৰায় সমান সমান, সেয়ে কোনো জাতিৰ সামগ্ৰিক উন্নয়নৰ বাবে নাৰী আৰু পুৰুষ দুয়ো আগুৱাই যাব লাগিব। অন্যথাই উন্নয়নৰ সঠিক ঠিকনা নাইকিয়া হ'ব।

আমাৰ দেশৰ জনসংখ্যাৰ বৈশিষ্ট্যত লিঙ্গগত অনুপাত অৰ্থাৎ নাৰী আৰু পুৰুষৰ সংখ্যাৰ অনুপাতৰ নিয়মিত হ্ৰাস হোৱাৰপৰাই বুজা যায় যে এই দেশত কেনেকৈ সুপৰিকল্পিতভাৱে শিশু কন্যা ভ্ৰূণক হত্যা কৰা হয়। এই শতিকাৰসকলো সময়তে নাৰী পুৰুষৰ অনুপাত একৰ তলত শতাব্দীৰ আৰম্ভণীত আছিল ০.৬৭২ আৰু ১৯৯১ চনত আছিল ০.৯৬২।

ভাৰতত নাৰী পুৰুষৰ অনুপাত কম হোৱাৰ বিষয়টোক জন্মগত অনুপাতৰ পাৰ্থক্যৰদ্বাৰাই যে ব্যাখ্যা কৰিব নোৱাৰি তাক আঙুলিয়াই দিছে প্ৰচিন সমাজতাত্বিক পণ্ডিত সকলে। মৃত্যুহাৰৰ পাৰ্থক্যতেই ইয়াৰ কাৰণ লুকাই আছে যেন লাগে। ভাৰত পৃথিৱীৰ সেই মুষ্টিমেয় ব্যতিক্ৰমী দেশবোৰৰ অন্যতম, য'ত জন্মৰ সময়তেই ল'ৰাতকৈ ছোৱালীৰ আয়ুস কম থাকে। ত্ৰিশৰ ওচৰা-ওচৰি সময় পৰ্য্যন্ত ছোৱালীৰ বয়সভিত্তিক মৃত্যুৰ হাৰ ল'ৰাতকৈ যথেষ্ট বেছি। ভাৰতৰ ৰেজিষ্টাৰ জেনেৰেল আৰু ছেন্‌ছাৰ কমিছনাৰ পদ্মনাভে ছোৱালীৰ মৃত্যুহাৰৰ আধিক্য আৰু নাৰী-পুৰুষৰ অনুপাতৰ হাৰ সম্পৰ্কে এনেদৰে ভাৱে, পুত্ৰ সন্তানৰ কাৰণে অধিক আকাংখা থকাৰ বাবেই শিশু কন্যাসকল অবেহেলিত হয়, কিছুমান ক্ষেত্ৰত মাতৃয়ে নাৰীক বিশেষ বাছি লয়, শিশুৰ মাতৃৰ মৃত্যুৰ হাৰ উচ্চতৰ হয়। তেওঁ ইয়াকো কৈছে যে পুত্ৰ সন্তানৰ প্ৰতি থকা তীব্ৰতৰ আকাংখাই শিশু কন্যা আৰু বালিকাসকলৰ প্ৰতি কৰা ইচ্ছাকৃত অৱহেলাৰ প্ৰত্যক্ষ প্ৰমাণ পোৱা যায় অৰ্থনৈতিক

অবক্ষয়ৰ মুহূৰ্ত্তত। অপুষ্টিকৰ কথা এই প্ৰসঙ্গতে উনুকিয়াব পাৰি। ১৯৭৮ চনত বানপানীৰ পিছত পশ্চিমবঙ্গৰ বহু ভিতৰুৱা গাঁৱত সৃষ্টি হোৱা অৰ্থনৈতিক দুৰৱস্থাৰ সময়তেই প্ৰমাণিত হ'ল যে শিশু কন্যা সন্তানসকলক শিশু পুত্ৰ সন্তানতকৈ বেছিকৈ এই অপুষ্টিৰ বলি হয়। শিশু কন্যা সন্তানৰ প্ৰতি কৰা অৱহেলাৰ প্ৰসঙ্গটি এতিয়াও অনিশ্চিত আৰু এই বিষয়ে অধিক গৱেষণাৰ প্ৰয়োজন আছে এইয়া ডঃ সেনৰ মন্তব্য। তেওঁ ইয়াকো কৈছে যে আমি এতিয়াও এগৰাকী কন্যা সন্তানক প্ৰতিবন্ধকতা বা বোজা ৰূপে ভাৱো বাবেই তাইৰ সৰ্বাঙ্গীন উন্নতিৰ প্ৰতি আমি উদাসীন আৰু যিহেতু ভাৰতত কায়িক শ্ৰম অৰ্থ উপাৰ্জনৰ এটি প্ৰধান মাধ্যম হিচাপে গণ্য কৰা হয়। সেয়ে পুৰুষ এজনে কায়িক শ্ৰমেৰে অৰ্থোপাৰ্জন কৰিব, এই ধাৰণাৰ বশৱৰ্ত্তী হৈয়েই আমি স্বভাৱগতভাৱে শিশু পুত্ৰৰ প্ৰতি অতিমাত্ৰায় যত্নশীল হৈ পৰোঁ।

চিকিৎসাৰ ক্ষেত্ৰত থকা আনুপাতিক বৈষম্যৰ চিত্ৰ ভাৰতৰ সকলোতে কম বেছি পৰিমাণে প্ৰযোজ্য। মহিলাতকৈ পুৰুষসকলেই চিকিৎসাৰ সুবিধা বেছিকৈ লাভ কৰে, ইয়াক প্ৰমাণিত কৰিছে চিকিৎসালয়বোৰত পোৱা পৰিসংখ্যাই। আনকি যি বোম্বাই চহৰক সকলো ভাৰতীয় চহৰতকৈ উন্নত বুলি ধৰা হয় সেই বোম্বাইতেই এই বৈষম্য আমাৰ চকুত পৰিছে। বিগত কেইবছৰমান ধৰি বোম্বাই চহৰত নাৰীৰ মৃত্যুৰ হাৰ কমি গৈছে। ই এটি তাৎপৰ্য্যপূৰ্ণ ঘটনা। কিন্তু ভাৰতৰ অন্যান্য ঠাইতো এই ঘটনা ঘটিছে বুলি ডঃ সেনে অকণো বিশ্বাস নকৰে।

কলিকতা মহানগৰীক লৈ এটি সমীক্ষাত শাৰীৰিক অৱস্থাৰ সাপেক্ষে লিঙ্গ-ভিত্তিক অসাম্য বিষয়টো বিবেচনা কৰা হয়। তদুপলক্ষে তথ্য সংগ্ৰ কৰা হৈছে কলিকতাৰ নগৰ উন্নয়ন পৰিষদৰপৰা সেই তথ্যৰপৰা আমি বুজিব পাৰো যে ইয়াতে বৈষম্যৰ হাৰ থাকি গৈছে। ১৯৪৪-১৯৭৯ চন অন্তৰ্বতী চাৰে তিনি দশকত কলিকতাৰ মানুহ ৰাজনৈতিক সচেতনতা বৃদ্ধি পোৱাত আৰু নাৰী সত্ত্বাৰ অধিকতৰ স্বীকৃতি হোৱাত এই বৈষম্যৰ হা ক্ৰমশঃ কমি আহিছে আৰু অদূৰ ভৱিষ্যতে যে সি একেবাৰেই নিঃচিহ্ন হৈ যাব তাৰ ঈঙ্গিতো আমি পাইছোঁ।

এইবাৰ অহা যাওঁক লিঙ্গ-ভিত্তিক আয় অসামঞ্জস্যৰ বিষয়ে। এনেকুৱাও দেখা যায়, ভাৰতত এজন পুৰুষ শ্ৰমিকে যি পৰিমাণ বেতন পায়, এগৰাকী স্ত্ৰী শ্ৰমিকে সেই পৰিমাণৰ বেতন নেপায়। ইয়াৰ অন্তৰালত বহুতো কাৰণ আছে। আমি কৈ থাকো যে এজন পুৰুষ শ্ৰমিকৰদ্বাৰা যি কায়িক শ্ৰম সম্ভৱ, এগৰাকী স্ত্ৰী শ্ৰমিকৰদ্বাৰা সি সম্ভৱ নহয়। তদুপৰি পুৰুষ শ্ৰমিক অধিকতৰ মানসিক বুদ্ধি বৃত্তিৰ অধিকাৰী, স্ত্ৰী শ্ৰমিক তাৰ সমকক্ষ কোনো দিনেই হ'ব নোৱাৰে। ইয়াৰ বাহিৰেও আছে কামৰ প্ৰতি একাগ্ৰতা বা নিয়মানুবৰ্তিতা আদিৰ ক্ষেত্ৰতো হয়তো পুৰুষ শ্ৰমিক স্ত্ৰী শ্ৰমিকতকৈ বেছি আগ্ৰহী। কিন্তু বিভিন্ন আলোচনাৰ মাধ্যমত যি সত্যটি আমাৰ সন্মুখত উদ্ভাসিত হৈছে সি একেবাৰেই বিপৰীত। এনেকুৱা বহুত কাম আছে য'ত কায়িক পৰিশ্ৰমৰ লগে লগে মানসিকতাৰ গুণবোধ আৰু সেৱাধৰ্মৰ উপস্থিতি থকা প্ৰয়োজন। তেনে ক্ষেত্ৰত মহিলা শ্ৰমিকে পুৰুষ শ্ৰমিকতকৈ অধিক সূচাৰুভাৱে সেই কাম সম্পাদন কৰিব পাৰে। সেয়ে



আমি কেতিয়াও এই কথা নকওঁ যে বুদ্ধি বৃত্তি বিকাশৰ ক্ষেত্ৰত মহিলা শ্ৰমিক পুৰুষ শ্ৰমিকতকৈও অধিক পাৰদৰ্শী হ'ব নোৱাৰে বুলি। বুদ্ধিবৃত্তিৰ বিকাশ কোনো এজন মানুহৰ পাৰিপাৰ্শ্বিক আৰু নিজস্ব ধ্যান-ধাৰণাৰ ওপৰত নিৰ্ভৰশীল, যৌক্তিকতাৰ ওপৰত কেতিয়াও নহয়।

তৃতীয় যি ক্ষেত্ৰৰ কথা কোৱা হয়, তাতো ক'ব পাৰি যে নিয়মানুবৰ্তিতা, কামৰ প্ৰতি আসক্তি আৰু নৈতিকতাৰ আদৰ্শৰ ক্ষেত্ৰত এতিয়াও মহিলা সকল পুৰুষতকৈ আগুৱাই আছে। সেয়ে আমি কিয় কেতবোৰ কুসংস্কাৰাচ্ছন্ন ঐতিহ্যৰ অনুগামী হৈ এগৰাকী স্ত্ৰী শ্ৰমিকক পুৰুষ শ্ৰমিকতকৈ বেছিকৈ শোষণ কৰিম আৰু এনেভাৱেই জনগোষ্ঠীৰ এক বিশাল অংশক অন্ধকাৰত অন্তৰ্লীন কৰিম?

নাৰীজাতিক ধাৰাবাহিক শোষণৰ উপত্যকাৰপৰা উদ্ধাৰ নকৰিলে যে দেশৰ সামগ্ৰিক পৰিৱৰ্ত্তন অসম্ভৱ তাক আজি সকলোৱে অনুধাৱন কৰিব পাৰিছে। সেয়ে ডঃ সেনৰ মতানুযায়ী যদি ভাৰতীয় সভ্যতা আৰু সংস্কৃতিক এটি সাৰ্বজনীন ৰূপৰেখা দিবলগীয়া হয়, যদি ইয়াৰ অৰ্থনীতিক সফল, গতিশীল অবাধ আৰু মুক্ত স্বাধীন বিশ্বজনীন কৰিব লাগে তেন্তে নাৰী আৰু পুৰুষৰ মাজত থকা এই বৈষম্য অচিৰেই উৎখাত কৰিব লাগিব। এনে স্থলত এজন শ্ৰমিকৰ পাৰিশ্ৰমিক নিৰ্ণয় কৰা হ'ব তেওঁৰ দক্ষতা অনুযায়ী, লিঙ্গৰ ওপৰত ভিত্তি কৰি কেতিয়াও নহয়।

**(সহায় লৈ)**

০০০

যিজনে সুবিধা পালেই পৰনিন্দা, পৰচৰ্চাত মতলীয়া হয়। সেইজন লোক বাস্তৱিকতে ফেটি সাপতকৈ কোনো গুণেই কম নহয়।

- চান্দোগ্য উপনিষদ।

# অসমৰ শৈক্ষিক সমস্যাসমূহ

শ্ৰীগৌতম মেধি
স্নাতক ২য় বৰ্ষ

অসম উত্তৰ পূৰ্বাঞ্চলৰ এখন লেখত-ল'বলগীয়া ৰাজ্য। এই ৰাজ্য প্ৰাকৃতিক সম্পদৰ ফালৰ পৰা যথেষ্ট চহকী। অসমৰ চাৰিওদিশে ঘন অৰণ্য আৰু পাহাৰ-পৰ্বতে আগুৰি থকা বাবে ইয়াত প্ৰকৃতিৰ এক মনোৰম সৌন্দৰ্য্য বিৰাজ কৰে। সেয়ে ইয়ালৈ প্ৰতি বছৰে বহু বিদেশী পৰ্যটকৰো আগমণ ঘটে। প্ৰকৃতিয়ে অসমক বিশ্বৰ দৰবাৰত এখন সুন্দৰ ঠাই হিচাপে পৰিচয় কৰাই দিছে।

প্ৰকৃতিয়ে অসমক সকলো ঠিকভাবেই দিছে। কিন্তু উপযুক্ত শিক্ষাৰ অভাৱত ইয়াৰ সু-ব্যৱহাৰ কৰিব পৰা হোৱা নাই। ভাৰতবৰ্ষৰ আন আন ৰাজ্যবোৰৰ তুলনাত অসম এতিয়াও বহু পিচপৰি আছে। কিছু পৰিমাণে বিকাশ হৈছে যদিও সেই গতি একেবাৰে মন্থৰ। এই মন্থৰ গতিৰ বাবে আমি ঘাইকৈ অসমৰ শিক্ষা ব্যৱস্থাকে জগৰীয়া কৰিব লাগিব।

বৰ্তমান অসমৰ শৈক্ষিক পৰিবেশ বহু দোষ-ত্ৰুটিৰে ভৰি পৰিছে। সেই সমূহ চিনাক্ত কৰি তাৰ সমাধানৰ উপায় নিৰ্ধাৰণ কৰাটো সকলোৰে বাবে অতি আৱশ্যকীয় হৈ পৰিছে। অসমৰ শৈক্ষিক সমস্যা বুলিলে আমি যিখিনি কথা আঙুলিয়াই দিব পাৰো সেই সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা হ'ল-

শিক্ষা ব্যৱস্থা এটাৰ লগত মুখ্যভাৱে জড়িত হৈ থাকে স্কুল সমূহ। সেইকাৰণে প্ৰথমে আমি স্কুল সমূহৰ কথাকে ক'ব পাৰো। অসমৰ শিক্ষাৰ দুৰৱস্থাৰ কথা স্কুল সমূহেই আমাক দেখুৱাই দিয়ে। স্কুলৰ জৰাজীৰ্ণ ৰূপ, শিক্ষা সঁজুলিৰ অভাব ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি আদিয়ে স্কুল সমূহৰ দুৰ্বল দিশটোৰ সাক্ষী দিয়ে। এনে স্কুল প্ৰাথমিক পৰ্য্যায়ত যথেষ্ট বেছি। মনোবৈজ্ঞানীক দৃষ্টিকোণৰ ফালৰ পৰা উপযুক্ত শিক্ষাৰ বাবে স্কুলত বা শিক্ষানুষ্ঠানত এক সুস্থ পৰিবেশৰ অতি প্ৰয়োজন কিন্তু স্কুলৰ এনে পুতৌলগা অৱস্থাত ছাত্ৰ-ছাত্ৰীয়ে উপযুক্ত শিক্ষা লাভ কৰাটো নিশ্চয় আশা কৰিব নোৱাৰি। প্ৰাথমিক স্তৰতে শিক্ষাৰ ভেটি স্থাপিত হয়। কিন্তু এনে দুৰ্বল শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক ভৱিষ্যতলৈ মানসিকভাৱে সমস্যাগ্ৰস্তহে কৰি তোলাৰ আশংকা থাকে।

শিক্ষাৰ আন এটা সমস্যা হৈছে উপযুক্ত পাঠ্যপুথিৰ অভাৱ। শিক্ষাৰ্থীৰ প্ৰয়োজনৰ সময়ত বজাৰত পাঠ্যপুথি বিচাৰি নোপোৱাটো এটা ডাঙৰ সমস্যা। পুথিবোৰ সময়মতে প্ৰকাশিত নোহোৱা বাবে শিক্ষাৰ্থী সকলে পৰীক্ষাৰ বাবে সম্পূৰ্ণৰূপে প্ৰস্তুত হোৱাৰ সুবিধা নাপায়। তাৰোপৰি পাঠ্যপুথিত থকা বানানৰ ভুলেও ছাত্ৰ-ছাত্ৰীক সুশিক্ষাত বাধা দিয়ে।

শিক্ষাৰ সমস্যাত শিক্ষক সকলো যথেষ্ট পৰিমাণে দায়ী। বিশেষকৈ ভিতৰুৱা অঞ্চলৰ স্কুল সমূহত শিক্ষকে শিক্ষাদান কাৰ্য্যত প্ৰায়েই অনিয়মীয়া হোৱা দেখা যায়। আজিও শিক্ষকে শ্ৰেণীত পাঠদান নকৰি শুই থকাৰ তথ্য পোৱা যায়। শিক্ষক হৈছে আদৰ্শবান ব্যক্তি। তেঁৱেই যদি নিজ কৰ্তব্যক অৱহেলা কৰে তেন্তে ছাত্ৰই কি শিক্ষা গ্ৰহণ কৰিব? ইয়াৰ ফলত ছাত্ৰৰ উপস্থিতি অনিয়মীয়া হয় আৰু আধৰুৱা শিক্ষাৰে পৰীক্ষাত বিফলতা প্ৰদৰ্শন কৰে। এনেদৰে প্ৰতি বছৰে বহু ল'ৰা-ছোৱালীয়ে আধাতে শিক্ষাজীৱনৰ অন্ত পেলাইছে। তাৰোপৰি শিক্ষাত যি কৰ্ম অভিজ্ঞতাৰ ব্যৱস্থা কৰা হৈছে সেয়াও শুদ্ধভাৱে পৰিচালিত হোৱা নাই। বজাৰৰ পৰা সামগ্ৰী কিনি আনি স্কুলত জমা দিলেই নম্বৰ দিয়াৰ ব্যৱস্থা হৈছে। এনে হ'লে কৰ্ম অভিজ্ঞতাৰ কোনো অৰ্থই নাথাকিল। ইয়াৰ বাহিৰেও স্কুলৰ নামত চৰকাৰৰ ফালৰ পৰা যিবোৰ সা-সঁজুলি আৰু অন্যান্য সামগ্ৰী আহে সেইবোৰো শিক্ষকসকলৰ ঘৰতহে পোৱা যায়।

অৱশ্যে পোনপটীয়াকৈ আমি শিক্ষক সকলকে দোষী কৰিলে নহ'ব। অভিভাৱকসকল এই ক্ষেত্ৰত কিমান সচেতন সেয়াও চিন্তা কৰি চাবলগীয়া। উপযুক্ত শিক্ষাৰ বাবে শিক্ষক আৰু অভিভাৱকসকলৰ মাজত এক সু-সম্পৰ্ক থকা উচিত। কিন্তু বিশেষকৈ গাঁও অঞ্চলৰ মাক-দেউতাকে ল'ৰা-ছোৱালী স্কুলত নামভৰ্ত্তি কৰাই দিয়াতে তেওঁলোকৰ দায়িত্ব শেষ বুলি ভাবে। শিক্ষকে কি পঢ়াইছে, ছাত্ৰই কি পঢ়িছে বা শিকিছে এইবোৰ কথা ভাবিবলৈ তেওঁলোকৰ সময়ৰ অভাব হয়। অভিভাৱকসকলৰ নিৰক্ষৰতাও ইয়াৰ বাবে প্ৰধানকৈ দায়ী। অসমৰ সৰহ সংখ্যক অভিভাৱকেই অৰ্দ্ধশিক্ষিত প্ৰায়ভাগেই নিৰক্ষৰ আৰু শৈক্ষিক দিশৰ প্ৰতি সচেতন নহয়। তেওঁলোকে নিজ নিজ দৰিদ্ৰতাৰ লগত যুঁজ দিয়াত অধিক ব্যস্ত থাকে।

অসমৰ শৈক্ষিক সমস্যাৰ বাবে অধিক পৰিমাণে দায়ী হ'ল ইয়াৰ নিয়োগ ব্যৱস্থাটো। অসমৰ শিক্ষক নিযুক্তিৰ বিষয়টো এতিয়া ভাবিব নোৱাৰাকৈ দুৰ্নীতিগ্ৰস্ত হৈ পৰিছে। অতীততে শিক্ষা আৰু শিক্ষকৰ যি মানদণ্ড আছিল সেয়া এতিয়া নাই। শিক্ষকৰ চাকৰি বজাৰৰ সামগ্ৰীৰ দৰে হৈ পৰিছে। ইয়াত ৫০/৬০ হাজাৰ বা তাতোকৈ বেছিকৈ মূল্য নিৰ্দ্ধাৰণ কৰা থাকে। এই মূল্য দি চাকৰি ক্ৰয় কৰিব পাৰি। টকা থাকিলে চাকৰি প্ৰাৰ্থীজনৰ কোনো অৰ্হতাৰ প্ৰশ্ন নাহে। অসমৰ স্কুল আজি এনেধৰণৰ শিক্ষকেৰে ভৰি পৰিছে। তেওঁলোকে ল'ৰা ছোৱালীক কেনে শিক্ষা দিছে সেইটো নিশ্চয় বহলাই লিখাৰ প্ৰয়োজন নাই। ইয়াৰ দ্বাৰা শিক্ষকৰ ভাবমূৰ্ত্তি বিনষ্ট হোৱাটো পৰিলক্ষিত হয়। তাৰোপৰি দলীয় প্ৰভাবেও এই দিশত অৰিহণা যোগাই আহিছে। অসমত যিটো দলৰে চৰকাৰ থাকে সেই দলৰ মানুহখিনিয়েই শিক্ষকৰ চাকৰি পায়। লগতে শিক্ষকৰ পদমৰ্যদাৰ প্ৰতি কোনো গুৰুত্ব দিয়া নহয়। এখন চৰকাৰে যিসকলক চাকৰি দি গ'ল পিছৰ চৰকাৰখনে তেওঁলোকৰ চাকৰি অবৈধ হিচাপে ঘোষণা কৰিব পাৰে বা দৰমহা বন্ধ কৰিব পাৰে।

অসমত শিক্ষকে দৰমহা নোপোৱাটো এটা সহজ কথা হৈ পৰিছে। নিজৰ ঘৰ পৰিবাৰ চলাব নোৱাৰি শিক্ষকে আত্মহত্যা পৰ্যন্ত কৰাৰ বাতৰি পোৱা গৈছে। প্ৰায়েই শিক্ষকসকলে অনশন, ধৰ্মঘট আদি কৰিবলগীয়া হয়। তাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল বিশেষভাৱে ক্ষতিগ্ৰস্ত হয়। শিক্ষকসকলেও মানসিকভাবে ভাগি পৰাৰ ফলত শিক্ষাদানৰ

প্ৰয়োজনীয় উৎসাহ হেৰুৱায়। শিক্ষক সকলে দৰমহা নোপোৱাৰো এটা কাৰণ আছে। এই চাকৰিত ইমান বেছি মানুহ মকৰল কৰা হৈছে যে, দৰমহাৰ হিচাপ-নিকাচত খেলিমেলিৰ সৃষ্টি হৈছে। কোনো কোনো স্কুলত ছাত্ৰতকৈ শিক্ষকৰ সংখ্যাহে অধিক হোৱা দেখা যায়। তাৰোপৰি এই ক্ষেত্ৰত চৰকাৰৰো বহু দোষ আছে। চৰকাৰৰ দুনীতিৰ বাবেই এই খেলি-মেলিবোৰৰ সৃষ্টি হৈছে।

এইবোৰৰ পৰা কিছু ফালৰি কাটি আমি যদি আনটো দিশ অৰ্থাৎ পাঠ্যক্ৰম সম্পৰ্কে দৃষ্টি দিওঁ তেন্তে তাতো বহু দোষ-ত্ৰুটি দেখিবলৈ পাম। আমাৰ পাঠ্যক্ৰমখন হৈ পৰিছে সম্পূৰ্ণৰূপে পৰীক্ষাকেন্দ্ৰীক। কেইটামান নিৰ্দিষ্ট প্ৰশ্নৰ উত্তৰ কৰিয়ে ছাত্ৰ সকলে প্ৰতিবছৰে নিজৰ জ্ঞানৰ বা শিক্ষাৰ ফলাফল প্ৰদৰ্শন কৰিছে। ইয়াৰ ফলত বিষয়বস্তুৰ অন্তৰ্নিহিত কথা কোনোৱে বুজিবলৈ চেষ্টা নকৰে, মাথো পৰীক্ষাটো যেনেতেনে পাছ কৰি যাব পাৰিলেই ৰক্ষা পৰা বুলি ভাবি লয়। লগতে বিষয়বস্তুসমূহ ইমান বাস্তৱ বিমুখী যে, সেই জ্ঞানেৰে বাস্তৱ বা ব্যৱহাৰিক জীৱনৰ কোনো এটা সমস্যা সহজতে সমাধান কৰিব পৰা নাযায়। এইটো শিক্ষা ব্যৱস্থাটোৰ এক ডাঙৰ দুৰ্বলতা বুলি ক'ব পাৰি। এই পৰীক্ষাকেন্দ্ৰিকতাৰ বাবেই বহু ছাত্ৰ ছাত্ৰীয়ে প্ৰায়েই নকলৰ আশ্ৰয় লয়। ইয়াৰ দ্বাৰা তেওঁলোকে পৰীক্ষা পাছ কৰি যাব পাৰে কিন্তু জ্ঞানৰ পৰিমাণ শূন্যৰ ঘৰতেই থাকিব। এনেদৰে শিক্ষিত নাম পোৱা লোকে সমাজখনক লাহে লাহে দূষিত কৰি পেলাইছে। বাস্তৱ আৰু ব্যৱহাৰিক জ্ঞানৰ অভাৱত অসমৰ নৱ-প্ৰজন্মই মাথো এটা চৰকাৰী চাকৰিৰ বাবে সদায় হাত পাতি ৰৈ থাকে। কিন্তু চাকৰিৰ অবিহনেও যে, জীৱনত আৰু বহু কিবা কৰিব পাৰি সেই শিক্ষা আমাক পাঠ্যক্ৰমখনে সঠিকভাৱে দিব পৰা নাই। ইয়াৰ ফলত অসমত আজি নিবনুৱাৰ সংখ্যা দ্ৰুত গতিত বাঢ়ি গৈ আছে। কলেজ আৰু বিশ্ববিদ্যালয়বোৰক আমি এতিয়া 'নিবনুৱা কাৰখানা' বুলি অভিহীত কৰিব পাৰো।

অসমৰ শিক্ষাক আন কিছুমান কাৰকে যথেষ্ট ক্ষতিগ্ৰস্ত কৰিছে - সেয়া হ'ল সঘনাই পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ সাল-সলনি কৰি থকা। এইটোৱে শিক্ষা ব্যৱস্থাটোক বাৰুকৈয়ে প্ৰভাৱিত কৰিছে। তাৰোপৰি প্ৰায়ে আমি পৰীক্ষাৰ বহী নিৰীক্ষণৰ খেলি-মেলিৰ কথা বাতৰি কাকতত পাওঁ। ইয়াৰ বাবে বহু ছাত্ৰ-ছাত্ৰীৰ জীৱনলৈ অনাহকত অন্ধকাৰ নামি আহে। প্ৰায়বোৰ ছাত্ৰ-ছাত্ৰীয়ে (বিশেষকৈ ল'ৰা) ইয়াক সহ্য কৰিব নোৱাৰি বিভিন্ন অপৰাধমূলক কাৰ্য্যত জড়িত হৈ পৰে।

আজিৰ একবিংশ শতিকাৰ দূৱাৰদলিত অসম বিজ্ঞানৰ ক্ষেত্ৰত যথেষ্ট পিচপৰি আছে। এতিয়াও বহু কু-সংস্কাৰ, অন্ধবিশ্বাসে আমাৰ সমাজখন আৱৰি আছে। শিক্ষাত বিজ্ঞানৰ প্ৰয়োগ কৰি মানুহৰ মনৰ পৰা সেইবোৰ দূৰ কৰিবলৈ কোনোৱে সক্ৰিয় ভাৱে আগবাঢ়ি অহা নাই। আজিৰ 'কম্পিউটাৰৰ' যুগত স্কুলবোৰ (প্ৰায়) বিজ্ঞানৰ কিছুমান সাধাৰণ সঁজুলিৰ পৰাই অৱহেলিত হৈ আছে। এনে হোৱাৰ ফলত অসমৰ শিক্ষা পিচপৰি থকাটো স্বাভাৱিক। এইবোৰৰ লগতে ইয়াৰ আন এটা দুৰ্বল দিশ হ'ল 'বন্ধ সংস্কৃতি'। অসমৰ বিভিন্ন ৰাজনৈতিক দল, প্ৰভাৱ গোষ্ঠী, উগ্ৰপন্থী সংগঠন আদিয়ে প্ৰায়ে নিজৰ প্ৰভাৱ প্ৰদৰ্শন কৰিবৰ বাবে 'অসম বন্ধ' আহ্বান কৰে। ই এক সংস্কৃতিৰ দৰে হৈ পৰিছে। ইয়াৰ দ্বাৰা বিশেষকৈ শিক্ষা ব্যৱস্থাটো ক্ষতিগ্ৰস্ত হৈছে। তাৰোপৰি স্কুল-কলেজত চৰকাৰী বন্ধৰ দিনো অধিক হোৱা দেখা যায়। লগতে অসমত আন এটা সমস্যাই সকলো দিশ প্ৰভাৱিত কৰিছে, সেইটো হ'ল 'উগ্ৰপন্থী সমস্যা'। উগ্ৰপন্থী সকলৰ বিভিন্ন কূটাঘাতমূলক কাৰ্য্য আৰু তাৰ লগতে সামৰিক-অৰ্দ্ধ সামৰিক বাহিনীৰ অভিযান, যুদ্ধ-বিগ্ৰহ আদিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মন ভাৰাক্ৰান্ত কৰি তুলিছে।

এইবোৰ কথাৰ বিশ্লেষণৰ পৰা আমি বুজিব পাৰো যে, অসমৰ শিক্ষাত বহুখিনি সমস্যা আছে। এই প্ৰসংগতে আৰু দুটামান কথা আমি বিবেচনা কৰি চাব পাৰো, সেয়া হ'ল -- ছাত্ৰ-ছাত্ৰীৰ মাজত অত্যাধিক 'টিউচনৰ' প্ৰভাৱ আৰু ইংৰাজী মাধ্যমৰ সৰু সৰু বিদ্যালয়সমূহ। প্ৰথমতে, টিউচনৰ কথাটোলৈ লক্ষ্য কৰিলে দেখা যায় ছাত্ৰ আৰু অভিভাৱকসকলে টিউচন নহ'লে পৰীক্ষাত উত্তীৰ্ণ হোৱাটো অসম্ভৱ বুলি ভাবি লৈছে। ই বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক মাৰাত্মক সংক্ৰামক ৰাধিৰূপে বিয়পি পৰিছে। ইআনুষ্ঠানিক শিক্ষাক অৱনতি কৰাৰ এক অন্যতম কাৰক হিচাপে চিহ্নিত কৰিব পাৰি। ই একেবাৰে বেয়া কথা হৈছে। প্ৰথম শ্ৰেণীৰ ছাত্ৰ এজনৰ বাবেও টিউচন অপৰিহাৰ্য্য হৈ পৰিছে। ইয়াৰ বাবে য'তে-ত'তে বহু পেচাদাৰী শিক্ষকৰ সৃষ্টি হৈছে। আনকি স্কুল কলেজত শিক্ষকেও নিজৰ 'শ্ৰেণী' ক্ষতি কৰি হ'লেও ঘৰত টিউচন কৰাত ব্যস্ত থাকে। ছাত্ৰ-ছাত্ৰীয়েও 'টিউচন' আৰু 'কমন' (অৰ্থাৎ ব্যক্তিগত শিক্ষকে পৰীক্ষাৰ বাবে বাচি দিয়া সম্ভাব্য প্ৰশ্নোত্তৰ) এই দুইটাৰ বাবে শ্ৰেণী ক্ষতি কৰে। শেষত শ্ৰেণী আৰু টিউচন এই দুইটাৰ মাজত সংগতি ৰক্ষা কৰিব নোৱাৰি পৰীক্ষাত অনুত্তীৰ্ণ হয়।

আন এটা সমস্যা হ'ল বৰ্তমান প্ৰায় সকলো ঠাইতে কাঠফুলাৰ দৰে গঢ়ি উঠা ইংৰাজী মাধ্যমৰ বিদ্যালয়বোৰ। এইবোৰে সমাজত শিক্ষাৰ বৈষম্য সৃষ্টি কৰাৰ লগতে ক্ৰমান্বয়ে অসমীয়া মাধ্যমৰ বিদ্যালয়বোৰৰ মানদণ্ড নিম্নগামী কৰিছে। এই বিদ্যালয়সমূহে শিক্ষা ব্যৱস্থাটোত এক বিশৃংখল পৰিৱেশৰ সৃষ্টি কৰিছে বুলি ভাবিব পাৰি।

এইবোৰৰ উপৰিও অন্যান্য সমস্যা কেতবোৰ হ'ল, যেনে- প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ, অনিয়মীয়া স্কুল পৰিদৰ্শন ব্যৱস্থা, শিক্ষা বিভাগৰ ধনৰ অপপ্ৰয়োগ ইত্যাদি। এই অন্যান্য সমস্যাৰ ভিতৰতে আমি ভুল শিক্ষাদান পদ্ধতিৰ কথাটো উল্লেখ কৰিব পাৰো। উদাহৰণস্বৰূপে, ইংৰাজী ভাষা, শিক্ষাৰ সকলোতে গুৰুত্ব সহকাৰে বিবেচনা কৰা হৈছে আৰু শিকোৱা হৈছে। কিন্তু ছাত্ৰ-ছাত্ৰীয়ে সদায় ইংৰাজী বিষয়টোতে অধিক দুৰ্বলতা প্ৰকাশ কৰে। এই প্ৰসংগত ক'ব পাৰো যে, আমাক ইংৰাজী শিকোৱা পদ্ধতিটো শুদ্ধ হোৱা নাই। এটা ভাষা ভালকৈ শিকিবৰ বাবে সদায় সেই ভাষাৰ ব্যাকৰণখন আগতীয়াকৈ শিকি ল'ব লাগে। কিন্তু ছাত্ৰ-ছাত্ৰীক বৰ্ণমালাৰ শিক্ষা দিয়াৰ পিছতেই 'Lession' পঢ়োৱাৰ আৰম্ভ কৰা হয়। ব্যাকৰণক বহু কম গুৰুত্ব দিয়া হৈছে। ইয়াক আমাৰ ইংৰাজী ভাষাৰ দুৰ্বলতাৰ এটা বিশেষ কাৰণ বুলি ভাবিব পাৰো। ইংৰাজী ভাষা শিকোৱাৰ ক্ষেত্ৰতহে যে ভুল হৈছে এনে নহয়, অন্যান্য বিষয়ৰ ক্ষেত্ৰটো এনে দুৰ্বলতা পৰিলক্ষিত হয়।

অসমৰ শৈক্ষিক সমস্যাৰ বিষয়ে আলোচনা কৰি থাকিলে আৰু বহু তথ্য ওলাব। কিন্তু সকলো কথা এই প্ৰৱন্ধত প্ৰকাশ কৰাটো সম্ভৱ নহ'ব। অৱশ্যে সকলো কথা পুংখানুপুংখকৈ আলোচনা-সমালোচনা কৰিবলৈ হ'লে ব্যাপক অধ্যয়ন আৰু গৱেষণাৰ প্ৰয়োজন হ'ব। কিন্তু আমাৰ বাবে ইমানখিনি কৰাটো সম্ভৱ নহ'ব।

এতিয়া 'অসমৰ শৈক্ষিক সমস্যা' সমূহৰ

সমাধানৰ বাবে নিম্নোক্ত কথাকেইটা আমি বিবেচনা কৰি চাব লাগিব --

(ক) প্ৰথমতেই এই দিশত জনমত আৰু জন-জাগৰণৰ প্ৰয়োজন হ'ব।

(খ) সম্পূৰ্ণ শিক্ষা ব্যৱস্থাটো দুৰ্নীতিমুক্ত আৰু নিকা কৰি তুলিব লাগিব।

(গ) উপযুক্ত শিক্ষকৰ নিযুক্তি, শিক্ষক প্ৰশিক্ষণ, স্কুল পৰিদৰ্শন আদিৰ ক্ষেত্ৰত চৰকাৰ সজাগ হ'ব লাগিব।

(ঘ) শিক্ষাক বৃত্তিমুখী কৰি তুলি নৱ প্ৰজন্মক স্বাৱলম্বীতাৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব।

(ঙ) শিক্ষকৰ মানদণ্ড উন্নত কৰি পৰীক্ষা ব্যৱস্থা সংশোধন কৰি লগতে শিক্ষাদানৰ ক্ষেত্ৰত বিজ্ঞানৰ সহায় ল'ব লাগে।

(চ) শিক্ষকৰ সমস্যা সমূহ দূৰ কৰি তেওঁলোকৰ পদমৰ্য্যাদা উন্নত কৰি তুলিব লাগে।

(ছ) শিক্ষাৰ পৰা ৰাজনীতিক দূৰত ৰাখিব লাগে, অনৰ্থক 'বন্ধ' বোৰৰ পৰা শিক্ষাক মুক্ত কৰিব লাগে।

(জ) উগ্ৰপন্থী সমস্যাৰ শান্তিপূৰ্ণ সমাধান হ'ব লাগে।

(ঝ) শিক্ষক-অভিভাৱক আৰু ছাত্ৰৰ মাজত সু-সম্পৰ্ক স্থাপন হ'ব লাগে।

(ঞ) টিউচনৰ সফলতা বা বিফলতা সম্পৰ্কে সজাগতা আৰু ইংৰাজী মাধ্যমৰ আৰু অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ মাজত সংগতি স্থাপন কৰিব লাগে।

গতিকে অসমৰ শিক্ষাৰ বিভিন্ন সমস্যাসমূহ চালিজাৰি চাই তাৰ সমাধানৰ বাবে সকলো যেতিয়া সজাগ আৰু সচেতন হ'ব তেতিয়াহে ইয়াৰ সঠিক সমাধানৰ পথ ওলাব। সকলো কথাতে চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰি থকাতকৈ জনসাধাৰণৰ সজাগতাতহে এখন গণতান্ত্ৰিক দেশ বা ৰাজ্যৰ বিকাশ নিৰ্ভৰ কৰিব।

০০০

> ***ঈশ্বৰৰ প্ৰাৰ্থনা কৰিবলৈ শিকা। সত্যই হে মানুহক মহৎ আৰু সম্ভ্ৰান্ত কৰে।***
>
> ***- ড° বাণীকান্ত কাকতি।***



# মহাকবি কালিদাস

শ্ৰীৰংমলা ৰায়
অধ্যাপিকা সংস্কৃত বিভাগ

মহাকবি কালিদাসে তেওঁৰ অমৰ সৃষ্টিৰদ্বাৰা সংস্কৃত সাহিত্যক এটা সন্মান জনক প্ৰতিষ্ঠা দি থৈ গৈছে। বিশ্বসাহিত্যৰ দুৱাৰত একমনত বহাৰ যোগ্যতা প্ৰধানতঃ কালিদাসৰ সাহিত্যকীৰ্তিৰদ্বাৰাই অৰ্জিত হৈছে বুলি ক'ব পাৰি। এই গৰাকী মহাকবিয়ে তেওঁৰ নিজৰ জীৱন সম্বন্ধে একো উল্লেখ কৰি থৈ যোৱা নাই। জন্মভূমি, আবিৰ্ভাবকাল, পাৰিবাৰিক জীৱন ইত্যাদি সম্বন্ধে তেওঁ এটা বাক্যত উচ্চাৰণ কৰি থৈ যোৱা নাই। তেওঁৰ এই নীৰৱতাই একাধিক নীৰৱতাৰ জন্ম দিছে। কালিদাসক লৈ প্ৰচলিত অতি প্ৰসিদ্ধ কিছুমান কাহিনী আছে।

কোনো এগৰাকী বিদুষী মহিলাই পণ কৰিছিল যে যিয়ে তেওঁৰ তিনিটা প্ৰশ্নৰ উত্তৰ দিব পাৰিব তাকেই তেওঁ পতিৰূপে বৰণ কৰিব। বহুতো পণ্ডিত আহিল কিন্তু তেওঁৰ প্ৰশ্নৰ সমাধান কৰিব নোৱাৰিলে। বিফলমনোৰথলৈ তেওঁলোকে মন্ত্ৰণা কৰিলে যে এই অভিমানিনীক এটা গোমূৰ্খৰ লগত বিয়াদি তাইক উচিত শিকনি দিব। তেনেকুৱা মূৰ্খক বিচাৰি ফুৰিলে আৰু এদিনাখন তেওঁলোকে দেখিলে যে এক মহামূৰ্খ গছৰ ডালত বহি গছৰ গুৰি কাটি আছে। তেওঁলোকে স্থিৰ কৰিলে যে ইয়াতকৈ মূৰ্খ আৰু নাই। সেই বিদুষীৰ ওচৰলৈ তেওঁক লৈ গ'ল। ৰাজকন্যাই মুখেৰে একো নামাতি সংকেতত এটা আঙুলি দেখুৱালে তাৰ উত্তৰত মূৰ্খই দুটা আঙুলি দেখুৱালে। তাৰ পাছত ৰাজকন্যাই তিনিটা আঙুলি দেখুৱালে তাৰ উত্তৰত মূৰ্খই চাৰিটা আঙুলি প্ৰদৰ্শন কৰিলে। অৱশেষত ৰাজকন্যাই পাঁচটা আঙুলি দেখুৱালে। মূৰ্খই ভাৱিলে ৰাজকন্যাই তাক থাপ্পৰ দেখুৱাইছে আৰু লগে লগে তেওঁ ঘুচা দেখুৱাই দিলে। প্ৰশ্নৰ তাৎপৰ্য্য বা উত্তৰৰ সাৰমৰ্ম যিয়েই নহওক কিয়, ৰাজকন্যাই স্বীকাৰ কৰিলে যে তেওঁ পৰাজিত হৈছে। মহাসমাৰোহেৰে ৰাজকন্যাৰ বিয়া হ'ল সেই মহামূৰ্খৰ লগত। পণ্ডিত সকলৰ আশাও পূৰণ হ'ল।

বাসৰ গৃহত স্বামী-স্ত্ৰীয়ে কথা পাতি আছে। এনে সময়ত বাহিৰত উটৰ মাত শুনা গ'ল। স্ত্ৰীয়ে প্ৰশ্ন কৰিলে কিহে মাতিছে? স্বামীয়ে উত্তৰ দিলে "উষ্ট"। পিছত সংশোধন কৰি কলে-"উট্ৰ"। স্ত্ৰীৰ বুজিবলৈ বাকী নেথাকিলে যে নৱবিবাহিত মানুহজন একেবাৰে মূৰ্খ। ক্ষোভ আৰু দুঃখত সেই মুহূৰ্ত্ততে তেওঁক উলিয়াই দিলে। প্ৰাণ ত্যাগৰ ইচ্ছাত সেইমূৰ্খ গৈ পানীত জাপ মাৰিলে। এনে সময়তে দেৱী সৰস্বতীয়ে তাক বৰ দিলে যে তেওঁ এই পৃথিৱীত অদ্বিতীয় কবি হ'ব আৰু তাক প্ৰাণত্যাগৰপৰা বচালে। তাৰ পাছত তেওঁ উভতি গৈ স্ত্ৰীৰ লগত

দেখা কৰিলে আৰু কলে- 'অস্তি কশ্চিদ্ বাক্ বিশেষঃ'। স্বামীৰ মুখত বিশুদ্ধ সংস্কৃত শুনি স্ত্ৰী আচৰিত হ'ল। পৰবৰ্ত্তী কালত এই তিনিটা শব্দদি তেওঁ আৰম্ভ কৰিছিল তিনিটা অত্যুত্তম সংস্কৃত কাব্য। "অস্তি" দি লিখিছিল "কুমাৰ সম্ভৱ", "কশ্চিদ্" দি "মেঘদূত" আৰু "বাক্" দি ৰচনা কৰিছিল "ৰঘুবংশম্"। এই মূৰ্খই যিয়ে সৰস্বতীৰ বৰ লাভ কৰি হৈছিল মহাকবি, আমাৰ কবি কালিদাস। তেওঁৰ নামত এনেকুৱা আৰু বহুতো কাহিনী আছে।

কৰ্ণাট ৰাজমহিষী খুব বিদুষী আৰু লগতে পাণ্ডিত্যভিমানিনীও আছিল। সমসাময়িক কবিসকলৰ মাজত তাৰ প্ৰশংসাবাণী খুব অভিলাষৰ বিষয় আছিল। এবাৰ কালিদাসে তেওঁ লিখা কাব্যসমূহ ৰাজমহিষীলৈ পঠালে, উদ্দেশ্য আছিল সেইগৰাকী ৰাজমহিষীৰ পৰা কোনো প্ৰশংসাসূচক অভিমত পাব বুলি। কিন্তু পাণ্ডিত্য গৰ্বিতা সেই মহিষী কালিদাসৰ কাব্যবিলাক নপঢ়ি অত্যন্ত অৱমাননাৰ সৈতে এটা মন্তব্য লিখি পঠালে।

মন্তব্যটো হ'ল-

"ব্ৰহ্মোহম্ভুজলিনাং অতশ্চ পুলিনাৎ বল্মীকাতশ্চাপৰ
স্তে সৰ্বে কবয়স্ত্ৰিজগত গুৰৱস্তেভ্যো নমস্কুৰ্মহে।
অৰ্ব্বাঞ্চো যদি গদ্য পদ্যৰ চণৈশ্চেত চমৎকুৰ্বতে।
তেষাং মূৰ্দ্ধি দধামি বামচৰণং কৰ্ণাট ৰাজপ্ৰিয়া।।

অৰ্থ হ'ল - "বেদকৰ্তা ব্ৰহ্মা, মহাভাৰতকাৰ ব্যাসদেৱ আৰু ৰামায়ণকাৰ বাল্মিকী এই তিনিজনক মই কবি বুলি ভাৱো আৰু প্ৰণাম কৰো। এই তিনিজনক বাদদি যিসকলে গদ্যপদ্য ৰচনা কৰি কবিত্ব প্ৰকাশ কৰিবলৈ বিচাৰে সিহঁতৰ মূৰত মই বাওঁ ভৰিৰে লাথ মাৰো"। কিন্তু পৰবৰ্ত্তী কালত কৰ্ণাট ৰাজমহিষীয়ে কালিদাসৰ কাব্যবিলাক পঢ়ি যৎপৰোনাস্তি আনন্দিত হয় আৰু কালিদাসক মহাসমাৰোহেৰে ৰাজপ্ৰাসাদলৈ লৈ আহে। সেই মন্তব্যটো পুনৰায় লিখি কালিদাসৰ পদধূলি মূৰতলৈ তেওঁৰ কৃতকৰ্মৰ প্ৰায়শ্চিত্ত কৰিলে। চতুৰ্থ চৰণৰ অন্বয় পৰিবৰ্তন কৰি অৰ্থ এইদৰে কৰিলে-"মই তিনিগৰাকী কবিক বাদদি আজি কালি যিসকলে কাব্যাদি ৰচনা কৰি মানুহক চমৎকৃত কৰে সিহঁতৰ বাওঁভৰি মোৰ মূৰত ৰাখোঁ"।

আন এটা প্ৰবাদ আছে যে হিংসলৰ ৰজা কুমাৰদাসে কালিদাসৰ চিতাত আৰোহণ কৰি স্বেচ্ছাই মৃত্যু বৰণ কৰে। ৰজা কুমাৰদাসে তাৰ ৰক্ষিতাৰ ঘৰৰ বেৰত "কমলে কমলোৎপত্তিশ্ৰুয়তে নতু দৃশ্যতে"- এই পংক্তি লিখি কয় যে যিয়ে ইয়াৰ অসমাপ্ত অৰ্দ্ধাংশ পূৰণ কৰিব পাৰিব তাক তেওঁ প্ৰচুৰ পুৰস্কাৰ প্ৰদান কৰিব। ঘটনাক্ৰমে পংক্তিটো কালিদাসৰ চকুত পৰিল আৰু লগে লগেই কলে- "তব মুখাম্ভোজে দৃষ্টিমিন্দীবৰদ্বয়ম্"- এই পংক্তি লিখি শ্লোকটোৰ সম্পূৰ্ণতা আনি দিয়ে। ৰক্ষিতাই নিজৰ ৰচনা বুলি ৰজাক পুৰস্কাৰ দাবি কৰিবৰ আশাত কালিদাসক হত্যা কৰে। ৰজাই তেওঁৰ ৰক্ষিতাৰ অপকৰ্ম ধৰিব পাৰিলে আৰু বীষণ্ন মনেৰে কালিদাসৰ চিতাত আত্ম বিসৰ্জন দিলে।

এইগৰাকী মহাকবিৰ জন্মভূমি আৰু আবিৰ্ভাবকাল লৈ যে কেনেকুৱা বাদানুবাদ চলি আহিছে তাৰ প্ৰকৃষ্ট প্ৰমাণ ৰবীন্দ্ৰ নাথৰ উক্তিতেই পোৱা যায়-

'হায়ৰে কবে কেটে গেছে কালিদাসৰ কাল
পতিতেৰা বিবাদ কৰে লৈয়ে তাৰিখ সাল"।

প্ৰকৃতিৰ পূজাৰী কালিদাস। তেওঁৰ যি কোনো কাব্য নাটকতেই প্ৰকৃতিৰ লগত মানৱজীৱনৰ অত্যন্ত ঘনিষ্ঠতাৰ পৰিচয় পোৱা যায় 'ঋতুসংহাৰ', 'ৰঘুবংশ', 'কুমাৰ সম্ভৱ', 'মেঘদূত', 'বিক্ৰমোৰ্ৱশীয়', অভিজ্ঞান শকুন্তলা- এই সকলোবোৰ কাব্য নাটকতে তেওঁৰ প্ৰকৃতি প্ৰেমৰ, প্ৰকৃতিৰ লগত মানৱজীৱনৰ অত্যন্ত ঘনিষ্ঠতাৰ পৰিচয় পোৱা যায়। ৰবীন্দ্ৰ নাথ ঠাকুৰে তেওঁৰ প্ৰাচীন সাহিত্যৰ "শকুন্তলা" নামৰ প্ৰবন্ধত এইদৰে কৈছে - "অভিজ্ঞান- শকুন্তলা নাটকে অণসূয়া-প্ৰিয়ংবদা খেমন, দুষ্যন্ত খেমন, তপোবন প্ৰকৃতিও তেমনি একজন বিশেষ পাত্ৰ।..... প্ৰকৃতিকে মানুষ কৰিয়া তুলিয়া তাহাৰ মুখে কথা-বাৰ্তা বসাইয়া ৰূপক নাট্য ৰচিত হতে পাৰে, কিন্তু প্ৰকৃতিকে প্ৰকৃত ৰাখিয়া তাহাকে এমন সজীৱ, এমন প্ৰত্যক্ষ, এমন ব্যাপক, এমন অন্তৰংগ কৰিয়া তোলা, তাহাৰ দ্বাৰা নাটকেৰ এত কাৰ্য্য সাধন কৰাইয়া লওয়া, এতো অন্যত্ৰ দেখি নাই।"

অকল প্ৰকৃতিৰ লগত যে তেওঁৰ সম্বন্ধ আছিল এনে নহয় ভাৰতীয় দৰ্শনৰ লগতো তেওঁৰ ঘনিষ্ঠ সম্বন্ধ আছিল। সাংখ্য দৰ্শনত পুৰুষ-প্ৰকৃতি, সত্ত্বাদিৰ কথা বহু ঠাইত উল্লেখ কৰিছে। চিত্ৰাংকণ বিদ্যাও কালিদাসৰ অধিগত আছিল। অভিজ্ঞান-শকুন্তলা নাটকৰ ষষ্ঠ অংকত ৰজা দুষ্যন্তই আঁকা মালিনী নদীৰ পাৰত ঋষিকন্বৰ আশ্ৰমৰ এখন চিত্ৰৰ যি বৰ্ণনা আছে তাত ৰেখাৰ মাধ্যমত লাৱণ্যৰ প্ৰকাশ পাইছে। এইজনা মহাকবি ছন্দবিষয়তো পাৰ্গত আছিল। ভাৱৰ লগত ছন্দৰ মিল সংস্কৃত সাহিত্যত বৰ বেছি নাই। মেঘদূত কাব্যত যক্ষৰ বিৰহত তেওঁ মন্দাক্ৰান্তা ছন্দৰ প্ৰয়োগ কৰিছে। যি মন্দাক্ৰান্তাৰ যতি বিৰহীৰ দীৰ্ঘ নিশ্বাসৰ লগত তুলনা কৰিছে। মানৱচৰিত্ৰ অনুধাৱনত কালিদাসৰ সমান কবি নাই। অন্তৰ্জগতক তেওঁ যেন প্ৰত্যক্ষ দেখিছিল। এই প্ৰত্যক্ষ দৰ্শন আৰু আলোক সামান্যই নতুন নতুন উন্মেষশালী প্ৰতিভাৰ সঙ্গমেই সৃষ্টি হৈছে। কালিদাসৰ অনুপম সাহিত্য সম্ভাৰ ভাৰতীয় পণ্ডিতসকলে কালিদাসক উপমাৰ কবি বুলি কৈছে-"উপমা কালিদাসস্য।"

বৈদৰ্ভীৰীতি হ'ল সকলো গুণৰ সমাহাৰ। কালিদাসে এই ৰীতিতেই কাব্যাদি ৰচনা কৰিছে। কোৱা আছে বাল্মীকি বৈদৰ্ভীৰ জন্ম দিয়ে, ব্যাসে তাক লীলাময়ী কৰি তোলে আৰু বৈদৰ্ভী কালিদাসক পতিৰূপে বৰণ কৰে।

"বাল্মীকেৰজনী প্ৰকাশিত গুণ ব্যাসেন লীলাৱতী
বৈদৰ্ভী কবিতা স্বয়ংবৃতবতী শ্ৰীকালিদাসং বৰম্।।"

প্ৰকৃত পক্ষে কালিদাসৰ হাতৰ স্পৰ্শ য'ত লাগিছে সেয়াই অনুপম হৈ উঠিছে।

মহাকবি কালিদাসৰ নাম ভূৱন বিখ্যাত। তেওঁক ভাৰতীয় কালিদাস বুলি ক'লে অপমান কৰা হয়। কি স্বদেশী, কি বিদেশী যিয়ে এবাৰ কালিদাসৰ মৌসনা অমূল্য কবিতাৰাজি পাঠ কৰিছে তেওঁ মুক্ত কণ্ঠে জাতিভেদ পাহৰি "আমাৰ কালিদাস" বুলি তেওঁৰ প্ৰতি প্ৰীতি প্ৰকাশ কৰিবলৈ ত্ৰুটি কৰা নাই। সুন্দৰ বসন্ত কালৰ উপবন যেনেকৈ স্বভাৱতে মধুৰ, কালিদাসৰ কাব্য যেন সেই তেনেকৈ স্বভাৱতে মধুৰ, যি মাধুৰ্য্যত শৰীৰ পুলকিত হয়, মন আনন্দিত হয়। ৰবীন্দ্ৰ- নাথ ঠাকুৰে তেওঁৰ চৈতালী কাব্যত কালিদাসৰ অমৰত্বৰ বিষয়ে এইদৰে কৈছে-

"মানসকৈলাস শৃঙ্গে নিৰ্জন ভুৱনে
ছিলে তুমি মহেশেৰ মন্দিৰ প্ৰাঙ্গণে
তাঁহাৰ আপন কবি, কবি কালিদাস।
নীলকণ্ঠদ্যুতিসম স্নিগ্ধনীল-ভাস
চিৰস্থিৰ আষাঢ়েৰ ঘন মেঘদলে,
জ্যোতিৰ্ময় সপ্তৰ্ষিৰ তপোলোকতলে
আজিও মানসধামে কৰিছ বসতি
চিৰদিনৰ সেথা ওহে কবিপতি,
শংকৰ ৰচিত গাণে ভৰিয়াভুৱন।
মাজেহতে উজ্জয়িণী ৰাজনিকেতন,
নৃপতি বিক্ৰমাদিত্য, নৱৰত্ন সভা,
কোথাহতে দেখাদিল স্বপ্নক্ষণ-প্ৰভা।
সে স্বপ্নমিলায়ে গেল, সে বিপুলচ্ছবি,
ৰহিলে মানসলোকে তুমি চিৰ কবি।"

০০০

## জনতাৰ শিল্পী

# বিষ্ণু প্ৰসাদ ৰাভা




শ্ৰীগিৰীশ ডেকা
উঃ মাঃ দ্বিতীয় বৰ্ষ


ভাঙ্ ভাঙ্ ভাঙ্ ভাঙ্
লোহাৰ শিকলি ভাঙ্ ।
ছিঙ্ ছিঙ্ ছিঙ্ ছিঙ্
দাসৰ বান্দোন ছিঙ্
খোল্ খোল্ খোল্ খোল্
কাৰাৰ "ফাটক" খোল্ ।

বিপ্লৱী বনাম জনতাৰ শিল্পী গৰাকীয়ে হ'ল বিষ্ণু প্ৰসাদ ৰাভা । বিষ্ণু প্ৰসাদ ৰাভা এটা যেন নাম নহয় এক কালজয়ী ইতিহাস ।

গোপাল চন্দ্ৰ ৰাভাই সামৰিক বিভাগত চাকৰি কৰিছিল । সেয়ে তেওঁক এঠাইৰপৰা আন ঠাইলৈ বদলি কৰিছিল । ১৯০৭ চনত গোপাল চন্দ্ৰ ৰাভাক ঢাকালৈ বদলি কৰা হ'ল । আৰু ঢাকা চহৰতে ১৯০৯ চনৰ ৩০ জানুৱাৰী তাৰিখে বিষ্ণু প্ৰসাদ ৰাভাৰ জন্ম হয় । ঢাকা চহৰতে বিষ্ণু প্ৰসাদ ৰাভাই শৈশৱৰ সাতোটি বছৰ অতিবাহিত কৰে । বিষ্ণু প্ৰসাদ ৰাভাই বিভিন্ন খেল ধেমালিত অংশ গ্ৰহণ কৰাৰ লগতে পিতাকৰ মুখৰপৰা কীৰ্ত্তনৰ সাধুবোৰ শুনিছিল । সংগীতৰ প্ৰতি আগ্ৰহ থকা দেখি ঢাকাৰ বিখ্যাত সঙ্গীতজ্ঞ মোতি মিঞা, ওস্তাদ কালাচান্দ আৰু পালিকা জানবিবি আদিক বিষ্ণু ৰাভাক সংগীত শিকাবলৈ গৃহ শিক্ষক হিচাপে নিযুক্তি দিছিল ।

১৯১৭ চনত পিতাকৰ মৃত্যুৰ পাছত তেওঁলোক তেজপুৰলৈ আহে আৰু তেজপুৰ চৰকাৰী হাইস্কুলত ভৰ্ত্তি হয় । ইয়াৰ আগতে ৰাভাদেৱে ঢাকাতেই প্ৰাথমিক শিক্ষা লাভ কৰিছিল । ১৯২৬ চনত তেজপুৰ চৰকাৰী হাইস্কুলৰপৰা পৰীক্ষা দি দৰং জিলাৰ ভিতৰত প্ৰথম স্থান লাভ কৰি ৰাভাই "কুইন এমপ্ৰেছ" পদক লাভ কৰে ।

উচ্চ শিক্ষা লাভ কৰিবলৈ বিষ্ণু প্ৰসাদ ৰাভাই কলিকতালৈ যায় আৰু তাৰ চেন্টপ'ল কলেজৰ বিজ্ঞান শাখাত ভৰ্তি হয় । সেই কলেজৰপৰাই তেওঁ ১৯২৮ চনত প্ৰথম বিভাগত আই এছ চি পৰীক্ষাত উত্তীৰ্ণ হয় । ইয়াৰ পাছত পদাৰ্থ বিজ্ঞানত সন্মান সহ তেওঁ ৰিপন কলেজৰ বি এছ চি শ্ৰেণীত নাম ভৰ্ত্তি হয় । তাত এবছৰ পঢ়ি তাৰপৰা সেই কলেজ ত্যাগ কৰি কোচ বিহাৰলৈ আহে আৰু কোচ বিহাৰৰ ভিক্টোৰীয়া কলেজত ইংৰাজী বিষয়ত সন্মান সহ বি এ শ্ৰেণীত ভৰ্ত্তি হয় । কিছু ৰাজনৈতিক হুলস্থুলৰ কাৰণে তেওঁ তাৰপৰা আহি ৰংপুৰৰ কাৰ-মাইকেল কলেজত ভৰ্ত্তি হয় । এই কলেজৰপৰা বি, এ ৰ বাছনি পৰীক্ষাত সৰ্ব্বোচ্চ নম্বৰ পাই ৰাভাদেৱ উত্তীৰ্ণ হৈছিল । কিন্তু সেই সময়ত দেশৰ ঠায়ে ঠায়ে অস্ত্ৰাগাৰ লুণ্ঠনৰ নিচিনা সন্ত্ৰাসবাদ কাৰ্য্যবোৰ ঘটিছিল । এনেবোৰ কাৰ্য্যৰ লগত ৰাভাও জড়িত বুলি পুলিচে সন্দেহ কৰি তেওঁৰ ওপৰত নানা ধৰণৰ জুলুম চলালে। এইবোৰৰ কাৰণে তেওঁৰ মন ভাঙি গ'ল আৰু পৰীক্ষা দিব নোৱাৰিলে । সেয়েহে শিক্ষা জীৱনৰ ইমানতে সামৰণি মাৰি তেওঁ দেশৰ মুক্তি-আন্দোলনত জপিয়াই পৰিল ।

আন্দোলনৰ জুই যেতিয়া ৰাভাদেৱৰ গাত লাগিছিল তেওঁ তেতিয়া থিৰেৰে থাকিব নোৱাৰিলে। তেওঁ অকলে কোচ বিহাৰৰ ভিক্টোৰীয়া কলেজ, জেনকিন্স হাইস্কুল, ৰাজ প্ৰাসাদৰ সন্মুখত আৰু ৰিজেন্ট হাট্ চিন চন চাহাবৰ বঙলাৰ মুখতে ত্ৰিৰঙ্গা পতাকা উত্তোলন কৰে । অকল এয়ে নহয়, কিছুদিনৰ পাছত ৰাভাই ৰাজ প্ৰাসাদৰ প্ৰধান দুৱাৰত এখন প্ৰাচীৰ পত্ৰ লিখিলে । তাত তেওঁ লিখিছিল-

"ৰাজ্য আছে দুইটি পাঠা,
একটি কালো, একটি সাদা ।
ৰাজ্যেৰ যদি মঙ্গল চাওঁ
দুইটি পাঠাই বলি দাওঁ ।"

১৯৪৮ চনৰপৰা ১৯৫২ চনলৈকে চৰকাৰৰ চকুত ধূলিদি পলাতক হৈ ৰাভাদেৱে জনতাৰ মাজত কাম কৰি গ'ল । এই অজ্ঞাতবাসৰ কাল ছোৱাতে ৰাভাই অসমৰ শদিয়াৰপৰা ধুবুৰীলৈকে নানা হাবি বননিৰ মাজত লুকাই ফুৰি দেশৰ দৰিদ্ৰ জনগণৰ মুক্তিৰ হকে কাম কৰি ফুৰিছিল । ১৯৫২ চনত তেওঁক গ্ৰেপ্তাৰ কৰা হ'ল যদিও প্ৰমাণৰ অভাৱত ১ বছৰৰ মূৰত তেওঁক মুক্তি দিয়ে । ১৯৬২ চনত চীন ভাৰতৰ যুদ্ধৰ সময়ত তেওঁক গ্ৰেপ্তাৰ কৰি কাৰাগাৰত ৰাখে আৰু ১৯৬৩ চনৰ ২৪ আগষ্টৰ দিনাহে তেওঁক কাৰাগাৰৰপৰা মুক্তি দিয়া হয় ।

ৰাভাদেৱ আছিল অতিশয় অধ্যয়ন পুষ্টলোক । ভাৰতৰ মুক্তি সংগ্ৰাম আৰু শেষৰ ফালে দৰিদ্ৰ জনগণৰ মুক্তিৰ কাৰণে সংগ্ৰাম কৰিবলগীয়া হোৱা বাবে ৰাভাদেৱৰ জীৱনত শান্তি আৰু জিৰণি নাছিল । সাহিত্য সেৱাৰ কাৰণে যেনে পৰিৱেশৰ প্ৰয়োজন ৰাভাদেৱে জীৱনত তেনে পৰিৱেশ কেতিয়াও নাপালে । তথাপি টৌতে খৰ মাৰি তেওঁ যি সাহিত্য সৃষ্টি কৰিছিল, সেয়ে তেওঁক এজন সুসাহিত্যিকৰূপে প্ৰতিষ্ঠা কৰিছে।

ৰাভাদেৱৰ তথ্য মূলক ৰচনাৰ ভিতৰত "বৃহত্তম অসমৰ পৰিকল্পনা", "শ্ৰীশ্ৰী শংকৰদেৱ বৰ গায়ন", "অসমীয়া কৃষ্টিৰ চমু আভাস", "অসমীয়া কৃষ্টি", "ৰাভা জাতিৰ ইতিহাস", "বড়ো জাতিৰ ইতিহাস", "ডিমাছা কছাৰীৰ বুৰঞ্জী", "মিছিং কনেং", "বড়ো কৃষ্টি" আদিয়ে প্ৰধান । "সোন পাই" তেওঁ ৰচনা কৰা এখন উপাদেয় গল্পৰ পুথি । "মুক্তি দেউল" নামৰ এখনি গীতি নৃত্য নাটিকাও তেওঁ ৰচনা কৰিছিল । পুলিচৰ চকুত ধূলি দি ফুৰিব লগীয়া অৱস্থাত ৰাভাদেৱৰ বহু মূল্যবান সাহিত্য কৰ্ম হেৰাল ।

গীতিকাৰ হিচাপে ৰাভাদেৱে এখন সন্মানীয় আসন লাভ কৰি আছে । তেওঁ গীতবোৰত কিমান শুৱলা শব্দ ব্যৱহাৰ কৰিছিল তাৰ প্ৰমাণ তলৰ গীতটোৰপৰা পাব পাৰি ঃ-

"সুৰৰে দেউলৰে
ৰূপৰে শিকলি
ভাঙি দিলি খুলি
দুৱাৰ সোঁনোৱালী
পূজাৰীঅ' পূজাৰীঅ'
সুন্দৰৰ পূজাৰীঅ' !!

যাউতিযুগীয়া
বৰগীত অমিয়া
বনগীত সুৱীয়া
গোৱা অসমীয়া
প্ৰাণ মন ভৰি ।।"

ৰাভাদেৱৰ গদ্যও কবিতাৰ দৰে কোমল আৰু মনোমাহা। "অসমীয়া কৃষ্টিৰ চমু আভাস" নাম প্ৰৱন্ধটিত সেই গদ্যৰ সুন্দৰ আভাস পোৱা যায়। প্ৰকৃত সংস্কৃতি যে অৱহেলিত, নিষ্পেষিত গাঁওবাসীৰ মাজত হে জীয়াই আছে সেই কথা বিশ্বাস কৰি তেওঁ লিখিছিল, অসমীয়া কৃষ্টি সংস্কৃতি আৰু সভ্যতা, নিৰ্য্যাতিত, নিষ্পেষিত, দুখীয়া গাঁৱলীয়া কৃষক বনুৱা অসমীয়াইহে আজিও অবহেলিতভাৱে জীয়াই ৰাখিব পাৰিছে, যিবিলাকেৰে আজিও আমি গৌৰৱ কৰিব পাৰো, অসমীয়া বুলি জগতত চিনাকি দিব পাৰে। সাহিত্যৰ মাজেৰে তেওঁ অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত সমন্বয় স্থাপন কৰিবলৈ যত্ন কৰিছিল। সেয়ে তেওঁ লিখিছিল-

"জাগিব লাগিব তই কছাৰী মিকিৰ,
খাছী, ৰাভা, গাৰো, মিৰিকুকি নগাবীৰ
খামটি, মিচিমি, আৰব, লালুং লুচাই
চিংফৌ, চিনটেং, মনিপুৰী, টাই,
টিপ্ৰা, ডিমাছা, আঁকা, ডফলা ককাই
চুটীয়া, দেউৰী, টোটোলা, কোঁচ হাজং বৰাহী
জাগিব লাগিব তাই জাগ
লচোঁ আগ ভাগ,
পাতিব লাগিব নৱমেল,
জাগ ট্ৰাইবেল ।

বিষ্ণু ৰাভাদেৱে যদি আনএকো নকৰি অকল সাহিত্য সেৱাত আত্মনিয়োগ কৰিলেহেঁতেন, তেওঁ নিশ্চয় অসম তথা ভাৰতৰ এজন বিখ্যাত সাহিত্যিক হৈ পৰিলেহেঁতেন ।

বিষ্ণু প্ৰসাদ ৰাভাদেৱ আছিল এজন বিখ্যাত নৃত্য শিল্পী আৰু নৃত্য বিশাৰদ ১৯৩৭ চনত "প্ৰচীন কামৰূপী নৃত্য সংঘই" কলিকতাৰ বিখ্যাত "গ্লোৱ থিয়েটাৰত" নৃত্য প্ৰদৰ্শন কৰিছিল । আধুনিক নৃত্যতো ৰাভাদেৱ সমানে পাৰদৰ্শী আছিল । "বৰদৈচিলা, বৰদৈচিলা, ৰঙালি বিহুৰে বাতৰি দিলা", "ৰংকিনিবা কোনে" আদি গীত নৃত্যত অংশ গ্ৰহণ কৰি ৰাভাদেৱে দৰ্শকক আমোদ দিব পাৰিছিল।

কম বয়সতে ৰাভাদেৱে নাটকত অভিনয় কৰাৰ সুযোগ পাইছিল । তেওঁ ঢাকাত থাকোতেই "হৰি–শ্চন্দ্ৰ" নাটকত শিৱ চৰিত্ৰ ৰুহিতেশ্বৰৰ অংশত অভিনয় কৰাৰ সুযোগ পাইছিল । তেজপুৰৰ বিখ্যাত বানষ্টেজ'ত অভিনীত হোৱা "কাৰাগাৰ", "নাদিৰছাহ", "ছিৰাজ", "কিয়", "ভোগজৰা", "শকুনিৰ প্ৰতিশোধ", "এমুঠি চাউল" আদি নাটকত অভিনয় কৰি ৰাইজৰপৰা ভূয়সী প্ৰশংসা পাইছিল ।

বিষ্ণু প্ৰসাদ ৰাভাৰ সাংসাৰিক জীৱন বৰ শান্তি পূৰ্ণ নাছিল । গোটেই জীৱন তেওঁ নানা কামত ব্যস্ত থকা বাবে তেওঁৰ জীৱনত জিৰণি নাছিল । এসময়ত পুলিচৰ চকুত ধূলিদি হাবিয়ে-বননিয়ে অজ্ঞাত বাসত ঘূৰি ফুৰিবলগীয়া হোৱাত তেওঁৰ সাংসাৰিক জীৱন অতিষ্ঠ হৈ পৰিছিল । স্থায়ীকৈ বসবাস কৰি এখন সুখৰ সংসাৰ ৰচনাৰ তেওঁ সুযোগ পোৱা নাছিল। পৈত্ৰিক সম্পতি হিচাপে বহু মাটি তেওঁ দুখীয়াৰ মাজত বিলাই দিছিল ।

১৯৫১ চনত তেওঁ প্ৰিয়লতা বৰুৱাক বিবাহ কৰায় যদিও সেই সংসাৰখন বেছি চিৰস্থায়ী হ'ব নাপালে । অতি কম দিনৰ ভিতৰতে পত্নীৰ বিয়োগ ঘটাত তেওঁৰ সংগ্ৰামী জীৱনৰ সংযোগী কণকলতাক বিবাহ কৰায়। কিন্তু ভাগ্যৰ কি পৰিহাস ! এই গৰাকী পত্নীয়েও ১৯৬২ চনত ৫ বছৰীয়া প্ৰথম পুত্ৰ পৃথ্বিৰাজ আৰু ২ বছৰীয়া দ্বিতীয় পুত্ৰ হেমৰাজক এৰি ইহ-সংসাৰ ত্যাগ কৰে । কণকলতা জীয়াই থকা অৱস্থাতে ৰাভাদেৱে শ্ৰীমোহিনী ৰাভাক বিয়া কৰাইছিল । কিবা কাৰণত শ্ৰীমোহিনী ৰাভাই বিষ্ণু ৰাভাৰ সংগ এৰি পিতৃগৃহলৈ গুছি গৈছিল ।

চীন ভাৰতৰ যুদ্ধৰ সময়ত কাৰাবাসত থাকিব লগীয়া ৰাভাই মুক্তি পায় ১৯৬৩ চনৰ ২৪ আগষ্ট তাৰিখে । ৰাভাদেৱে কাৰাবাসৰপৰা মুক্তি পায়েই শ্ৰীমোহিনী ৰাভাক পিতৃগৃহৰপৰা আনি ভঙা সংসাৰ জোৰামাৰে ।

এবাৰ পাতৰ ৰঙৰ নিচিনা পোচাক পিন্ধি বিষ্ণু ৰাভা আৰু তেওঁৰ সংগীসকল গৈ আছিল, হঠাৎ গাড়ীত তেল নোহোৱা হোৱাত এটা ডিপোত গাড়ী ৰাখিলে । গব্ গব্ কৈ গাড়ীৰ পৰা নামি আহিলে আৰু গাড়ীৰ তেল ললে । তেল লৈ তেলৰ পইচা দি আকৌ গাড়ীত উঠিলে ।

বিষ্ণু প্ৰসাদ ৰাভাৰ জীৱনৰ শেষ অংশ অতি কষ্টেৰে অতিবাহিত কৰিছিল । তেওঁ শেষৰ ফালে নিজাকৈ ভেটি এটিও নাছিল । ১৯৬৭ চনত তেজপুৰ সমষ্টিৰপৰা জয়ী হৈ বিধান সভাৰ সদস্য হৈ পৰিছিল। বিধান সভাৰ সদস্য হৈ থকা সময়তে ৰাইজৰ দাবীত চৰকাৰে তেওঁক তেজপুৰত এডোখৰ ভেটিৰ মাটি দিছিল ।

ৰাভাদেৱে হয়তো তেওঁৰ মৃত্যু ওচৰ চাপি আহিছে বুলি গম পাইছিল । সেয়েহে মৃত্যুৰ কিছুদিনৰ আগতে তেওঁ এটি অতিকৰুণ সুৰৰ গীত ৰচনা কৰি জনতাৰপৰা যেন বিদায় লৈছিল --

"এয়ে মোৰ শেষ গান
মোৰ জীৱন নাটৰ শেষ ৰাগিনী
কল্যাণ খৰমান ।
পাতনিতে বালো ধেমালি-নান্দী
ভঙ্গী সূত্ৰধাৰ,
হাঁহি বিননিৰে ভাওঁ দিলো নানা
বোৱালো অশ্ৰুধাৰ ।
নৱ নৱ ৰসে বালোঁ ভাৱ-নাওঁ
আশা নিৰাশাৰ,
আজি হ'ব মোৰ জীৱন নাটৰ
ভাওঁনাৰ অৱসান ।।"

অৱশেষত ১৯৬৯ চনৰ ১৯ জুন বৃহস্পতিবাৰৰ নিশা ২-২৫ মিনিটত জনতাৰ বুকুৰ আপোন, অসমীয়া সংস্কৃতিৰ পূজাৰী বিষ্ণু প্ৰসাদ ৰাভাদেৱে কৰ্কট ৰোগত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰে । তেওঁৰ মৃত্যুৰ লগে লগে এটা দীঘলীয়া সংগ্ৰামৰ অন্ত পৰে বুলিব পাৰি ।

০০০

# ॥ নামনি অসমৰ কেইটামান লোকউৎসৱ ॥

কবিতা গোস্বামী
প্ৰবক্তা অসমীয়া বিভাগ।

সৰ্বসাধাৰণ লোকৰ জীৱনৰ আবেগ, অনুভূতি অভিজ্ঞতা আদিৰ অলিখিত সাহিত্যিক ৰূপেই হ'ল লোক-সাহিত্য। লোক-সাহিত্যৰ সৃষ্টি হয়, সামাজিক নানা ধৰণৰ লোক-উৎসৱক ভিত্তি কৰি। অসমীয়া সমাজখনত কিছুমান নিৰ্দ্দিষ্ট উৎসৱ আছেই, সেই বোৰ হ'ল- বহাগত বহাগ বিহু, আহাৰত অম্বুবাচী বা 'আমতী' (নামনি অসমত) ভাদত শ্ৰীকৃষ্ণৰ জন্মাষ্টমী, আহিনত দুৰ্গা পূজা, কাতিত কাতি বিহু, মাঘত মাঘবিহু, ফাগুণত ফাকুৱা বা দৌল উৎসৱ,ভঠেলি আদি। এইবোৰৰ বাহিৰেও বিভিন্ন লোক-উৎসৱ অসমীয়া গাঁৱলীয়া সমাজত পালন কৰা হয়। এই উৎসৱ সমূহে কামৰ অৱসাদ দূৰ কৰে, সামাজিক সমতা ৰক্ষাত সহায় কৰে আৰু মিলাপ্ৰীতি বঢ়ায়, ভাৱৰ আদান - প্ৰদানে মানসিক অৱসাদ দূৰ কৰাত সহায় কৰে। বৰ্ত্তমান যান্ত্ৰিক সভ্যতাৰ প্ৰসাৰৰ ফলত এই উৎসৱসমূহ লোপ পাই আহিছে। কথাছবি দূৰদৰ্শন আদিৰ প্ৰচলনৰ লগে লগে লোক সংগীত, লোক-উৎসৱৰ প্ৰতি মানুহৰ আৰ্কষণ নাইকীয়া হৈ গৈছে। এই যান্ত্ৰিক প্ৰক্ৰিয়াবোৰে লোক সংস্কৃতিৰ স্বাভাৱিকতা ব্যাহত কৰিছে। কৃষিজীৱী **সমাজখনে** খেতি-বাতি চপোৱাৰ পিছত ভাওনাৰ **আখৰা** কৰিছিল, অৱসৰ বিনোদনৰ উপায় হিচাপে। **কিন্তু** বৰ্ত্তমান নিৰ্দ্দিষ্ট কেইটামান তিথিত বাহিৰে **ভাওনা** পতা দেখিবলৈ পোৱা নাযায়। অকল **ভাওনাই যে** লোপ পাইছে এনেকুৱা নহয়, বহুতো **লোক-উৎসৱ** আৰু লোক অনুষ্ঠান আধুনিকতাই গ্ৰাস কৰিছে। **যিবোৰ** উৎসৱ লুপ্ত হোৱাটো আমাৰ কাৰণে **শুভ লক্ষণ** নহয়। এই প্ৰৱন্ধটোত নামিনি অসমৰ **এনেকুৱা** কেইটামান লোক-উৎসৱৰ বিৱৰণ দিয়া **হৈছে বা** দিবলৈ যত্ন কৰা হৈছে- যিবোৰ অনুষ্ঠান **বা উৎসৱ** আমি আমাৰ শৈশৱ কালত প্ৰাণভৰি **উপভোগ** কৰিছিলো।

আমি সৰুকালত উপভোগ কৰা **এনেকুৱা** এটা লোক-উৎসৱ হ'ল- জন্মাষ্টমী। শ্ৰীকৃষ্ণৰ **জন্ম** তিথিত ভাদ মাহত এই উৎসৱটো গাঁৱৰ **মহিলা** সকলে বৰ উলহ-মালহেৰে পালন কৰে। **গাঁৱৰ** নামঘৰত গোটেই ৰাতি নানা ধৰণৰ নাম, **ৰং-ধেমালী,** হাঁহি - কৌতুকেৰে জন্মাষ্টমী পাতে। মাহ - **প্ৰসাদ**



আগবঢ়োৱাৰ উপৰিও কাপোৰেৰে কেঁচুৱা কৃষ্ণ এটা সাজি ধুনীয়া বিচনা এখনত শুৱাই থৈ দিয়া হয়। মাজে মাজে কোনোবা এগৰাকীয়ে কেচুঁৱাই কন্দাদি কান্দে আৰু বাকীবোৰে ব্যস্তহৈ শিশু কৃষ্ণক নিচুকাই আৰু কোলাত তুলি লয়। কোলাত লওতে কেচুৱাই লেতেৰাও কৰে আৰু সেয়া কাপোৰত হালধিপানী ছটিয়াই দাগ দি দেখুওৱা হয়। এই উৎসৱত নামতীসকলে কৃষ্ণ জন্মৰপৰা গোকুলত নন্দৰ ঘৰত থোৱালৈকে বৰ্ণাই নাম গায়। কাৰাগাৰৰ ভিতৰত দৈৱকী-বাসুদেৱৰ পুত্ৰৰূপে কৃষ্ণৰ জন্ম হয়। জন্মৰ দিনা ৰাতি ধাৰাসাৰ বৰষুণ দি আছিল আৰু পালি-প্ৰহৰী সকলো নিদ্ৰা গৈ আছিল-

-"কৃষ্ণ উপজিলা জগতে জানিলা এ
নুশুনি প্ৰজাৰ মাত
পালি-প্ৰহৰীয়া সবে নিদ্ৰা গৈলা এ
উপজিলা জগন্নাথ।

জন্মাষ্টমীত সাধাৰণতে ভেঁট ফুল ব্যৱহাৰ কৰা হয়। চুৰিয়া কামিজ পিন্ধি বুঢ়ী মানুহ এগৰাকীয়ে নন্দ হয়, আন এগৰাকী যশোদা হয়। মাজে মাজে কৃষ্ণক লৈ নন্দ-যশোদাৰ মাজত কাজিয়াও হয়। এনেদৰে নানা ধৰণৰ হাঁহি কৌতুকেৰে নামতীসকলে অৰ্থাৎ গাঁৱৰ মহিলা সকলে ৰাতি পুৱাই দিয়ে।

জন্মাষ্টমীৰ পাঁচদিন পিছত আহে ' পাঁচতি' বা 'পঁচতি'। দিনটো জোৰা কাৰ্য্যসূচীৰে এই উৎসৱ পালন কৰে। শিশু কৃষ্ণক সূৰ্য্য দৰ্শন কৰাৰপৰা আৰম্ভ কৰি দৈৱজ্ঞৰ হতুৱাই নামকৰণ কৰোৱা আদিও কৰে। আবেলি নামঘৰত নাম গোৱা হয়। এই দিনটো গাঁৱৰ মহিলাসকলৰ কাৰণে অতি আনন্দৰ দিন। নামঘৰৰ চোতালত পানী ছটিয়াই বোকা কৰি থোৱা হয় আৰু মহিলাসকলে ইজনীয়ে সিজনীক টানি নি বোকাৰে লুতুৰি-পুতুৰি কৰে। এই বোকা খেল বহুত সময় জুৰি চলে। শেষত আটায়ে গা-পা ধুই আহি প্ৰসাদ আৰু "জ্বালা বটা" (নামনি অসমত কিছুমান ঠাইত সন্তান উপজিলে পাঁচ দিনত বা এঘাৰ দিনত মিঠাতেল, জিৰা-জালুক, ধনীয়াগুড়ি, নিমখ, জলকীয়া গুড়ি আদি নিৰ্দ্দিষ্ট জোখত মিলাই কৰা এবিধ সু-স্বাদু মচলা) ভাগ বতৰা কৰি প্ৰত্যেকৰে ঘৰলৈ দি পঠিয়াই।

' মহো-হো' বা 'মহখেদা' নামনি অসমৰ আন এটা উৎসৱ। আঘোণমাহৰ পূৰ্ণিমা তিথিত এই উৎসৱ পালন কৰা হয়। সন্ধিয়া গাঁৱৰ চেমনীয়া ল'ৰা (কিছুমান ঠাইত ডাঙৰ মানুহো যায়) বিলাকে হাতত একোডাল টাঙোন লৈ গৃহস্থৰ চোতালত টাঙোনেৰে খুন্দিয়াই গীত গাই গাই মহ খেদে। মহখেদা দলবোৰক গৃহস্থই প্ৰধানকৈ চাউল বা ধান দিয়ে। মহো-হোৰ দিনটো সৰুকালত আমাৰ কাৰণে বৰ হেঁপাহৰ আছিল। আইতাই এখৰাহি চাউল আৰু বাতি এটা দিয়ে আমি প্ৰত্যেক দলকে এবাতিকৈ চাউল দিওঁ। ডাঙৰ মানুহ আহিলে এদোণ ধান দিয়া হয়। মহখেদা গীতবোৰ হ'ল-

অ' হৰি মহো-হো
মহ খেদিবা টোকান লো
মহে বোলে মইল্লু দে,
টেপুৰ পুৰা খাইলু দে,
টেপুৰত নহ'ল নুন,
চাউল লাগে একো দোণ।

এনেদৰে গাই মানুহৰ চোতালে চোতালে আশীৰ্ব্বাদ দি ফুৰিলে মহ যায় বুলি মানুহৰ বিশ্বাস।

মাননি সৰহকৈ বিচাৰি মহো-হো গীতত ল'ৰা বিলাকে গায়-

বাঁহৰ পাত পকা
আমাক লাগে টকা।

বাঁহৰ পাত চিকমিক
আমাক লাগে একো সিকি ।
গৃহস্থৰ কুশল হৌক
গৰু-চৰু বাঢ়োক ।

মহো-হো গীতৰ দলত এজনে শুকান কলপাত গাত আঁৰি ভালুক হয় আৰু এই ভালুকৰূপী মানুহজনে দলটোৰ মাজত নাচে । ভালুক আৰু মহৰ কিবা সম্বন্ধ আছে, নে হাস্যৰসৰ সৃষ্টি কৰিবলৈকে মহো-হো গীতত ভালুকৰ অৱতাৰণা কৰা হৈছে তাক সঠিকভাৱে জনা নাযায় । মহো-হো গীততো আছে-

ভাল ভালুকা নাচোৰে
হায় ৰে হায় ।

নামনি অসমৰ দক্ষিণ কামৰূপত আৰু এবিধ লোক উৎসৱ আছে । এই উৎসৱক চহা জনসাধাৰণে "সৰি" বুলি কয়, কিছুমানে "সভা" বুলিও কয় । ইয়াৰ প্ৰকৃত নাম "সুঁৱৰি" বুলিও কোনো কোনোৱে কয় । "সুঁৱৰি"ৰ অৰ্থ হ'ল 'স্মৰণ' । বহাগ মাহত এই উৎসৱ পালন কৰা হয় । প্ৰত্যেক গাৱঁে বেলেগ বেলেগ দিনত এই উৎসৱ পাতে যেন সকলোৱে এই উৎসৱ উপভোগ কৰিব পাৰে । এই উৎসৱৰ মূল হ'ল গোপিনী সকলৰ 'দধিমথন' । দধিমথনত এজনক কৃষ্ণ সজোৱা হয় আৰু বাকী দহজনীমান কুমাৰী ছোৱালীক গোপিনী সজোৱা হয় । এই উৎসৱত এটা লোক বিশ্বাস আছে যে যিজন ল'ৰা বা ছোৱালীৰ বেমাৰ-আজাৰ নুগুচে 'দধিমথনত' কৃষ্ণ হ'লে হেনো এইবোৰ খণ্ডন হয় । এই উৎসৱত মেলা আৰু নানা ধৰণৰ খেল-ধেমালি অনুষ্ঠিত হয়, তাৰ ভিতৰত হাতী দৌৰ প্ৰধান ।

আমি সৰুতে পোৱা আৰু কিছুমান সৰু সৰু লোক-উৎসৱ আছিল, সেইবোৰ হ'ল গৰখীয়া সেৱা, কুমাৰী পূজা, গোপালভোগ দিয়া ইত্যাদি । গৰখীয়া সেৱা হ'ল -গৰু আৰু গৃহস্থৰ মঙ্গলৰ কাৰণে পতা এটা সৰু উৎসৱ । এই উৎসৱত চেমনীয়া ল'ৰা কিছুমানক নিমন্ত্ৰণ কৰি আনি পদূলি মুখতে, মূল গৃহস্থ জনে পানী লৈ ভৰি হাত ধুৱাই দাণ্ডি আনি কঠ বা ঢাৰিৰ ওপৰত বহুৱায় । তাৰ পিছত সৰু ল'ৰাই ভালপোৱা, খিচিৰি, পিঠা, পায়স, লাড়ু, মিঠাই আদি খুৱায় । খোৱাৰ অন্তত ঘৰৰ গৃহস্থ আৰু গৃহিণীয়ে সেৱা কৰি দক্ষিণা, কাপোৰ আৰু এচাৰি একোডাল দি বিদায় দিয়ে । এয়ে হ'ল গৰখীয়াসেৱা ।

ঘৰখনৰ মানুহৰ অসুখ-বিসুখ হৈ থাকিলে বা ভবামতে উন্নতি নহ'লে আগৰ মানুহে কুমাৰীপূজা কৰিছিল । এই পূজাত প্ৰধানকৈ কুমাৰীছোৱালী সকলক প্ৰাধান্য দিয়া হৈছিল । পাঁচজনী, সাতজনী বা নজনি কুমাৰী ছোৱালীৰে এই পূজা পতা হয় । ছোৱালী কেইজনীক চৰিয়াত পানীলৈ ঘৰৰ গৃহিনীয়ে ভৰি ধুৱাই দি গামোছাৰে মচি দাণ্ডি আনি কঠ বা ঢাৰিত বহুৱায় । মিঠাই, পায়স, লাড়ু,, পিঠা আদি খাবলৈ দিয়ে আৰু খোৱাৰ অন্তত গৃহিণী আৰু ঘৰৰ তিৰোতা-সকলে সেৱা কৰি দক্ষিণা ৰঙা পাৰিৰ শাৰী বা চাদৰ আদি দিয়ে । ভৰি ধুওৱা পানীখিনি যাৰ উদ্দেশ্যে পতা হয় তেওঁ গা-মুৰত ঘঁহে ।

'গোপালভোগ' দিয়াও এনেকুৱা এটা সৰু উৎসৱ । এই উৎসৱ চেমনীয়া ল'ৰাবিলাকৰ মাজত আৱদ্ধ থাকে । গাই গৰুৱে পোৱালী দিয়াৰ এমাহ পিচতে সেই গাইজনীৰ গাখীৰেৰে এই ভোগ দিয়া হয় । কিছুমান ঠাইত এই ভোগক 'দামুৰি বন্ধা ভোগ' বুলিও কয় । গো-গৰু, পাল-পালন কৰোতা আৰু ভোগ হ'ল- কল, গাখীৰ, মিঠৈ আৰু পিঠাগুড়িৰে তৈয়াৰ কৰা এবিধ থুপ-থুপীয়া সুস্বাদু খাদ্য । উজনি অসমত ইয়াক 'ঘোল' বুলি কোৱা হয় । এই ভোগ সন্ধিয়া গাঁৱৰ মাজৰ ডাঙৰ গছৰ তলত নাইবা গৃহস্থৰ



চোতালত দিয়া হয় । গাঁওখনৰ গোটেই চেমনীয়া ল'ৰাসকলক এই উপলক্ষে নিমন্ত্ৰণ কৰা হয় । চেমনীয়াসকলে ভোগ খাই গৰু গৃহস্থৰ মঙ্গল কামনা কৰি ঘৰা-ঘৰি যায় ।

নামনি অসমৰ ঠায়ে ঠায়ে সাপৰ দেৱী মনসাৰ পূজা কৰা হয় । এই পূজাক কোনো কোনো ঠাইত 'মাৰৈপূজা' বুলিও কোৱা হয় । এই পূজাত মনসাদেৱীৰ পূজা অনুষ্ঠিত কৰা হয় । বলি বিধানো দিয়া হয় । এই উৎসৱৰ আটাইতকৈ জনপ্ৰিয় দিশটো হ'ল- দেওধনী নৃত্য (মতা মানুহে নাচিলে তাক 'দেউধা' নৃত্য বুলি কোৱা হয় ) জনসাধাৰণে বিশ্বাস কৰে যে যিজনী তিৰোতা বা মানুহৰ গাত গোঁসানীয়ে লম্ভে সেইজনী তিৰোতা বা মানুহেহে দেওধনী হ'ব পাৰে আৰু পূজাৰ কেইদিনত দেওধনীৰ গাত অলৌকিক শক্তি থাকে, মানুহৰ ভূত-ভৱিষ্যতৰ কথাও ক'ব পাৰে । বাদক সকলৰ বাজনাৰ তালে তালে দেওধনীয়ে ৰঙা কাপোৰ পৰিধান কৰি মেলা চুলি জোকাৰি জোকাৰি অদ্ভুত ধৰণে নৃত্য কৰে । কেতিয়াবা ধাৰ থকা দাৰ ওপৰত, কেতিয়াবা পানী ভৰা মাটিৰ কলহৰ ওপৰত এই নৃত্য কৰে । নাচি নাচি অৱশ হৈ দেওধনী মাটিত বাগৰি পৰে, ইয়াক 'দক'ত পৰা বুলি কোৱা হয় । এই অৰ্ধচেতন অৱস্থাত মানুহে তেওঁলোকৰ বিভিন্ন সমস্যাৰ পৰা পৰিত্ৰাণৰ উপায় দিয়ে । নাচি থকা সময়ত দেওধনীয়ে জীয়া পাৰ চৰাই আদি মুচৰি তাৰ তেজ পান কৰে । বহুত দূৰ দূৰণিৰপৰা দেৱীয়ে লম্ভা দেওধনী দৌৰি দৌৰি মাৰৈ বা মনসা পূজাৰ স্থলীলৈ আহে । ওজাপালি মাৰৈ পূজাৰ এক অপৰিহাৰ্য অঙ্গ । সৰ্বসাধাৰণ লোকে ওজাপালিয়ে গোৱা বেউল লক্ষীন্দৰৰ কাহিনী শুনি দুখত অভিভূত হৈ পৰে ।

নামনি অসমখন লোক উৎসৱত অতি চহকী । কেঁচুৱা জন্মৰপৰা ছোৱালীৰ কাণ বিন্ধোৱা আদিতো কিছুমান অনুষ্টুপীয়া উৎসৱ পালন কৰে । লিখনিৰ ব্যাপকতাৰ ভয়ত এই সকলোবোৰ উল্লেখ কৰা নহ'ল। বৰ্ত্তমান যান্ত্ৰিক সভ্যতাৰে সভ্য সকলে হয়তো এই লোক-উৎসৱসমূহৰ প্ৰয়োজন আছে বুলি অনুভৱ নকৰিব। সামাজিক অনুষ্ঠানে মানুহৰ মিলাপ্ৰীতি একতা মৰম স্নেহ, সন্মান, সহযোগিতা বঢ়োৱাত যিমানখিনি সহায় কৰিব পাৰে, দূৰদৰ্শন আদি বিজ্ঞানৰ সজুলিবোৰে নোৱাৰে । বিশেষকৈ বিজ্ঞানৰ এই অৱদানসমূহে সকলো স্তৰৰ মানুহক সামৰি ল'ব নোৱাৰে । ফলত সমাজত শ্ৰেণীবৈষম্য বাঢ়ি গৈছে । ধনী শ্ৰেণীয়ে অৱসৰৰ সময় অতিবাহিত কৰিবলৈ সকলো আহিলা আহৰণ কৰিছে আনহাতে সমাজৰ একেবাৰে নিম্ন স্তৰৰ লোকসকলৰ কাৰণে কামৰ অৱসাদ দূৰ কৰিবলৈ একোৱেই নাই । গাঁৱলীয়া সমাজখনত লোক উৎসৱবোৰ থকা কাৰণে মানুহৰ জীৱনবিলাক আমনিদায়ক নহয়, উৎসাহ উদ্দীপনাও বেছি। বয়সস্থ লোক সকলৰ নিসংগতাও বহু পৰিমাণে কম, কাৰণ এনেকুৱা অনুষ্ঠানবিলাকত তেওঁলোকৰ দিহা পৰামৰ্শও অতি প্ৰয়োজন । মুঠতে লোক উৎসৱ সমূহে ধনী-দুখীয়া ল'ৰা-বুঢ়াসকলোকে সমানে আনন্দৰ যোগান ধৰিব পাৰে । সামাজিক শৃঙ্খলা ৰক্ষা কৰাতো লোক উৎসৱ সমূহৰ অৱদান আছে । লোক-উৎসৱসমূহ লোপ পোৱাৰ ফলত আমাৰ সামূহিক উৎসাহ, আনন্দবোৰ হেৰাই গৈছে, মানুহৰ নিসংগতা বাঢ়ি গৈছে ।

০০০

গল্প

# পকেট মাৰ



**শ্ৰীআৰতী সুত**
**স্নাতক প্ৰথম বাৰ্ষিক**

ৰমেন মাষ্টৰে আজি একেলগে পাঁচহেজাৰ মান এৰিয়াৰ টকা পাব । পঁচিশ বছৰীয়া মাষ্টৰি জীৱনটোত একেলগে ইমানখিনি টকা পোৱা তেওঁৰ মনতে নপৰে । চাকৰি কৰিলে সদায় মাহৰ মূৰৰ টকাকেইটালৈ বোন্দাপৰ দি থাকিব লগীয়া হয় । টকাকেইটা পালেও দোকানৰ বাকী, গাখীৰ, বাতৰিকাকত, বিদ্যুত, কাপোৰ আদি মাহেকীয়া দেনাবোৰৰ ধাৰ পৰিশোধ কৰোঁতে হাতত এটাও টকা নাথাকে । বহু বছৰৰ মূৰত মাষ্টৰৰ মুখত হাঁহি ওলাইছে। পাঁচ হেজাৰ টকা পাব বুলি জানি তেওঁৰ মনত অসংখ্য বাজেটৰ হিচাপ । আগত বহুত কাম পৰি আছে। তেওঁ নিজৰেই আজি পাঁচ বছৰে এজোৰ ভাল পোচাক ল'ব পৰা নাই। ভালকৈ এসাজ খাবলৈ পোৱা নাই। প্ৰতিটো মাহতেই ধাৰ-ঋণ কৰিবলগীয়া হয় । ল'ৰা-ছোৱালী হালকো ভাল চোলা-পেণ্ট এজোৰো দিব পৰা নাই। ঘৈণীয়েক ৰাধাই বহুত দিনৰ পৰাই কৈ আছে তেওঁক মুগাৰ মেখেলা চাদৰ এজোৰ লাগে । সঁচাকৈ ৰাধালৈ চালে তেওঁৰ বৰ দুখ লাগে। ঘৰত বোৱা কপাহী কাপোৰযোৰৰ বাহিৰে আন একোৱেই নাই। আজি টকাখিনি পালেই ৰাধালৈ এজোৰ কাপোৰ আনিবলৈ মনতে ঠিৰাং কৰিলে । লগতে পাটৰ ডাক্তৰে ঘৈণীয়েকৰ দুৰ্বলতাৰ কাৰণে লিখি দিয়া ভিটামিনৰ বটল দুটাও আনিবলৈ পাঙিলে। পৰিয়ালৰ অইনৰ লগতে নিজৰ কথাও মনলৈ আহিল। তেওঁ ভাবিলে তেওঁৰ প্ৰথম দৰকাৰী বস্তুটো হ'ল চাইকেল এখন । তাৰ পাছত পাৰিলে অইন কিবা। কাৰণ ২০ বছৰে মাষ্টৰে স্কুললৈ খোজ কাঢ়িয়েই অহা যোৱা কৰে প্ৰায় ৭ মাইল বাট। বৰ কষ্ট হয় তেওঁৰ । তাৰ উপৰিও দুটিমান টিউচন । শাৰীৰিক কষ্ট আৰু মানসিক চিন্তাত জৰ্জৰিত মাষ্টৰৰ শৰীৰ শুকান জলকীয়া নিচিনা হ'ল । তেওঁ আয়নাখনত নিজৰ মুখ খন চালে । চুলিখিনিও প্ৰায় পকিলেই । দাঁতো লৰক-ফৰক হ'লেই । চকুত চছমা লোৱা আজি তিনিবছৰেই হ'ল । গালৰ হনু ওলাই টেমী যেন হোৱা মুখ খনলৈ চায় তেওঁ এটা হুমুনিয়াহ কাঢ়িলে । আজি তেওঁ ভাৰিছে যেনে তেনে নতুনেই হওক বা পুৰণিয়েই হওক চাইকেল এখন ল'বই ।

মনতে বাজেটৰ কথা চিন্তা কৰি থাকোঁতেই ঘৈণীয়েকৰ মাতত তেওঁ চক্ খাই উঠিল । ঘৈণীয়েক ৰাধাই সুধিলে- এনেকৈ অথনিৰেপৰা কি চিন্তা কৰি আছে? আজি স্কুললৈ নেযায় নেকি ? ৰমেন মাষ্টৰৰ আজি কথা বেলেগ । টকা হাতত নৌপৰোঁতেই তেওঁৰ দেহত টকাৰ তপত স্পৰ্শ লাগিছে । মাষ্টৰে মিচিকিয়াই হাঁহি ঘৈণীয়েকলৈ চাই ক'লে- আজি স্কুললৈ নেযাওঁ ৰ'বা । ভাত-পানী সোনকালে ৰান্ধা। ন বজাৰ বাছত চহৰলৈ যাম । আজি এৰিয়াৰ টকা পাম নহয় । পিছে চাউল, দাইল নাই দেখোন । ঘৈণীয়েকৰ কথা শুনি ৰমেন মাষ্টৰ মহা দুমোজাত পৰিল । এক- কিলো চাউল আনিবলৈ দহ টকা লাগে। ইফালে হাতত সময়ো নাই। অৱশেষত ৰমেন মাষ্টৰে ভয়ে ভয়ে ঘৈণীয়েকক ক'লে - ' হেৰা ! নহ'লে এটা কাম কৰা বৰুৱাণীহঁতৰ ঘৰৰ পৰাই চাউল অলপ ধাৰলৈ আনাগৈ । ঘৈণীয়েকে কঁপাল কোঁচ খোৱাই গিৰীয়েকলৈ চালে । কেইমিনিটমান ৰৈ ওলাই গ'ল । দুঘণ্টামানৰ পিছত কোনো মতে আলুসিদ্ধ আৰু অলপ তেল নিমখেৰে কেইটামান পেটত ভৰাই চহৰলৈ গ'ল । ছোৱালীজনীয়ে বাপেক চহৰলৈ যাব ওলোৱা দেখি দৌৰি আহি তেওঁৰ গাত ধৰি ক'লে -দেউতা মোলৈ "স্কেচ পেঞ্চিল" আনিবা। মাষ্টৰে তাইৰ মূৰত মৰমেৰে হাত বোলাই ক'লে- "স্কেচ পেঞ্চিল" আনিম । চোলা-পেণ্ট আদি সকলো আনি দিম । তাই বৰ আনন্দিত হ'ল । কোনোমতে গৈ মাষ্টৰে বাছখন ধৰিলে । পুৰণি মান্ধাতা যুগৰ গাড়ীখনত পুৰুষ-মহিলা উভয়ে বান্দৰ ওলমা দি ওলমি গৈছে । উপায় নাই । প্ৰায় তিনিঘণ্টামানৰ মূৰত চহৰ পালে । বাছৰপৰা নামি ট্ৰেজাৰী, বেঙ্ক ইত্যাদিলৈ তাঁত-বাটি কৰি আবেলি তিনিমান বজাতহে টকাখিনি পালে । জন অৰণ্যৰ মাজেৰে বৰ বজাৰলৈ গ'ল । যাওঁতে এজনৰ লগত এখুন্দাও খালে । ইমান মানুহ । সকলো ব্যস্ত । কেৱল অবিৰাম গৈয়েই আছে । অহা আহিছে যোৱা গৈছে । কোনো কাৰো প্ৰতি ভ্ৰূক্ষেপ নাই । বৰবজাৰৰ কাপোৰৰ দোকান এখনত সোমাল তেওঁ । দোকানত অসংখ্য মানুহ । সকলো মানুহ কাপোৰ কিনাৰ বাবেই ব্যস্ত। মাষ্টৰেও ঘৈণীয়েকলৈ বুলি এযোৰ মুগাৰ মেখেলা চাদৰ আৰু ল'ৰা ছোৱালী দুটিলৈ পেণ্ট-চোলা ল'লে। কিন্তু যেতিয়া টকা দিবলৈ পকেটত হাত ভৰালে, তেওঁ ভীষণভাৱে চক্ খাই উঠিল । তল-ওপৰ সকলো পকেটতে চালে, কিন্তু টকাখিনি নাই । মূৰটো তেওঁৰ আচন্দ্ৰাই কৰি উঠিল । কোনোমতে নপৰাকৈ দোকানৰ খুঁটা এটাত আউজি ৰ'ল । দোকানীয়ে ৰমেন মাষ্টৰৰ তেনেকুৱা অৱস্থা দেখি সুধিলে- কি হ'ল ? তেওঁ মাত্ৰ পকেট মাৰিলে বুলি কৈ লাহে লাহে তাৰ পৰা ওলাই আহিল । অৱশেষত কিছু সময় অনাই-বনাই ফুঁৰি ঘৰলৈ বুলি বাছত উঠিল । বাছৰপৰা নামি ক্লান্ত দেহেৰে তেওঁ খোজ ল'লে । ওৰে বাটটো তেওঁ ভাৰিছিল পুৱা মনতে হিচাপ কৰি লোৱা বাজেটৰ কথা । তেওঁৰ বাজেট খন শেষত ভাগি চুৰমাৰ হৈ গ'ল ।

ঘৈণীয়েকে শুকান মুখেৰে ঘৰৰ পদূলিত

ৰীতাৰ কথা ভাবি থকা কাৰণেই তাইক মতাৰ নিচিনা শুনিছো। তথাপিও মনটো দমাব নোৱাৰি একেজাপে বিচনাৰপৰা নামি বাহিৰৰ বাৰান্দা পালোগৈ আৰু ষ্টেপত খোজ পেলায়েই গেট খুলি সোমাই অহা ৰীতাক দেখি হতবাক হৈ গ'লো। ৰীতাক দেখিয়েই এনেকুৱা লাগি গ'ল যেন দৌৰি গৈ তাইক সাবটি ধৰিম জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন সুধিম কিন্তু ইমান দিন তাই অহা নাই? কিন্তু মোৰ ষ্টেপত দিয়া ভৰিটো ষ্টেপতে ৰৈ গ'ল আৰু এখোজ আগুৱাই যোৱাৰ শক্তি খিনিও নাইকীয়া হৈ গ'ল। নিজৰ চকু কেইটাকে বিশ্বাস কৰিবলৈ টান লাগিল। দুমাহতে ৰীতাৰ ইমান পৰিবৰ্তন! তাই যেন আগৰ ৰীতা নহয়, তাই যেন এক সুকীয়া সত্বা। ৰীতা বুলি মাতিবলৈকো মোৰ ওঁঠ দুটা কঁপি উঠিল। ৰীতাৰ মুখৰপৰা মই চকু দুটা আঁতৰাই আনিবলৈও পাহৰি গলো। এপলক দৃষ্টিৰে ৰীতালৈ চাই থাকোতেই কোন সময়ত তাই মোক হাতত ধৰি আনি কোঠাটো পোৱালেহি ক'বই নোৱাৰিলো। বিচনাখনত বহি তাই মোক ক'লে জান ৰিমি তোলৈ মোৰ সদায় মনত পৰে, হোষ্টেললৈ আৰু ঘূৰি নাহিম বুলিয়েই ভাবিছিলো। কিন্তু তোৰ কথা ভাবিয়েই উভতি আহিলো। তই হয়তো ভাবিছ মই তোক পাহৰি গ'লো বুলি মনত পৰিলেও অহাৰ মনোবল মোৰ হেৰাই গৈছিল ৰিমি। কথাখিনি কৈয়েই তাই এটা হুমুনিয়াহ কাঢ়িছিল। তাইৰ মুখৰপৰা ওলোৱা বাক্যকেইটা শুনি বৰ আচৰিত হৈ গ'লো। কিহৰ দুখে ৰীতাক ইমান করুণ কৰি তুলিছে? জানিবলৈ ব্যগ্ৰ হৈ উঠিলো। লগে লগেই মই ৰীতাক সুধিলো, "কি হ'ল ৰীতা কিয় ইমান বেলেগ হৈ গলি, কি হৈছে তোৰ নকৱ কিয়?" "কম ৰিমি তোক ক'বলৈকেতো আহিছো হয়তো তই দুখ পাবি। ইমানখিনি কথা তই হয়তো ধৈৰ্য্য ধৰি শুনিবই নোৱাৰিবি। মই জীৱনত বৰ ডাঙৰ ভুল কৰিলো ৰিমি যি ভুলৰ বাবে মই গোটেই জীৱনেই ভুগিব লাগিব। তইতো জানই ৰিমি মোৰ আৰু চন্দনৰ মাজৰ সম্পৰ্কৰ কথা আৰু জান কিহৰ বাবে ঘৰৰ ওচৰত ইমান সুবিধা থকা সত্বেও এইখন কলেজলৈ আহি ইয়াত হোষ্টেলত থাকি পঢ়িব লগাৰ কথা। ইয়াত থাকি সঁচাকৈ মই বৰ সুখী হৈছিলো ৰিমি বৰ স্ফূৰ্ত্তিত আছিলো। কিন্তু মানুহৰ জীৱনলৈ কেতিয়া সংঘাত নামি আহে কোনেও নাজানে"। কথাখিনি কওঁতে ৰীতাৰ দুচকুৱেদি চকুলো নিগৰি গৈছিল। তাই মাথো কৈ গৈছিল মোৰ জীৱনলৈও যে কল্পনাও কৰা নাছিলো ঘৰত সকলোৰে পৰা গালি-গালাজ, নানান কথা শুনিছিলো যদিও একমাত্ৰ চন্দনৰ কথা ভাবিয়েই মই সকলো পাহৰি গৈছিলোঁ। এই বিষয়ে চন্দনক জনালে চন্দনে মাথো কয় তুমি সদায় চিনি পোৱা আখৰখিনি মোৰ বাবে অচিনাকি হৈ পৰিছিল। চিঠিত চন্দনে কি লিখিছিল জান ৰিমি। এইদৰেই লিখিছিল-

মৰমৰ ৰীতা,

চিঠিখন পঢ়িবলৈ যাওঁতে অতীতক ৰোমন্থন নকৰিবা। অতীতক একেবাৰে পাহৰি যোৱা। এনেদৰে জীৱনত তোমাক সাংঘাতিক ফাঁকি দিম বুলি ভবাই নাছিলো। কিন্তু "ভবা কথা নহয় সিদ্ধি বাটত আছে কনা বিধি।" মোৰ ক্ষেত্ৰতো তেনেকুৱাই হ'ল। আমাৰ ঘৰত বিয়াৰ বাবে বৰ জোৰ জুলুম কৰি এজনী সম্ভ্ৰান্ত পৰিয়ালৰ ছোৱালী মোৰ বাবে ঠিক কৰিলে। যথা সময়ত মোৰ বিয়াও হৈ যায়। তোমালৈ খবৰ দিম বুলি ভাবিও সময় কৰিব নোৱাৰিলো। সেইবাবে নিশাৰ হাতত এই চিঠিখন দিলো। হয়তো তুমি মোক কোনো দিনেই ক্ষমা নকৰিবা। কিন্তু মই নিৰুপায় আৰু বেছি লিখি তোমাক কষ্ট নিদিওঁ। শেষত ক্ষমাৰে-

চন্দন।



এইখনেই আছিল চন্দনৰ চিঠি। মই আৰু ধৈৰ্য্য ধৰি ৰ'ব নোৱাৰিলো ৰিমি। জীয়াই থকাৰ মানসিক প্ৰস্তুতিখিনিও মোৰ হেৰাই গৈছিল। জীৱনত যাতে তইঁতেও মোৰ দৰে ভুল কৰি নিজৰ জীৱনটোক ধ্বংসৰ পথলৈ আগবঢ়াই নিদিয়। নিজৰ বাহিৰে কোনো মানুহকেই বিশ্বাস নকৰিবি। বেছি বিশ্বাসৰ চিন্তা নকৰিবা ৰীতা, সময়ত সকলো ঠিক হৈ যাব। চন্দনৰ সেই আশ্বাস বাণী শুনিয়েই মই শান্তিৰে আছিলো আৰু এদিন চন্দনৰ ইচ্ছামতেই এই হোষ্টেলত আহি উঠিছিলোঁ। মই কোনো দিনেই চন্দনক অবিশ্বাস কৰা নাছিলো ৰিমি। কাৰণ চন্দনে কোনো দিনেই মোক প্ৰতাৰণা কৰা নাছিল।

কিন্তু চন্দনে মোক বিশ্বাস ঘাতকতা কৰা নাছিল। সিদিনা ঘৰলৈ গৈ ঘৰত সকলোৰে মন বিলাক আনন্দ দেখি মই বৰ আচৰিত হৈ গৈছিলোঁ, কাৰণ কোনো দিনেই ঘৰৰ মানুহে মোক ভাল চকুৰে নেচাইছিল। কিন্তু যিদিনা মোৰ আগমনে সকলোকে ইমান আনন্দিত কৰিব পাৰে বুলি মই ভবাই নাছিলো। সকলোৰে আনন্দ মুখ দেখি মই বৰ সুখী হৈছিলো। সেই সুখেই যে মোৰ অন্তৰলৈ অজস্ৰ বেদনা কঢ়িয়াই আনিব পাৰে সি মোৰ কল্পনাৰো অতীত আছিল। গৈ পায়েই ঘৰত অলপ সময় থাকি মই নিশাহঁতৰ ঘৰলৈ গৈছিলোঁ চন্দনৰ কথা জানিবলৈ। কিন্তু নিশাৰ মুখৰ পৰা যি কথা শুনিলো সেই কথাই মোৰ মূৰত কুঠাৰাঘাত কৰিলে। মই পাগল হৈ গৈছিলো ৰিমি। নিশাই চন্দনে তাইৰ হাতত দিয়া চিঠিখন মোৰ হাতত দিছিল। চিঠিখন পঢ়াৰ ধৈৰ্য্যও মোৰ হেৰাই গৈছিল। তাত আৰু এক মুহূৰ্তও নৰৈ ঘৰ পালোহি। চিঠিখন পঢ়িবলৈ বুলি খুলিলৈ মই চিঠিখনৰ এটা আখৰো পঢ়িব পৰা নাছিলো। সেইদিনা চন্দনৰ স্পষ্ট আখৰবোৰো মই চকুৰে মনিব পৰা নাছিলো। পাত্ৰবোৰেই সদায় বিশ্বাস ঘাতকতা কৰে। এইদৰেই ৰীতাৰ কথা শুনি থাকোতেই সন্ধ্যা প্ৰাৰ্থনাৰ বেল পৰিল। মোৰ আৰু প্ৰাৰ্থনা কৰিবলৈ যোৱা নহ'ল। হাত-ভৰি ধুই বিচনাখনতে উঠিলোহি। ৰীতাৰ দুখে মোৰো অন্তৰখন হাঁহাকাৰ কৰি উঠিলে। তাই যে ছায়া মূৰ্ত্তিৰ দৰেই ইমান নীৰৱ হৈ গ'ল। আগৰ তাইৰ মাজত থকা ধুনীয়া ৰীতাজনী নাইকীয়া হৈ গ'ল। তাইক যেন কিহবাই গ্ৰাস কৰিলে। চন্দনৰ কথাকেই ভাবিলো, চন্দনো ইমান নিষ্ঠুৰ হ'ল কেনেকৈ???

চিন্তাই মানুহৰ অন্তৰ প্ৰকাশ কৰে। মানুহে যেনে ধৰণৰ চিন্তা কৰে, তেওঁৰ মনো ঠিক তেনে ধৰণৰ হয়। সজ চিন্তাই মানুহক পৱিত্ৰ কৰে। অসৎ চিন্তাই সকলো বেয়াৰ মূল।

কবিতা

# স্বপ্ন বিভোৰ শতিকা

শ্ৰীস্বপন জ্যোতি নাথ ।
প্ৰৱক্তা, অসমীয়া বিভাগ ।

কুৰিশতিকাৰ ধ্বংস স্তূপৰ মাজত
আজি বক্ষিত হৈছে
পৃথিৱীৰ শ্ৰেষ্ঠতম্
ভাস্কৰ্য্য।

পৃথিৱীৰ ইতিহাসত গ্ৰীক, ইজিপ্ত,
ভাৰতীয় সভ্যতাই যেন সদ্যস্নাতা
শিশুটিৰ দৰে চিনাকি হ'বলৈ ধৰিছে
নতুন পৃথিৱীক ।

এই শতিকাৰ ধ্বংস-যজ্ঞ
উত্থান-পতনে ম্লান কৰিছে
আদিম সভ্যতাৰ স্মৃতি (ঐতিহ্যমণ্ডিত)
মধুৰ কাহিনী ।

আমেৰিকা, ৰুচিয়া দেশৰ দমন নীতিৰ
বিপৰীত, ভাৰতবৰ্ষত চলিছে
শাসক যন্ত্ৰৰ শোষণ নীতি ।

শাসন, শোষণ, দমন ধ্বংস, হিংসা,
ধৰ্ষণ, যন্ত্ৰনা, মাৰণাস্ত্ৰ আদি চিনাকি
শব্দবোৰে ইতিহাসৰ সোঁণালী পৃষ্ঠাত
প্ৰতিষ্ঠা লাভ কৰিছে।

পৃথিৱীয়ে কুৰিশতিকাৰ জপনা মুখত
থিয় হৈ আহ্বান জনাইছে একৈশ শতিকাক,
একৈশ শতিকাই প্ৰস্তুতি চলাইছে
যুদ্ধনীতি, অৰ্থনীতি আৰু ধ্বংসনীতিৰ
উৰ্দ্ধত থাকি এটি সোণালী শতিকা
গঢ়াৰ নতুন পৰিকল্পনা ।

০০০





# বাকৰুদ্ধ

শ্ৰীজোনমণি কলিতা
স্নাতক ১ম বাৰ্ষিক



নিতাল মাৰি শুই থকা ৰাস্তাটোৰে
মোক যেন সোধে, তুমি আজি
নীৰৱ কিয় ?

উত্তৰত মই ক'লো
জীৱন সমুদ্ৰৰ পাৰ ভাঙি
ভাঙে মোৰ অতৃপ্ত হৃদয়,
মচখাই যাৰ খোজে
মোৰ জীৱনৰ ৰঙীন স্বপ্ন ।

দুটোপাল চকুলো মচি পুনৰ ক'লো
মই আজি বাকৰুদ্ধ ।
নহ'লে মই চিঞৰি চিঞৰি ক'লোহেঁতেন
শুনা দেশপ্ৰেমিক বিপ্লৱীৰ দল ;
মচি দিলে ৰঙা তিলক সধৱা নাৰীৰ
কাঢ়ি নিলে সন্তান কতনো মাতৃৰ,
নকঁপে তোমাৰ হাত দানবৰ বাবে
যদিহে তুমি হোৱা অসমী আইৰ সন্তান॥

০০০

# হেৰুৱা সুৰ

বেচমিন চুলতানা
উচ্চতৰ মাধ্যমিক (প্ৰথম বৰ্ষ)



শৰতৰ এনিশা মোৰ প্ৰেয়সী,
নীল আকাশৰ জোনজনী হৈ,
তৰাফুল বুটলিবলৈ গৈছিল
ধৰাত তেতিয়া এন্ধাৰ তহি যে নাই।
যুতি, জাই, গুটিমালি ডেইজি।
বিচ্ছেদত মৰহি নিয়ৰৰ চকুলো সৰাই
নদীৰ কাষৰ কঁহুৱা বনত
জোনাকী পৰুৱাই পাখি জপায়।
এন্ধাৰৰ হুমুনিয়াহি এৰে।
পালতৰা নাৰে দিক হেৰুৱাই।
ক'লা ক'লা কুৎচিত সপোনবোৰত
বাস্তৱৰ সোঁণালী উজ্জ্বলতাৰ
আশাৰে হাবাথুৰি খাই
তাকেই বিচাৰি যায়
আকৌ কেতিয়া ফৰিং ফুটিব ?

০০০



# চক্ৰবেহু

মিচ্ বিনীতা হাজৰিকা
স্নাতক ২য় বৰ্ষ

এটি ভয়াৰ্ত কৰুণ ক্ষণত,
প্ৰতিবাদী কণ্ঠ স্তব্ধ হৈছিল
দেখি এটি বিভৎস দৃশ্য।
সভ্য সমাজৰ মুখাপিন্ধা ভীৰু কাপুৰুষৰদ্বাৰা সংগঠিত,
বস্ত্ৰবিহীন এটি নিলাজ মৃতদেহৰ
আত্ম হত্যাৰ নিৰ্মল প্ৰতিছবি
প্ৰতিফলিত হৈছিল সমাজত।
মানুহৰ প্ৰতি মানুহৰ
মমতা বিহীন চলনাৰ
মিথ্যাবাদী কুচকাৰাজ
সত্যবাদীতা, ঐক্যক
হত্যা কৰাৰ
চক্ৰবেহু।
সেই মৃতদেহে যেন
কীৰ্ত্তন ঘৰৰ হৰিনামৰ জোৰাৰৰ দৰে
চৌদিশ মুখৰিত কৰি চিঞৰিছে
যি নিৰ্বিচাৰে কৰে আঘাত
সিহঁতক কেতিয়াও মিঠা চুম্বন নিদিবি।
সিহঁতক ধ্বংস কৰিবলৈ
সজাগ হ অসম সন্তান
সাজ
চক্ৰবেহু।



# বিপ্লৱ

শ্ৰীজ্যোতিষ শইকীয়া
স্নাতক ১ম বৰ্ষ।

বাৰুদৰ ধোঁৱাৰে ধুঁৱলী-কুঁৱলীময় এই পৃথিৱী
কেনিও অকণো নাই সুখময় শান্তি
যেনিয়েই চোৱা কেৱল
ধৰ্ষণ অত্যাচাৰ ব্যভিচাৰ ;

শান্তিৰ নামত মেলিলে কেৱল
হিংসুক ৰক্ত পিপাযুক,
জীয়ৰী বোৱাৰীহঁতৰ
কাঢ়িলে অস্তিত্ব

পৱিত্ৰ আই মাতৃৰ বুকু কৰিলে ৰক্তাক্ত;
জাগৃত হোৱা ডেকা সমাজ
ভাবিবৰ নাই প্ৰয়োজন
নিস্বাৰ্থভাৱে আগুৱাই ব'লা
তেহে হ'ব দেশৰ মংগল।



০০০



# মোৰ যে কিমান হেঁপাহ

মিচ ঃ পাৰবিন চুলতানা
স্নাতক ১ম বৰ্ষ

তুমিতো নাজানা
মোৰ যে কিমান হেঁপাহ
সন্ধিয়াৰ ফুলনিত তোমাৰ সতে ফুৰিবলৈ!
তুমিতো নুবুজা
মোৰ যে কিমান হেঁপাহ
ৰঙীন স্বপ্নৰ অনাগত দিনবোৰ
তোমাৰ স'তে কটাবলৈ!
মই ডাণ্টে নহওঁ
ডিভাইন কমেদি লেখাৰ
মানসিক সমৰ্থ মোৰ নাই।
তোমাক আকৰ্ষিত কৰাৰ
বিমোহন ৰূপ মোৰ নাই
মাথো জানি থোৱা,
মনে প্ৰাণে মই তোমাক বিচাৰোঁ।
আশা নদীৰ ৰূপালী সোঁতত
তোমাৰ স'তে উঠি যাওঁ।
বহু দূৰলৈ-------------
এখন চিৰ সেউজ পৃথিৱীলৈ
মোৰ যে কিমান হেঁপাহ
তোমাক পাবলৈ!!



# আমি জানো, তথাপিও......

শ্ৰীপ্ৰাগজ্যোতি বৰা
স্নাতক ২য় বৰ্ষ



প্ৰকাশ নিঃশব্দ
সময় কঠিন
সময়ৰ হেংদান
দুয়োপিনে শান দিয়া-
সময় বৰ তীব্ৰবেগে সলনি হয়,
এই মুহূৰ্তৰ অভিমত
পিছমুহূৰ্ততে হৈ পৰে
অৰ্থহীন-
সিটো মুহূৰ্তত জীয়াই থকাজন
এই মুহূৰ্ততে হৈ যায় মৃতদেহ-
তথাপিও আমি বিচাৰো,
শৰৎ কালৰ আকাশত
তেজৰ কণিকা নুৰক
শুকুলা হওঁক মেঘৰ বৰণ-
মানুহৰ কেঁচা তেজৰ টোপালবোৰ
নিয়ৰৰ বিন্দুলৈ পৰিণত হওক;
সমাধান কিন্তু উজু নহয়।
তথাপিও আমি বিচাৰো-
সংঘৰ্ষ হওক পুনৰ,
হত্যাৰে নহয় যুক্তিৰে
জীৱনক, দেশক, দহক, জাতিক
অগ্ৰগামী কৰা আমাৰ
এই ইতিবাচক অপেক্ষা
যুক্তি সঙ্গত নহ'বনে ?



বাংলা কবিতা

# নব - বর্ষ

বিশ্বজিৎ চৌধুরী
স্নাতক প্রথম বর্ষ

বারো মাসে বারো রং
নিয়ে এসেছ তুমি,
নব রং দিয়ে ভুবন
সাজিয়েছ তুমি,
নব বধূ সেজেছে ভুবন
তোমারি আগমনে।
নদী শুনাচ্ছে সঙ্গীত
কল কল করে,
নেই কোলহল জীবন সংসারে
পূজার ঘন্টা বাজছে আজ
সবার ঘরে ঘরে।
তোমার রূপের নেই শেষ পারাপার,
পাখিরা শুনাচ্ছে সঙ্গীত
তাই বারংবার।

০০০

# চাতক

সুরজ কুমার পণ্ডিত
স্নাতক ২য় বর্ষ

পূর্ণিমায় চাঁদ
        মন্থনের অমৃত
স্বচ্ছ আকাশের
        কালো মেঘ,
বাসকীর নিঃশ্বাস।
        গভীর অন্ধকারে
অসহ্য যন্ত্রণায়
        রক্ত জমে নীল
স্তূপে স্তূপে......
        ছুটতে ছুটতে
রথের চাকা থমকে,
        ইনকালাব জিন্দাবাদ
আর নয়, সংগ্রাম
নয়, এবার গুলিতে
হাসি ? না যাতনা ?
        সেই মিশাইলের
আক্রমণে
        অগ্নি বৃষ্টিতে
নীল স্তূপ, স্বচ্ছ
হয়ে ঝরবে চাতকটি
        চেয়ে আছে।



# ELIZABETHAN COMEDY AND COMEDY OF MANNERS - AN ASSESSMENT

**Krishna Chandra Maji**
**Lecturer, Dept. of English**

Shakespeare and Ben Jonson, the two notable playwrights of Elizabethan England,--though there were others--, showed their consummate skill at their best in the field of drama. Shakespeare wrote thirty seven plays including comedies, tragedies, tragi-comedies, histories and Roman plays, and Ben Jonson, a Jocobean, a lot of comedy of humours. Yet as a whole, Elizabethan comedy with its richness and variety can be grouped or divided into two categories - (1) the Romantic comedy of Shakespeare and (2) the Realistic comedy of Ben Jonson. The romantic-cum-realistic comedy of the Elizabethan age brings to us a complete picture of Elizabethan comedy. In the romantic comedies of Shakespeare there is all-pervading romance, gaiety and freshness of outlook on life. The romantic comedies are creative in outlook, imaginative in tone, fanciful in execution, poetic in temper and rich in humour. They are free from satiric shafts of irony and sarcasm, and do not intend to bring about any moral edification of the readers. They revel in the world of light-hearted gaiety and spell the aroma of sweetness and liveliness about them. Their main essentials are a delightful story in some romantic setting arriving at a fortunate issue.

In the realistic comedy of the Elizabethan age the concentration is primarily on the realistic life of the time, and Ben Jonson in his comedy of humours portrays not the fanciful world of romance and imagination but the real world of his time. He contributes a popular type of low comedy, and his method of characterization by means of humours is common throughout the whole century. Idealistic romanticism is 'out' in his comedy ; in its place appears somewhat sceptical attitude towards life. The comedies of Ben Jonson which were written almost entirely in prose, have a definite moral and satirical vein running

through them. The follies and foibles of the time are presented in these realistic comedies of the Elizabethan age. Both the romantic and the realistic comedies of the Elizabethan age are rooted in passion--the passion of love in Shakespeare and the passion of satiric indignation in Ben Jonson. In Elizabethan comedy Shakespeare presents a rich variety of characters drawn from all classes of life. Yet, in spite of rich variety of characters in Shakespeare, no two faces are alike. Ben Jonson in his comedy aims at the presentation of certain 'humours' in whom whimsicalities, absurdities, oddities, anomalies and inconsistencies are well-pronounced. Ben Jonson's comedy of humours, in which men's eccentricities of character are exposed, may be regarded as striking a new path, but even there the novelty is more apparent than real, for there it is not character but an intricate plot that is cornerstone of the drama. The range of character in Elizabethan comedy is fairly wide and some of the characters have universality of tone about them.

Now I switch over to Restoration comedy. The Restoration comedy of manners is very much different from Elizabethan comedy. Diverse elements went to the making of Restoration comedy. Restoration drama has been considered as both the glory and the shame of the period. The comedies handle wit and satire in a manner hardly surpassed, elsewhere in English drama ; but they are notoriously deficient in moral decency, though very sensitive to a superficial norm in manners. With the revival of drama after the Restoration, the influence of French comedy, and particularly of Moliere, was predominant, while Jonson was regarded as the greatest English model. The characteristics of Restoration comedy, as exemplified in the plays of Wycherley, Etherage, Dryden etc., are wit-- rather than humour -- a great measure of licentiousness, but at the same time considerable polish and elegance.

The comedy of the Restoration age was primarily written for the artificial society of the Restoration period, and is, in ultimate analysis, a picture of the elegant, refined, cultured and narrow society of the time. In outlook it is narrow, limited, and confined to certain classes of society, particularly the fashionable class of the Restoration age and it presents the superficial culture in an attractive, witty manner. Local colour and 'period' quality are present in the comedy of manners. It has neither the depth nor the range of Elizabethan comedy. Elizabethan comedy has been an imaginative representation of men living ; Restoration comedy is rather an anatomy of life, not more a representation than a commentary on life and on various social schematisms.

The primary aim of the comedy of manners is to present the 'manners' of the age. And manners here indicate not the rough, uncouth manners of the country louts but the manners of elegant, polished, and superficially cultivated society of the time. Manners here include the manners of the court or the corruptness of the court circles. The manners of the court were then highly corrupt. And the comedy that the court patronized was cynical and immoral. Hence, the comedy of manners cannot be a comedy for all time like the romantic comedies of Shakespeare's. It is a play of a particular time and place.

If there is anything in Restoration comedy, it is the refined wit and sparkling dialogues. It is critical and intellectual in tone. It can be enjoyed through the mind rather than through the heart. It is critical, not creative ; intellectual, not emotional.

The element of love also figures in Restoration comedy as in Elizabethan comedy. But there is a lot of difference in the treatment of love in the two types of comedy. Love in Elizabethan comedy-- particularly in Shakespearian comedy -- is a pure flame and a spiritual exaltation elevating the lovers to higher planes of purity and goodness of heart. But love in Restoration comedy is a debasement of the pure passion, and is reduced to love intrigues and clandestine amorous meetings. The writers of Elizabethan comedy treated love romantically, the Restoration dramatists physically. In Shakespeare love is a delicate feeling, a tender emotion, which glorifies the whole being of man or woman. In Restoration comedy love is a lust and a physical appetite.

Again, Restoration comedy is wanting in earnestness and seriousness of purpose. It lacks genuine romantic emotion and leaves us the impression of superficiality and artificiality. But Elizabethan comedy is still alive because of its life- giving and life sustaining elements.

From the technical point of view Elizabethan comedy had an advantage over the comedy of the Restoration period. The plots of Elizabethan comedy are direct and non- confusing. The unity of impression is generally maintained in Elzabethan comedy. Shakespeare, in spite of borrowing from foreign sources, has used the materials at his disposal in an artistic manner. The plots of the romantic comedies are well-managed, and the links are nicely improvised. But in Restoration comedy, there is confusion worse confounded and the management of the plots becomes intricate and involved.

Moreover, we should bear in mind that a play is all plot, all action, it exposes its machinery nakedly. We cooperate with the dramatist even in reading silently to ourselves. We imagine the scene ; we become the characters ; we recite the speeches ; we are possessed by the passion. We weep for Hecuba, though Hecuba is no relation of ours.

A play is either fresh or rotten. It has no in-between state. Any play is 'modern' if it can hold the stage. Pauses, silences, stage grouping, sudden transitions from one mood to another -- all are

important for a play. And they convey nothing on the page, but on the stage only.

To sum up, with G.S. Fraser's comment in **The Modern Writer and His World,** we can say that all great drama is essentially modern "In nearly all the plays written in England since about 1890 we are too obtrusively aware of the rapidly dating 'period' quality of the play ; aware of its diction, sentiment, and characters as belonging to a particular time and place, and unreal from the point of view of our own environment. When we have this 'period' feeling about a play, we may be sure it is not a great play, or not among the greatest. We have this feeling, for instance, about Congreve's **Way of the World** if we compare that with Moliere's **Le Missanthrope.** Congreve's play is his masterpiece, but it is not a universal masterpiece like **Le Missanthrope,** it is a play of a particular time and place....... (But) we do not have that feeling about Shakespeare, even though in his 'golden comedies' Shakespeare is unashamedly a mere entertainer as Mr. Noel Coward or Mr. terence Rattigan.

When we read Shakespeare, or some of the few genuinely great plays by his contemporaries-- to take some of T.S. Eliot's choices. -we forget about the element of local colour--We are caught up in an intense illusion of reality."

